NOT FO[illegible]
A. L. A. [illegible]ARY

# Assam Legislative Assembly Debates

## Official Report

**NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## Budget Session

## Vol. 1

No. 24

**THE 15 TH MARCH, 1975**

1988

PRINTED AT PRINTORAN PRESS, DANISH ROAD, PANBAZAR, GUWAHATI—781001

PROCEEDINGS OF THE NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The Assembly met in the Assembly Chamber, Dispur, Gauhati on Saturday the 15 th March, 1975 with the Speaker in the Chair. 12 (Twelve) Ministers, 7 (Seven) Ministers of State, 1 (One) Deputy Minister, 63 (Sixty three) members present.

——

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## (Budget Session)

Dated the 15 th March, 1975

VOL.—1

NO.-24

CONTENTS


| | | | | Page |
|---|---|---|---|---|
| 1. | Questions | ...... | ...... | 1 |
| 2. | Voting on Demants for grants | ...... | ...... | 36 |
| 3. | Calling Attention Notice | ...... | ...... | 96 |
| 4. | Matter Under Rule 301 | ...... | ...... | 100 |


—x—

## STARRED QUESTIONS AND ANSWERS

Date : 15 th March, 1975

—বিঃ যোৰহাট আৰু গুৱাহাটীৰ বনসংৰক্ষক—

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে :

*৩৫৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই বিভাগৰ গুৱাহাটীস্থ আৰু যোৰহাটস্থ কনজাৰভেটৰ দুজন একেৰাহে কিমানদিন ধৰি একে ঠাইতে নিজ নিজ দায়িত্বত আৰু পদত আছে ?

(খ, চৰকাৰৰ ঘোষিত নীতি মতে একেঠাইতে একে লেঠাৰীয়ে কোনো বিষয়াকে তিনি বছৰতকৈ অধিক সময় নৰখা নীতিৰ বিপৰিতে এওঁলোকক কিয় এনেদৰে ৰখা হৈছে ?

(গ) অসমত এই বিভাগৰ কিমানজন এনে পদমৰ্যাদাৰ কৰ্মচাৰী আছে আৰু তেওঁলোকৰ চাকৰীৰ প্ৰধান কাৰ্যালয় ক'ত ক'ত আছে জনাবনে ?

ডাঃ লুটফুৰ ৰহমান ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৫৭। (ক)—উজনি অসম চক্ৰৰ যোৰহাটস্থ বনসংৰক্ষকজন ইং ১৯/৬/৬৮ ৰ পৰা আৰু নামনি অসম চক্ৰৰ গুৱাহাটীস্থ বনসংৰক্ষকজন ইং ১/১০/৭০ ৰ পৰা নিজ নিজ ঠাইত একেৰাহে তেওঁলোকৰ পদত আৰু দায়িত্বত আছে।

(খ)—তিনিবছৰতকৈ অধিক সময় একে ঠাইতে কোনো চৰকাৰী বিষয়াক নৰখাৰ কোনো ধৰাবন্ধা নিয়ম নাই। অৱশ্যে চৰকাৰে কোনো চৰকাৰী বিষয়াকে একেঠাইতে একেৰাহে কেইবা বছৰো নৰখাৰ এটা নিয়ম নীতিগত হিচাবেমানি চলিবলৈ যত্ন কৰে।

(গ)—মুঠতে ৬ জন আছে, এওঁলোকৰ প্ৰধান কাৰ্যালয় সমূহ তলত দিয়া হল :—

(১) উজনি অসম চক্ৰৰ বনসংৰক্ষক—প্ৰধান কাৰ্য্যালয়-যোৰহাট ;

(২) নামনি অসম চক্ৰৰ বনসংৰক্ষক—প্ৰধান কাৰ্য্যালয়—গুৱাহাটী;

(৩) পাৰ্ব্বত্য চক্ৰৰ বনসংৰক্ষক —প্ৰধান কাৰ্যালয়—গুৱাহাটী ;

(৪) টাইগাৰ প্ৰজেক্টৰ ফিল্ড ডাইৰেক্টৰ-প্ৰধান কাৰ্যালয়—গুৱাহাটী ;

(৫) অৰ্থনৈতিক চক্ৰৰ বনসংৰক্ষক-প্ৰধান কাৰ্যালয়— গুৱাহাটী ;

(৬) উন্নয়ন চক্ৰৰ বনসংৰক্ষক—প্ৰধান কাৰ্যালয়—গুৱাহাটী ।

শ্ৰীনগেন বৰুৱা :—যোৱা বছৰ বিধান সভাত এই বিষয়া সকলক বদলি কৰা হব বুলি আশ্বাস দিছিল এইটো কথা সচানে ?

ডঃ লুটফুৰ ৰহমান ঃ—আশ্বাস দিয়াৰ কথাটো মই নাজানোঁ । এইটো চাব লাগিব ।

শ্ৰীনগেন বৰুৱা :—(খ) প্ৰশ্নৰ উত্তৰত কৈছে যে কোনো ধৰা বন্ধা নিয়ম নাই এক ঠাইতে কোনো বিষয়াক ৩ বছৰতকৈ অধিক সময় ৰখাটোত । কিন্তু পিচৰ ফালে কৈছে যে একেবাহে কেইবা বছৰো নৰখাৰ এটা নিয়ম নীতি গত হিচাবে মানি চলিবলৈ যত্ন কৰে । এনেকুৱা পৰিপ্ৰেক্ষিতত জনস্বাৰ্থৰ খাতিৰত বা কি অপৰিহাৰ্য কাৰণত এই বিষয়াসকলক ৫,৭ বছৰ ৰখা হৈছে ?

ডঃ লুটফুৰ ৰহমান :—এই ক্ষেত্ৰত আমাৰ কিছু অসুবিধা আছে । কনজাৰ-ভেটৰ পষ্টৰ দুটা কেডাৰ পষ্ট আছে । আমাৰ ইয়াত অফিচাৰ বেচি হোৱাৰ কাৰণে ভাৰত চৰকাৰলৈ লিখিছিলো । টেমপৰাৰী কেদাৰ পষ্টত ৰাখিবলৈ অনুমতি দিছে । সেই নিমিত্তে আমি বদলি কৰিব পৰা নাই ।

শ্ৰী ভৰনা বৰা :—নামনি অসমত থকা জন কিমান দিন আছে ।

ডঃ লুটফুৰ ৰহমান ঃ—৫ বছৰ ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—মন্ত্ৰী মহোদয়ে কৈছে যে কেদাৰ পষ্ট নথকাৰ কাৰণে তেওঁলোকক বদলি কৰিব পৰা নাই । আৰু আনহাতে চৰকাৰে নীতিগত ভাৱে কোনো বিষয়াক তিনি বছৰৰ অধিক কাল ৰাখিবলৈ নিবিচাৰে । সেইটো চৰকাৰৰ ঘোষিত নীতি আছে । তথাপি তিনি বছৰৰ ঠাইত ৫ বছৰ তাৰ পিচত ৭ বছৰ একে ঠাইতে একেজন বিষয়াকে ৰাখি থোৱাৰ ফলত তাত যে দুৰ্নীতি বোচ হৈছে সেইটো কথা জানেনে ?

ডঃ লুটফুৰ ৰহমান ঃ—একে ঠাইতে বেচি দিন নাৰাখি এখেতসকলক বদলি কৰিব লাগিছিল আৰু তাৰ কাৰণে যত্নও কৰি থকা হৈছে ।

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী :—কেদাৰ পষ্ট নাই কাৰণে ভাৰত চৰকাৰলৈ কেতিয়া লিখিছিল আৰু কি ৰেচপনচ পাইছে ?

ডঃ লুটফুৰ ৰহমান ঃ—যোৱা ফেব্ৰুৱাৰী মাহত ভাৰত চৰকাৰলৈ লিখা হৈছে কিন্তু এতিয়াও কোনো ৰেচপঞ্চ পোৱা হোৱা নাই।

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী :—একেঠাইতে যে ৭ বছৰ আছে এই কথাটো যোৱা ফেব্ৰুৱাৰী মাহতহে চৰকাৰে গম পাইছেনেকি ?

ডঃ লুটফুৰ ৰহমান :—আমি কেদাৰ কৰিবলৈ লিখিছিলো আৰু কেন্দ্ৰীয় চৰকাৰে টেমপৰাৰী এনকেদাৰ কৰি ৰাখিবলৈ অনুমতি দিছে।

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী :— টেমপৰাৰী এনকেদাৰ কৰিলে ট্ৰেন্সফাৰ কৰিব নোৱাৰি নেকি ?

ডঃ লুটফুৰ ৰহমান :—এই ক্ষেত্ৰত বদলি কৰাত অসুবিধা আছে।

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী :—টেমপৰাৰী এনকেদাৰ কৰিবলৈ অনুমতি দিছে।

Whether the temporary encadred officers can be posted in place of permanant encadred posts if Govt. of India agrees to this ?

ডঃ লুটফুৰ ৰহমান :—আমাৰ তিনিটা কনজাৰভেটৰ অফ ফৰেষ্টৰ চিনিয়ৰ পষ্ট আছে। কিন্তু শিলচত থকা জনৰ কাৰণে কেদাৰ পষ্ট নাই। গতিকে বদলি কৰিবলৈ এনকেদাৰ কৰিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—যি কেইজন আছে সেই কেইজনকে অদল-বদল কৰি তাকুৰি ঘুৰোৱাদি ঘুৰাই ফুৰাব নোৱাৰি নেকি ?

ডঃ লুটফুৰ ৰহমান —ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ লিখা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা —যোৰহাট গুৱাহাটী আৰু শিলচৰ কাৰণে যি তিনিটা

পষ্ট আছে এই কেইটাৰ এনকেদাৰৰ ব্যৱস্থা নাই। কিন্তু শাসন ভালদৰে চলোৱাৰ ক্ষেত্ৰত এই তিনিজনকে ঘুৰাই লৈ ফুৰাৰ ব্যৱস্থা কৰা নাই কিয় ?

ডঃ লুটফুৰ ৰহমান —আপাৰ আচাম আৰু লৱাৰ আচামৰ ভিতৰত এইটো কৰিব পাৰি কিন্তু হিলচত যিজন আছে সেইজন স্পেচিয়েল কেদাৰৰ গতিকে তেওঁক বদলি কৰাত অসুবিধা আছে।

শ্ৰীনগেন বৰুৱা—কেদাৰ এনকেদাৰৰ কোনো কথা নাই নেষ্ট স্বাৰ্থ আৰু দলিয় স্বাৰ্থতৰ খাতিৰতে এই বিষয়া সকলক একেঠাইতে সৰহ দিন ৰখা হৈছে নেকি ?

ডঃ লুটফুৰ ৰহমান—নেষ্ট স্বাৰ্থ দুৰ্নীতিৰ কথা নাই। তেওঁলোকক বদলি কৰিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা:—এই উজনি অসমৰ জনে মাহেকে পষেকে যে যাগ যজ্ঞ পাতি থাকে সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

ডঃ লুটফুৰ ৰহমান :—স্যাৰ মই সেই কথা নাজানো।

শ্ৰীনগেন বৰুৱা—মই মুখ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে ১৯৭৪ চনত মাৰ্চ মাহত এই কৰ্মচাৰী কেইজনৰ দুৰ্নীতিৰ সম্পৰ্কত মই অভিযোগ কৰিছিলো আৰু তেখেতে সেইটো অনুসন্ধান কৰিব বুলি আশ্বাস দিছিল। মই জানিব বিচাৰিছো যে অনুসন্ধান কৰি কি পালে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সেইটো চাব লাগিব।

Re :— Governing Bodies of colleges

Shri MAL CHANDRA PEGU asked :

*358. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the Governing Bodies of the

colleges refuse vesting of financial powers to the Secretaries of the Governing Bodies of the colleges under the provision of the Aided college Management Rules with especial reference to the Governing Body of the Majuli college ?

(b) Whether it is a fact that the functions and powers of the Secretaries and Presidents of the Governing Bodies of the Colleges and of the Government have not been specifically mentioned in the said Rules ?

(c) If not, whether suitable provisions defining the powers of the Secretaries, Presidents and the Government would be incorporated in the said Rules ?

Shri HARENDRA NATH TALUKDAR ( Minister, Education ) replied :

358. (a)— Governing Body in each of the Government Aided Colleges is to manage the affairs of the College. Government has no information, except in the case of Majuli College of G. B. refusing to vest the financial power to the Secretary who is not the Principal of the College.

(b)—Functions and Powers of President & Secretary are not specifically defined in the Rules but so far as Government is concerned it is specified.

(c)—Government will consider in due course if situation so demands.

Shri MAL CHANDRA PEGU— If the Government receive information to the effect that financial powers are not invested with the Secretary, what action Government propose to take ?

Shri HARENDRA NATH TALUKDAR ( Minister, Education )— Sir, Government has already sent instruction to hand over charge to the Secretary.

Shri Mal Chandra Pegu— Whether the charge has been handed over accordingly ?

Shri Harendra Nath Talukdar ( Minister, Education ) —That information has not yet been received.

Shri Dulal Chandra Barua— Is there any procedure by virtue of which a Minister can continue as the Chairman of the Governing Body of a College ?

Shri Harendra Nath Talukdar ( Minister, Education )— Yes.

Shri Dulal Chandra Barua— May I know, Sir, under what rule this is permissible.

Shri Harendra Nath Talukdar ( Minister, Education ) — If the Government nominates him, then he can.

Shri Dulal Cnandra Barua — I want to know whether that will not be in contravention of the rule ?

Shri Harendra Nath Talukdar (Minister, Education) — Sir, there is no rule to that effect.

Shri Dulal Chandra Barua— Is it not a convention that a Minister should not be the Chairman of the Governing Body ?

Shri Harendra Nath Talukdar (Minister, Education) — Sir, I have already replied to that question.

Shri Dulal Chandra Barua — Mr. Speaker, Sir, May I know

from you whether you have ever seen that a Minister continues as the Chairman of the Governing body of a College at any time ?

Mr. Speaker — Speaker is not to give reply. উত্তৰ দিব নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) — উত্তৰ দিলোঁৱেই ।

Shri **Mal** Chandra Pegu— Whether Government will stop the Universities from nominating members to the various Governing Bodies in view of the fact that the Universities are not managing the affairs of the Colleges ?

Shri Harendra Nath Talukdar (Minister, Education )—

Unless the Act is amended, it will not be possible.

Shri Mal Chandra Pegu— Whether Government propose to amend the Act ?

Shri Harendra Nath Talukdar ( Minister, Education )—Government is considering the matter.

শ্ৰীজগদিশ দাস :— চাৰ এনেধৰণৰ আন আন মিনিষ্টাৰো গভাৰ্নিং বডিৰ চেয়াৰমেন হৈ আছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মঃ) :— এইটো নতুন প্ৰশ্ন ।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :— এইটো কথা সচাঁনেকি মাননীয় সদস্য জগদীশ দাস ডাঙৰীয়াই কোৱাৰ দৰে কোনোবা মন্ত্ৰী আৰু তেওঁৰ পি, এচো কোনোবা কলেজৰ গভাৰ্নিং বডিৰ সদস্য ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মঃ) :— এইটো নতুন প্ৰশ্ন ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— ৰাজ্যিক ৰাজহ মন্ত্ৰী আৰু তেওঁৰ পি. এচো কোনোবা

কলেজৰ গভাৰ্নিং বডিৰ সদস্য নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মঃ) :— নতুন প্ৰশ্ন দিলে কব পাৰিম।

Shri Ataur Rahman — Sir, as the Governing Bodies are under the control of the D. P. I., is it not incongruous that a Minister of the State should be the, Chairman the Governing Body of a College ?

Shri Harendra Nath Talukdar (Minister, Education)— Yes, the D.P.I. is the controlling authority. But I have already stated that there is no bar to a Minister becoming the Chairman of the Governing Body.

Shri Dulal Chandra Barua— In the Order of Precedence a Minister is above the D.P.I. Now, when a Minister acts as the Chairman of a particular Governing Body, will he then act under the D.P.I. ?

Shri Harendra Nath Talukdar (Minister, Education)— D.P.I. will work under the Education Minister.

Shri Badan Chandra Talukdar — Whether Government, in order to uphold the dignity and honour of the high office, consider the advisability of discontinuing the practice of a Minister of State becoming the Chairman of the Governing Body of a College ?

Shri Harendra Nath Talukdar (Minister, Education) — If the Govt. feel that by nominating a Minister as the Chairman of a Governing Body, certain problem can be better solved, then there should be no objection to Minister becoming the Chairman of the Governing Body.

শ্ৰীনগেন বৰুৱা :— এই প্ৰশ্নৰ উত্তৰত কৈছে যে কিবা এটা পৰিস্থিতি উদ্‌ভৱ হলে সেই পৰিস্থিতি মোকামিলা কৰিবৰ কাৰণে কোনোবা কলেজৰ গভানিং বডিৰ সভাপতিৰ পদত থকাতো অপৰিহাৰ্য্য বুলি বিবেচনা কৰি কিন্তু যি সমস্যা সমাধান কৰিবৰ কাৰণে মন্ত্ৰী জন সভাপতি হল সেই সমস্যা সমাধান কৰিব নোৱাৰিলে তেওঁৰ কি দশা হব সেইটো অনুভৱ কৰেনে ?

Shrimati Renuka Devi Barkataki .— Sir, we cannot expect a better explanation from the Minister for a Minister becoming the Chairman of the Governing Body than what has been stated by him in the House. Any way, the Managing Committee of a school is the forum of educationists. Is it not against the decorum to have a Minister as well as the Private Secretary both in the Managing Committee ?

Shri Harndra Nath Talukdar (Mininster Education) :— The Governing Body is to look after the Managment side of the College.

Shrimati Renuka Devi Barkataki :— The Private Secretary including Minister is not responsible to D. P. I. Is it not the responsibility of the D.P.I. to see that the Governing Body discharges it responsibility and its functions under the Supervision and control of the D.P.I ?

Shri Harendra Nath Talukdar :— Every thing will be done according to the rule.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—

বহুতো কলেজত মন্ত্ৰীকেই সভাপতি হিচাবে ৰখা হৈছে আৰু তেনে অৱস্থাত ৰাজনৈতিক মনোভাব সৃষ্টি কৰি নানা ধৰণৰ সমস্যাৰ উদ্ভৱ কৰে আৰু সেইবিলাক সমাধান কৰিবৰ কাৰণে শিক্ষা বিভাগৰ মন্ত্ৰী গভাৰ্নিং বডিৰ সভাপতি হব পাৰেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুদাৰ (মঃ) :— শিক্ষা মন্ত্ৰী হব নোৱাৰে ।

## Re : RECURRING GRANTS

Shrimati RENUKA DEVI BARKATAKI asked :

*359. Will the Minister, Education be pleased to state—

(a) What are the principles followed to sanction recurring grants to High and M. E. Schools in the State ?

(b) Whether all the high Schools and M. E. Schools in the Gauhati Sub-Division have been sanctioned grant during the period when the principles laid down for sanctioning recurring grant were in force ?

(c) If not, why ?

Shri HARENDRA NATH TALUKDAR (Minister, Education) replied :

359. (a)—The recurring grant is given to a school depending on the status of the school and fulfilment of norms. The status varies in this way—whether the School is affiliated by Secondary Education Board (SEBA) as a fulfledged school or only permission is given to open Class IX & X or permission is given only to open Class IX by SEBA

or department gives recognition upto Class VIII.

As regards norms, enrolment and average pass percentages is also taken into consideration.

For M.E. Schools only departmentally recognised Schools are eligible to get recurring grant. Amount of grant depends on enrolent.

Ad-hoc non recurring maintenance grants are extended to the new recognised Schools Subject to avai bility of fund.

(b) Eligible schools have been given grants.

(c) Does not arise.

Smti Renuka Devi Barkataki : Sir, the Minister has stated that funds are given to the Schools subject to the availability of fund. But, may I know how the schools are selected for grants when there is dearth of fund ?

Shri Harendra Nath Talukdar, (Minister,) Sir, selection does not mean to give the grant. If needed the public will start the school and the Secondary Education Board will give permission.

Smti Renuka Devi Barkataki : Sir, I know many of the Schools have fulfilled the norms and many of them have not yet received any grants. My question is how the schools are selected ?

Shri Harendra Nath Talukdar, Minister : Sir, I have stated here that newly recognised schools will be given ad-hoc recurring grants.

Smti Renuka Devi Barkataki : Sir, may I know whether it is a fact that some of the schools were recognised some four or five years back, but they have not received any grants ?

Shri Harendra Nath Talukdar, Minister : Sir, if the hon'ble member can give me the name of a particular school, I will look into it.

Shri Kabir Chandra Ray Pradhani : Sir, some of the schools in my Constituency have already drawn grants but side by side there is another Girls' M.E. school ( recognised ) which has not been given Govt. grant. Will the Govt. reconsider it ?

Shri Harendra Nath Talukdar, Minister : Sir, Govt. is not aware of the fact. If the Hon'ble member gives the particular, Govt. will surely take action.

শ্ৰীজগদীশ দাস :— মহোদয়, এনৰলমেণ্টৰ ওপৰত ভিত্তি কৰিহে গ্ৰাণ্ট দিয়া হয় বুলি মন্ত্ৰী মহোদয়ে কৈছে। গতিকে সেই পদ্ধতি সলনি কৰি কিমান শিক্ষক আছে সেইটোৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰাণ্ট দিব নোৱাৰিনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— (মন্ত্ৰী) মহোদয়, অৱশ্যে যদি ১০ জন লৰা থাকে তাৰ কাৰণে ১০ জন শিক্ষক দিয়া সম্ভৱ নহয়।

শ্ৰীবদন তালুকদাৰ :— মহোদয়, যিবিলাক স্কুলৰ শ্ৰেণী কেইটা সম্পূৰ্ণ হৈ থাকে সেই স্কুল বিলাকে এই গ্ৰাণ্ট পাবনে নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— (মন্ত্ৰী) নাম্বাৰ অৱ এনৰলমেণ্টৰ ওপৰত নিৰ্ভৰ কৰিহে গ্ৰাণ্ট দিয়া হয়।

Shri Dulal Chandra Barua : Sir, I want to know from the Minister in-charge, Education, whether these grants are advanced to different schools on the basis of recommendation made by the D.I. or Inspector of schools ? If so, what is the use of asking for list of schools from the M.L.A. s ?

Shri Harendra Nath Talukdar, Minister : Sir, Govt. does not require any list to be sumitted by the M.L.A's. If the School fulfils the required conditions, it is entitled to get grants.

Shri Dulal Chandra Barua : Sir, I want to know who is to report that such and such schools fulfil the required condition prescribed by the Education Department, whether the D.I. or the Inspector of Schools or the Minister himself ?

Shri Harendra Nath Talukdar, Minister : Sir, as regards recurring grants, when the school is recognised that will be recommended by the Inspector and will be entitled to get the recurring grants subject to the availability of fund and in the case of new schoolls ad-hoc recurring grants will be given.

Shri Dulal Chandra Barua : My question is who is to give information to the Govt. about giving grants, whether it is the D.I. or Inspctor of Scholls ?

Shri Harendra Nath Talukdar, Minister : Sir, I have already said that when the school is recognised, it is entitled to receive recurring grants and what sort of grants that school is to get that will depend upon the report of the Inspector of Schools or D.I. In the case of new school, when it is recognised it will get ad-hoc non-recurring grant.

শ্ৰীনগেন বৰুৱা :— মহোদয়, যোৱা দেৰ-ডুই বছৰে পুৰণা স্কুল বিলাকে সকলো চৰ্ত পুৰণ কৰি দয়া স্বত্বেও বৰ্দ অৱ চেকেণ্ডাৰী, এডুকেচনৰ ফালৰ পৰা কোনো স্বকৃতি দিয়া হোৱা নাই। এই স্কুল বিলাক পৰিদৰ্শন কৰা পৰিদৰ্শকৰ ৰিপোৰ্টৰ ওপৰত বাধা আৰোপ কৰা হৈছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— (মন্ত্ৰী), এবাৰ ৰিকগনাইজ কৰাৰ পাছত বাধাৰ কথা নুথে।

Shri Kabir Chandra Rai Pradhani :— Sir, by this time number of schools has increased. But there are certain economically very backward places, where L.P. and High Schools are there. I want to know whether the Govt. will have any special consideration for recognition of affitation and whether Govt. will give grants to them ?

Shri Harendra Nath Talukdar, (Minister) : Yes, Sir, Govt. will consider it.

Starred Question no. 360 was not put, the member being absent.

## Re : PURCHASE OF PADDY

Shri KSHIRODE SAIKIA asked :

*361. Will the Minister, Supply be pleased to state—

(a) Whether it is a fact that of late Deputy Commissioner of Dibrugarh has purchased paddy at the cost of Rupees one hundred and sixty five per quintal ?

(b) If so, whether the Government is aware that the above puichase has led the prices of rice soaring up in that area ?

Shri Sarat Chandra Sinha replied :

361. (a) —No, it is not a fact.

(b) —Does not arise.

Shri Kshirode Saikia :—Sir, may I know from the Chief Minister whther the Govt. has supplied the required amount of rice in the Dibrugarh District ? If not, whether

the Govt's. supply position in the district has doteriorated to a great extent ?

Shri Sarat Chandra Sinha, Chief Minister : Sir, the Govt. is maintaining the supply position. But during this period the Supply has been scanty.

Shri Dulal Chandra Barua : Sir, may I know at what price the Deputy Commissioner has purchased paddy ?

Shri Sarat Ch. Sinha, C. M. : The Deputy Commissioner has not purchased paddy. This is from the normal quota.

Shri Dulal Chandra Barua : From what source the Dibrugarh people are generally fed ?

Shri Sarat Ch. Sinha, C. M. : From the normal quota Sir.

Shrimati Renuka Devi Barkataki : May I know whether it is a fact that the Deputy Commissioner has authorised the Cooperative Societies to purchase at a cost more than the price fixed by the Govt. of Assam ?

Shri Sarat Ch. Sinha, C.M. : Sir, that will be looked into.

Srimati Renuka Devi Barkataki : But they are giving rice at a price higher than the fixed rate by the Govt. ?

Shri Sarat Ch. Sinha, C. M. : Sir, the Cooperative Societies are expected to supply at a fixed price as fixed by the Govt.

Smti Renuka Devi Barkataki : Sir, actually when the rice position was very bad, the Deputy Commissioner

authorised the Cooderstive Societies to purchase at a cost higher than the fixed rate of the Govt. Whether he is allowed do so, may I know from the Chief Minister. ?

Shri Sarat Ch. Sinha, C. M.: Sir, I have already replied.

Shri Dulal Chandra Barua : Sir, may I know whether it is a fact that at the time of scarcity, the Deputy Commissioner authorised the Cooperative Societies to purchase paddy from the Lakhimpur District at a higher price or wherher the Deputy Commissioner is autherised by the Govt. to act in that way ?

Shri Sarat Chandra Sinha, C. M.: Sir, that will have to be looked into.

শ্ৰীবদন তালুকদাৰ :— মহোদয়, যোৱা বছৰৰ খাদ্যৰ অনাটন হোৱা সময়ত ডিব্ৰুগড় আৰু আন আন ঠাইত দি, চি, এচ, দি, অবিলাকে চাবিও ফালে কো-অপাৰেটিভ ফাৰ্মৰ জৰিয়তে চৰকাৰৰ নিৰ্দ্ধাৰিত দামতকৈ বেচি দামত খাদ্য বস্তু সংগ্ৰহ কৰাটো চৰকাৰৰ নীতিৰ পৰিপন্থী নহয়নে ?

Shri Sarat Ch. Sinha, C. M.: Sir, strictly speaking this is against the policy of the Govt. But to meet the situation if certain local arrangements are made that will have to be looked into.

শ্ৰীবদন তালুকদাৰ :— মহোদয়, প্ৰাইভেট ট্ৰেদাৰ বিলাকে এই অনুমোদনৰ সুবিধা লৈ লাখ লাখ টকা উপাৰ্জ্জন কৰা কথা সচানে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ :— ( মুখ্য মন্ত্ৰী, ) Sir, I donot think so

Re: Plantation Labour Act

Shri MANABENDRA NATH SARMA asked:

*362. Will the Minister, Labour be pleased to state—

(a) Whether the Government is aware of the fact that the provisions of the Plantation Labour Act, have not been implemented in some Tea Estates in the Kamrup District specially in Borduar Tea Estate ?

(b) If so, what steps have taken by the Government in this regard ?

(c) How many cases of violation of Plantation Labour Act, have so far been instituted in the district of Kamrup ?

Shri Sarat Chandra Sinha (Chief Minister,) replied :

362. (a) Some of the The Estates have not fully implemented all the provisions of the Plantation Lobour Act.

(b) —Vigilance has been stepped up and the Borduar Tea Estate has been asked to implement the provisions that yet remain to be implemented in that garden ?

(c) —Only one garden of Kamrup District was prosecu- in 1966,

Shri Manabendra Nath Sarma :— Sir, may I know from the Chief Minister' as he has stated, that particularly in Borduar Tea Estate some provisions were not complied with ? But what were the provisons of the Plantation

Labour Act ? Whether wages, week end leave etc in these provisions were implemented particulary in Borduar Tea Estate ?

Shri Sarat Ch. Sinha, Chief Minister :— Sir, in 1966 the Borduar Tea Estate was prosecuted for non-implementation of the provisions of the Plantation Labour Act. by an order. Sir, in that order only violation was that the Tea Estate did not construct the houses. So the tea estate was constructing houses. Later on there was an agreement beteen the Labour commissioner and tea garden authorities and the case was withdrawn. Later, the Chief Inspector of Plantation accompanied by the Inspector of Plantation visited the garden and found that there were many violation and the Tea Estate was asked to mend them.

Shri Manabendra Nath Sarma :— Sir, the Minister has stated that in 1966, the garden was violating the Plantation Labour Act. May I know from 1966 onwards how many quarters they have constructed in the garden for the labourers ?

Shri Sarat Ch. Sinha, Chief Minister :— Sir, it is not only the construction of the quarters for the labourers but there is a long a list of violations. I will take time to give the details but everything has been taken into consideration and the Inspector of Plantation Labour had asked the Tea Estate to implement them.

Shi Manabendra Nath Sarma :— Sir, the Minister has replied that the Inspector of Plantation Labour had asked

them to implement these provisions of the Plantation Labour Act. May I know from the Minister when the instruction was given and how much time was given to implement this?

Shri Sarat Ch. Sinha, Chief Minister :— Sir, this instruction was given on 27 th of November, 1974 and a date was given by which this will have to be done.

Shri Manabendra Nath Sarma :— Sir, the Chief Minister has stated that in *1966*, there was a case against the garden authority and in the month of November, 1974, the Labour Commissioner has instructed to implement the provisions of the Plantation Labour Act. Why so much of time is required for the authority to give instruction to the garden authority from *1966* to 1974 ? May I know the reason ?

Shri Sarat Ch. Sinha, Chief Minister :— Sir, this instruction was issued only after the recent visit of the Chief Inspector of Labour nnd Inspector of Plantation Labour. They visited in November, 1974 and found these violations and issued order on 27 November, 1974.

Shri Giasuddin Ahmed :— Sir, in the Plantation Labour Act, there is provision for prosecution of the management for violation of certain provisions of the Act. Will the Govt. consider the proposal for amending the Labour Act to the effect that for violation of any of the provisions of the Act, the garden itself shall be forfeited ?

Shri Sarat Ch. Sinha, Chief Minister :— Sir, the Govt. is not considering that aspect of the matter at present.

Shri Dulal Ch. Barua :— What steps Govt. has taken ?

Shri Sarat Ch. Sinha, Chief Minister :— We have issued instruction to mend this and to implement these measures. If the measures suggested are implemented no action will be taken and if the garden authority fail to implement the measures, surely action will be taken.

Shri Dulal Ch. Barua :— Whether any time limit has been given to this effect ?

Shri Sarat Ch. Sinha, Chief Minister :—I think limit has been given because without time limit, the order would have no meaning at all.

Shri Giasuddin Ahmed :—Sir, in reply to my question the Hon'ble Chief Minister has stated that the Govt. is not considering the question at the moment. May I know whether this will be considered in due course of the garden fail to imlement the Plantation Labour Act ?

Shri Sarat Ch. Sinha, Chief Minister :—Sir, it is difficult to say now.

শ্ৰীজগদীশ দাস :—মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা বুজা গৈছে যে প্লেণ্টেচন লেবাৰ এক্টখন সম্পূৰ্ণ ৰূপে ইমপ্লিমেণ্ট কৰা হোৱা নাই। সেই কাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। যে এই আইনখন সোনকালে আৰু ঠিকমতে ইমপ্লিমেণ্ট কৰাৰ যথোপযুক্ত ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :—চাৰ, আমাৰ যিবিলাক ব্যৱস্থা বৰ্ত্তমান আছে সেই বিলাকৰ দ্বাৰাই সম্পূৰ্ণ ৰূপে ইমপ্লিমেণ্ট কৰা হব বুলি আমি ভাবিছোঁ।

Smti. Renuka Devi Barkataki :—Sir, this Govt. Speaks so much for the working classes and the labour and the down trodden people. But many of the tea gardens have violated the Plantation Labour Act and here is a specific case of Borduar Tea Estate and the Govt. could not bring them to book. One case was instituted against the said garden, I mean Borduar Tea Estate, in 1966 and the Labour Commissioner gave a judegment that they will have to implement the provision of the Labour Act in 1974. Why the Labour Commissioner has taken so much of time to ask the garden to implement the Act.

Shri Sarat Ch. Sinha, Chief Minister :—Sir, so far as violation of provisions of the Act is concerned, it is true and there is only one case of this nature in the district of Kamrup. The Labour Commissioner took various aspect of the question into consideration and after that the order has been passed.

Mr. Speaker :—Now question No. 363 ?

Re : Raids of M. N. F.

Shri DIGENDRA CHANDRA PURKAYASTHA asked :

*363. Will the Chief Minister be pleased to state—

(a) Whether Government is aware of the fact that the villages in the Cachar District adjoining the Mizo bor-

der are under frequent raids by the M. N. F. ?

(b) Whether it is also a fact that cows and buffaloes are forcibly taken away by these miscreants under intimidation ?

(c) If so, what steps have been taken so far for the security of life and property of the helpless villagers residing in the Cachar Mizoram borders as will as for protecting the boundaries of the State of Assam ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

363. (a)—Reports have been received of a few dacoities committed in 1974 in villages of Cachar District adjoining Mizoram, by alleged M. N. F. hostiles.

(b)—No report of this nature has been received.

(c)—Security measues have been tightened up in the area.

Shri Digendra Ch. Purkayastha :—Mr. Speaker, Sir, in reply to question No. 363 (b), the Chief Minister has replied in the negative. I do not know on what basis he has replied. I know about a particular case of a buffalo belonging to one Nibaran Chandra Das under Sonai Police Station in the district of Cachar was taken away by the Mizos in the middle of 1974 and a complaint was lodged to the D.C. Cachar on 24.7.74 that means it was duly reported to the D.C. May I know from the Chief Minister what steps were taken to prevent this ?

Shri Sarat Ch. Sinha, Chief Minister :—The question is

whether a buffalo has been taken forcibly by the Mizos and the answer is 'no'. So far as particular case referred to by the hon'ble member is concerned, it is a theft case and the case has been registered with the Police Station.

Shri Santosh Kumar Roy :—Whether the Govt. will consider settling land to the people in the border areas for safeguarding the borders ?

Shri Sarat Ch. Sinha, Chief Minister :—Sir, I am not sure but for the Reserve Forest, Forest Department has taken adequete steps to protect the forests and the boundary.

—বিঃ মোটন তালো—

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে :

*৩৬৪ । মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাটৰ M/S Abha Soap Factory ৰ গৰাকীৰ পৰা এই বিভাগৰ চুপাৰিণ্টেণ্ডেণ্টৰ ওচৰত ২৮ চেপ্তেম্বৰ, ১৯৭৪ চন তাৰিখে তেওঁ ফেক্টৰীৰ বাবে এ, এচ, আই ডি, চি, ৰ তৰফৰ পৰা এলট্ কৰা 'মাতান তালো' নামৰ সামগ্ৰী বিধ শতকৰা ৫০ ভাগ পানী মিশ্ৰিত বুলি অভিযোগ কৰা সত্য নে ?

(খ) যদি সত্য তেন্তে এই অভিযোগৰ পাচত বিভাগীয় বিষয়া সকলে তদন্ত কৰা সচানে আৰু যদি সচা এই তদন্তৰ পিচত কাৰ ওপৰত অভিযোগ সাব্যস্ত হল ?

শ্ৰীছত্ৰসিং টেৰণ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৬৪ । (ক)—আভা চপ ফেক্টৰী গোলাঘাটক ২০।৯।৭৪ তাৰিখে যোগান ধৰা 'মোতন তালো' পানীমিশ্ৰিত অভিযোগটো সত্য । কিন্তু মিশ্ৰিত পানীৰ

পৰিমাণ শতকৰা ১০.১ ভাগহে আছিল শতকৰা ৫০ ভাগ নাছিল।

(খ)—বিভাগীয় বিষয়াই এই অভিযোগ তদন্ত কৰা সচা। কাৰ ওপৰত এই অভিযোগ সাব্যস্ত হব তাৰ বিষয়ে বিভাগীয় কৰ্ত্তৃপক্ষই তদন্ত কৰি আছে।

শ্ৰীনগেন বৰুৱা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বিধ সামগ্ৰী কত উৎপাদন হয় আৰু উৎপাদন থলীৰ পৰা ইয়াক বিভাগে নিজে সৰবৰাহ কৰে নে কোনোবা ঠিকাদাৰৰ বা ব্যৱসায়ীক ইয়াক সৰবৰাহ কৰিবলৈ দিয়া হয়?

শ্ৰীছত্ৰসিং টেৰণ, মন্ত্ৰী :— মই জনামতে এইটো বিদেশৰ পৰা আমদানি কৰা হয় আৰু উৎপাদন স্থল অষ্ট্ৰেলিয়া আৰু ইয়াক আমদানি কৰি আনে বিদেশৰ পৰা ভাৰতীয় বাণিজ্যিক নিগমে। তেওঁলোকৰ পৰা আমাৰ ক্ষুদ্ৰ উদ্যোগ নিগমে আনে।

শ্ৰীগিয়াচুদ্দিন আহম্মদ : মন্ত্ৰী মহোদয়ে কৈছে যে শতকৰা ৫০ ভাগ পানী মিশ্ৰিত নহয়, শতকৰা ২০ ভাগহে। এই শতকৰা ২০ ভাগ হোৱাৰ কাৰণে হালাল হৈছে নে নাই? হালাল মানে পানীচেবুল।

শ্ৰীছত্ৰসিং টেৰণ মন্ত্ৰী : এই হালাল সেই পৰ্য্যায়ত নপৰিব।

শ্ৰীনগেন বৰুৱা :— এই অভিযোগটো কোন পৰ্য্যায়ত তদন্ত কৰা হৈছে আৰু ই কোনো অৱস্থাত আছে?

শ্ৰীছত্ৰসিং টেৰণ মন্ত্ৰী : এতিয়া কথা হৈছে বিদেশৰ পৰা আমদানি কৰা খিনি বস্তু খিনি এ,এচ,আই,ডি,চি য়ে পাইছে ষ্টেটট্ৰেডিং কৰপৰেচনৰ পৰা। মাজত কেৰিয়াৰ কণ্ট্ৰেক্টৰ আছে। এতিয়া এ,এচ,আই,ডি, চি গোদামত হৈছে নে কেৰিয়াৰ পৰ্য্যায়ত হৈছে নে ইয়াৰ পৰ্য্যায়ত হৈছে এই গোটেই কথাখিনি তদন্তাধীন হৈ আছে আৰু তদন্ত শেষ হলে বুজিব পৰা যাব কোন পৰ্য্যায়ত এই পানী মিশ্ৰিত হৈছে।

Smti Renuka Devi Barkataki— Sir, the Minister says it has

been imported from Australia and distributed through the State Trading Corporation; whether the other States who have received the quota from State Trading from the same consignment had that 20·/. mixture of wather?

Shri C.S. Teron, Minister— We have no detailed information about that but what we have learnt is that from that consignment no such complaint has been received from other States.

Shri Dulal Chandra Barua — May I know when the order was issued to make such kind of enquiries?

Shri C. S. Teron, Minister— Sir, the A.S.I D.C. made the enquiries and the help of the police is being sought and so far as the enquiries at the other end is concerned we are requesting the organisation of the S.T.C. to make enquiries.

Smti. Renuka Devi Barkataki — Many of the Industrialists said that the whole consignment contains water; the Minister says 20·/. but the industrialists say more than 50/. and there is rumour that the A.S.I D.C. were involved in this racket. Then why the Minister found it covenient to put an officer of the same department to enquire about the mattr against whom the people are alleging that they were also involved?

Shri C.S. Teron, Minister— As I have said the help of the police is being taken.

Smti. Renuka Devi Barkataki — At what point you have

received police help and what is the result ?

Shri C.S. Teron, Minister — Uptill now final report has not been received ; only they are saying that probably the transport organisation who has carried it from Calcutta, they may be responsible.

Smti. Renuka Devi Barkataki — Govt. has given concession to this industry and they have to pay the full price to the State Trading and they have to give 20% subsidy to the indusry. If that is so, the money is paid because of the fault of somebody, whether carrier or the S.T.C. or the Chowkidar of the A. S. I. D. C. does not matter, but the Govt. has already spent public money. May I know from the Minister on what basis the Govt. is to subsidise this amount and at the same time enquire this through their own department instead of giving it to some other agency like the C.B.I. or our vigilance Cell to have an independent enquiry ?

Shri C. S. Teron, Minister — Sir, generally in respect of sale of mutton tallow we do not give any subsidy but in this particular case because there was a shortage, in order to compensate the loss of those who have taken, this additional 20%. of the mutton tallow has been given and so far as other aspect of the enquiry is concerned the enquiry is going on.

Shri Dulal Chandra Barua— The people who are agents and are who are suspected to have done this are still continuing to be the supplier of this particular thing to the

A S.I.D.C. or Govt. If so, how and in what way the enquiry will be smooth and effective if these people are to continue their supply and whether Govt. consider that an independent agency should go into the entire question and submit report ?

Shri C.S. Teron, Minister — So far as the carrier contractor is concered, the carrier contractor has been eliminated and his security deposit and certain transport bill has also been stopped and so far as the officer who was subsequently deputed to look into the matter and particularly at the time of depatch from Calcutta in a subsequent consignment, he has also been put under suspension and A S.I.D.C. is dealing with the case

শ্ৰীনগেন বৰুৱা : এই গোটেই কথাটোৰ সম্পৰ্কত এটা স্বতন্ত্ৰ বিভাগীয় তদন্তৰ বাহিৰেও অন্য এটা উচ্চ ক্ষমতা সম্পন্ন তদন্ত নিয়োগ কৰিবৰ কাৰণে দাবী কৰিছো, সেইটোত ৰাজি হৈছে নে নাই ? দ্বিতীয়তে এই পানী মিশ্ৰিত হোৱাৰ কাৰণে ফেক্টৰী বিলাকৰ যিমান লোকচান হল তাৰ বাবে চৰকাৰে কিমান টকা ভৰিব লগা হৈছে জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ, মন্ত্ৰী : ফেক্টৰী বিলাকৰ লোকচান হোৱা নাই । লোকচান হৈছে এ,এচ,আই,ডি,চিৰ আৰু সেইটোৰ পৰিমাণ হল একলাখ তিনি হাজাৰ টকা । সম্প্ৰতি দিয়া ৰিপোৰ্ট মতে কেৰিয়াৰ কণ্ট্ৰেক্টৰ দোষী কৰা হৈছে আৰু টকা খিনি জব্দ কৰি ৰাখি থোৱা হৈছে । তদন্তৰ ক্ষেত্ৰত পুলিচ বিভাগীয় তদন্ত বেচি ফলদায়ক হব বুলি ধাৰণা কিয়নো কোন পৰ্য্যায়ত এইটোৰ লগত পানী মিশ্ৰিত হৈছে সেই কথা উলিয়াবৰ কাৰণে চেষ্টা কৰিছো আৰু তেনেকুৱা কৰ্তৃপক্ষক ইয়াৰ তদন্তৰ দায়িত্ব দিয়াটো উচিত হব বুলি ভাবো ।

—বিঃ চৰক সংহিতা—

শ্ৰীমানবেন্দ্ৰ নাথ শৰ্ম্মাই সুধিছে :

*৩৬৫ । মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আয়ূৰ্ব্বেদ কলেজ কৰ্ত্তৃপক্ষৰ তৰফৰ পৰা শ্ৰীজনান্দ গোস্বামীৰ অসমীয়া

অনুবাদ আয়ুৰ্ব্বেদ শাস্ত্ৰ "চৰক সংহিতা" প্ৰকাশ কৰাৰ কাৰণে চৰকাৰক অনুৰোধ কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ হয়, ইয়াৰ প্ৰকাশনৰ বাবে চৰকাৰে বিবেচনা কৰিছেনে, আৰু যদি কৰিছে তাৰ বাবে কি ব্যৱস্থা লৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৬৫ । (ক)—সচাঁ নহয় ।

(খ)—প্ৰশ্ন নুঠে ।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :— অধ্যক্ষ মহোদয় আয়ুৰ্ব্বেদিক চিকিৎসাৰ কাৰণে চৰক সংহিতা খন মূল্যবান গ্ৰন্থ যিখন শ্ৰীজ্ঞানানন্দ গোস্বামী ডাঙৰীয়াই অসমীয়ালৈ অনুবাদ কৰিলে । কিতাপখন চৰকাৰ বা প্ৰকাশন পৰিষদে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ— অধ্যক্ষ মহোদয় এই কিতাপখন প্ৰকাশৰ কাৰণে গ্ৰন্থকাৰে অসম প্ৰকাশন পৰিশদলৈ দৰখাস্ত কৰিছিল । কিন্তু দেখা গল কিতাপ খন বৰ ডাঙৰ আৰু প্ৰকাশ কৰোতে প্ৰায় ৩,৫০০ টকা লাগিব । সাধাৰণতে সাহিত্যিক দৃষ্টিভঙ্গিৰ পৰা লিখিলেহে আৰ্থিক সাহায্য দিয়া হয় । সেইকাৰণে তেখেতক সকৈ আৰু সাহিত্যিক দৃষ্টিভঙ্গিৰ পৰা লিখিবলৈ কোৱা হৈছে যাতে প্ৰকাশ কৰিব পাৰি ।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :— চিকিৎসা শাস্ত্ৰ সাহিত্য কেনেকৈ হয় ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ :— প্ৰকাশন পৰিশদৰ যিটো নিয়ম সেইটোহে কৈছো ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— কবিতাত লিখিলেহে প্ৰকাশ কৰিব নেকি ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ ঃ— মই নিয়মৰ কথাহে কৈছো

শ্ৰীমানবেন্দ্ৰ শৰ্মা ঃ— এই শাস্ত্ৰ খন প্ৰকাশন পৰিশদে প্ৰকাশ কৰিব নোৱাৰে যেতিয়া চৰকাৰৰ তৰফৰ পৰাই প্ৰকাশ কৰাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ :— চৰকাৰে লৰলৈ বিবেচনা কৰা হব ।

শ্ৰীবদনচন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয় এই চৰক সংহিতা আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰ খন এখন অমূল্য সাহিত্য গ্ৰন্থ। কিন্তু কেনেকৈ সাহিত্য সম্ভাৰ পৰা বাদ পৰিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ :— অসম প্ৰকাশন পৰিশদৰ সাহিত্যিক সকলৰ মতামত যিটো তাকেই কৈছো।

## Re : SHIFTING OF OFFICE FROM SHILLONG TO GAUHATI

Shrimati RENUKA DEVI BARKATAKI asked :

*366. Will the Chief Minister be pleased to state—

(a) Whether all the Offices of the State Government have been shifted to Gauhati ?

(b) If not, the offices still functioning from Shillong ?

(c) The reason for such delay in shifting these offices ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

366 (a)—No.

(b)—(i) Planning and Development Department.

(A Cell of this Department has been working at Dispur)

(ii) Directorate of Evaluation.

(iii) Inspector General of Prisons.

(A cell of this office has been working at Gauhati).

(iv) Some Branches i. e., Finger Print Bureau. Reserve and Accounts, Index and Record and Foreign Section under the control of Deputy Inspector General of Police (C.I.D.)

and Deputy Inspector General of Police (S. B.) respectively are still functioning from Shillong.

(v) Assam Public Service Commission.

(vi) Record Branch of Assam Secretariat (Civil) and (P.W.D., R. & B.)

(c) —Present dearth of office and residential accommodation at Gauhati and in dispur is the main reason which has caused delay in the shifting of the office from Shillong.

Shrimati Renuka Devi Barkataki :— Sir, the Chief Minister has replied that Planning and Development Deptt. has opened a cell at Dispur and the Office of Director of Evaluation as well as certain other offices are still functioning from Shillong. May I know from the Hon'ble Chief Minister wherefrom the Commissioner of Hills is functioning ?

Shri S.C. Sinha (Chief Minister) :— Sir, from Dispur.

Shrimati Renuka Devi Barkataki :— Sir, whether the Commissioner of Hills is staying at Dispur ?

Shri S.C. Sinha (Chief Minister) :— Sir, I think he is staying at Dispur. I shall have to look into it.

Shrimati Renuka Devi Barkataki :— Sir, for Chief Minister's information I would like to state that Commissioner's residence is hired by the Govt. of Assam at Shillong. May I ask the Hon'ble Chief Minister what are the total numbers of officers are now working in Shillong ?

Shri S. C. Sinha ( Chief Minister ) :— Sir, so far as the hired house is concerned, it is not correct. Then the total number of officers now working in Shillong is not with me at present.

Shri Dulal Chandra Barua :— Sir, what are the difficulties for which these offices cannot be shifted to Dispur when all other offices have already been shifted here. May I know whether Govt. is not bearing their travelling expenses at present for coming and going to Dispur ?

Shri S C. Sinha ( Chief Minister ) :— Sir, it is obvious. Sri, the difficulties have been explained here. Owing to the dearth of office and residential accommodation at Gauhati and in Dispur, there is delay in the shifting of the offices from Shillong. However, sir, we are trying to expedite the shifting and as a matter of fact contruction works of two building are now in progress and when the construction will be completed, some of these offices will be shifted here. So, arrangements are being made.

Shrimati Renuka Devi Barkataki :— Sir, the Chief Minister in reply to the supplementary of Mr. Barua has stated that it is obvious as regards T.A. & D.A. of those officers are concerned. In this connection May I know from the Chief Minister whether this system is still prevailing as he has stated once that so far as the Assam Govt. is concerned Dispur is treated as the Temporary capital of Assam for all the Offices located at Gauhati

and for the offices which are yet to be shifted it is at Shillong ?

Shri Sarat Ch. Sinha ( Chief Minister ) :— Sir, so far as the offices of the Govt. of Assam located at Gauhati, it is at Dispur. Obviously for those offices which are yet to be shifted, it is at Shillong.

Shri Dulal Chandra Barua :— Sir, sometimes we are required to go to Shillong in connection with those offices which are yet to be shifted and for this purpose who will bear the cost ?

Shri S.C. Sinha ( Chief Minister ) :— Sir, for the temporary period the Hon'ble members will have to undergo a little difficulty and suffering.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ— শ্বিলঙত থকা কাৰ্য্যালয় কেইটাৰবাবে ভাড়া দিব লাগেনে ? যদি লাগে তেনেহলে অসম চৰকাৰে বছৰি কিমান টকা ভাড়া দিব লাগে ?

শ্ৰীশৰৎচন্দ্ৰ সিংহ :— ভাড়া দিব নেলাগে ।

শ্ৰীচন্দ্ৰবাহাদুৰ থাপা :— শ্বিলঙত থকা অসম চৰকাৰৰ অফিচ কেইটা কিমান দিনৰ ভিতৰত আনিব পাৰিব বুলি চৰকাৰে ভাবে ?

শ্ৰীশৰৎচন্দ্ৰ সিংহ : — আমি কৈছো যিমান পাৰি সোনকালে আনিব লাগে । তাৰিখ ধৰি দিলে পলমহে কৰিব পাৰে ।

Starred Question not. 367 and 368 were not put, the members being absent.

Undisposed Starred Question at 15-3-75.

## Re : BODO LANGUAGE

Shri DULAL CHANDRA BARUA asked :

*369. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that Bodo Sahitya Sabha Repre-

sentatives have alleged Police excesses on the volunteers and workers of Bodo Sahitya Sabha during the last movement particularly the Mangaldoi and Kokrajhar sub-division ?

(b) Whether it is also a fact that Police resorted to lathi charge and firing upon the volunteers resulting in death of few and injuries to many ?

(c) If so, what were the number of person who died in Police firing and number of persons injured ?

Shri SARAT CHANDRA SINHA ( Chief Minister ) replied:

369. (a)—The President of the Bodo Sahitya Sabha in a letter dated Ist December 1974 made a complaint of this nature.

(b) & (c) —Police had to resort to lathi charge on a number of occasions as a result of which 48 persons sustained injuries.

Police had to open fire on 11 occasions as a result 10 persons lost their lives and 19 received bullet injuries. Two C.R.P. personnel were also killed in the incidents and 86 Police personnel received injuries.

Re : Bodo Language

Shrimati RENUKA DEVI BARKATKI asked :

*370. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the President, Bodo Sahaitya Sabha alleged that Police had let loose a reign of

terror in the Bodo areas to suppress the agitation of Roman Script ?

(b) If so, whether the Government contradicted the same ?

(c) Total number of deaths in connection with this agitation in police firing as well as in other situations ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

370. (a)—In a letter dated 1st December 1974 the President, Bodo Sahitya Sabha made a complaint of this nature.

(b)—A press note was issued on 10 th December 1974 clarifying actual position.

(c) —10 parsons were killed in course of the agitations as a result of firing by police and 2 C.R.P. constables were hacked to death by the agitators for Roman Script.

## Re : BODO LANGUAGE

Shrimati RENUKA DEVI BARKATAKI. asked :

*371. Will the Chief Minister be pleased to state—

(a) Whether Government is aware that there are disruptive forces behind the Bodo Agitation ?

(b) If so, whether the Government could identify the forces ?

(c) If so, whether the State Government has any knowledge of interference of International agencies in this agitation ?

Shri SARAT CHANDRA SINHA ( Chief Minister ) replied :

371. (a) & (b)—Reports have reached Government of some elements trying to take advantage of the agitation launched by the Bodo Sahitya Sabha for Roman script.

(c) —It would not be in the public interest to disclose any information thereon.

## UNSTARRED QUESTIONS AND ANSWERS

Date : 15th March, 1975

### Re : VETERINARY SUB-CENTRE AT ODULGURI

Shrimati PRANITA TALUKDAR asked :

8. Will the Minister, Veterinary be pleased to state—

(a) Whether there is a Veterinary Sub-Centre at Odulguri in Sorbhog Constituency under Barpeta Subdivision ?

(b) If so, whether it is a fact that there is no Doctor in the Sub-Centre ?

(c) Whether it is also a fact that there is no medicines since a long time ?

(d) If so, whether Government will take immediate steps to post a Doctor and supply medicines ?

Dr. LUTFUR RAHMAN ( Minister, Veterinary ) replied :

8. (a)—Yes.

(b) —There is no provision for a Doctor in Sub-Centre but there is one Veterinary Field Assistant in the Sub-Centre.

(e) —No.

(d) —Does not arise.

**The Question honr is over**

# ( Voting on Demands for Grants )

মিঃ স্পীকাৰ :—আপুনি ১০ মিনিট কব। কাৰণ চাৰে ১১ বজাত আলোচনা শেষ কৰিব খুজিছো।

ডঃ ৰবীন গোস্বামী :—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তণ প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো। আমাৰ পুলিচ বাহিনীটোৰ সংখ্যাৰ সাধন বা উন্নয়নৰ বিষয়ে কবলৈ হলে আমি কিছুমান তথ্যপাতিৰ জৰিয়তে আলোচনা কৰা উচিত। মই এই ক্ষেত্ৰত বেচৰকাৰী সূত্ৰৰ সহায় লৈ তথ্যপাতি ডাঙি ধৰিব বিচাৰিছো। বেচৰকাৰী তথ্য পাতি বিলাক ইমান নিৰ্ভৰযুগ্য নহয়। সেই কাৰণে ১৯৭৪ চনৰ ভাৰত চৰকাৰৰ ক্ৰিয়েনিয়েল ইনদিয়াত যি হিচাপ দিছে তাৰ পৰা মই তথ্য পাতি ডাঙি ধৰিব খুজিছো। এই পুস্তিকাখনত কোৱা হৈছে যে ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত আমাৰ দেশত যিমান বিলাক অপৰাধ হৈছে তাৰ ভিতৰত তিনি শতাংশ অসমতে হৈছে। অসমত এক লাখ জনসংখ্যাৰ ভিতৰত অপৰাধীৰ সংখ্যা হল ১৭৫.৬। ই সৰ্বভাৰতীয় হাৰতকৈ বেছি। সৰ্বভাৰতীয় হাৰ হল ১৭২.৩। ১৯৬৭ চনৰ পৰা ১৯৭১ চনলৈকে অসমত অপৰাধীৰ সংখ্যা ১৯.২ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ উপৰিও মানুহৰ ঘৰত সিন্ধি দি চুৰি কৰাৰ হাৰ ভাৰত বৰ্ষৰ ভিতৰতেই বেচি। আৰু ইয়াৰ পৰিমান হৈছে শতকৰা ১৫ ভাগ। অসমত ১০০০ বৰ্গমাইলত পুলিচ আছে ২২ জন আৰু ১০ হাজাৰৰ ভিতৰত পুলিচ আছে ১৮ জন! ১৯৭১ চনত পুলিছে দিয়া ৯৬৪৮ টা গোচৰ শেষ হৈছে। তাৰ ভিতৰত ২৯৫০ গোচৰতহে দণ্ড বিধান হৈছে। এই বিলাক পৰীক্ষা কৰিলে দেখা যায় যে ইয়াৰ যিটো ধাৰা বা ট্ৰেণ্ড দেখা গৈছে সেই ধাৰাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। জনসংখ্যাৰ অনুপাতে পুলিচৰ সংখ্যা বৃদ্ধি নোহোৱাৰ কাৰণে পহৰাৰ ব্যৱস্থা ভালে হোৱা নাই আৰু যান বাহন নথকাৰ কাৰণে অপৰাধীসকলক ধৰিব পৰা ব্যৱস্থা কৰিব পৰা নাই। অকল সেয়ে নহয় বিজ্ঞান সন্মত কাৰিকৰী ব্যৱস্থাৰ উন্নতিৰ লগতে অপৰাধী আৰু আইন ভংগকাৰী বেছি

হৈছে। তাৰ কাৰণে অসমৰ পুলিচ বাহিনী আধুনীক ধৰণেৰে সৰ্জ্জিত কৰিব লাগিব। এই খিনিতে মোৰ এটা পৰামৰ্শ হৈছে যে পুলিচৰ যিটো ইন-ভেচটিগেচন বিভাগ সেইটো শান্তি ৰখা বিভাগৰ পৰা পৃথক হব লাগে। বৃটেনটো শান্তি ৰক্ষা বিভাগৰ পৰা এইটো পৃথক। এই কাৰণেই স্কটলেণ্ড ইয়াৰ্দ গঠিত। ১৯৫৮ চনতে ল কমিচনে বা আইন আয়োগে শান্তি ৰখা বিভাগৰ পৰা পৃথক কৰিব লাগে বুলি কৈছিল। সমগ্ৰ উত্তৰ পুব অঞ্চলটো আজি চোৰাং বেপাৰীৰ ঘাটি হৈ পৰিছে। আন্তঃ ৰাজ্যিক ক্ষেত্ৰত চুৰাং ব্যৱসায় চলাবলৈ অসমত জাল পাতিছে। এই চুৰাং বেপাৰী বিলাকৰ এটা শক্তিশালী দল আছে যিটো আধুনীক ধৰণেৰে এই কাম বিলাক অতি কৌশলৰে সংগঠন কৰে। এই আধুনীক কৌশলক বাধা দিবলৈ আমাৰ পুলিচ বাহিনী আধুনিক ধৰণেৰে সৰ্জিত হোৱা নাই। গতিকে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লবলৈ মই চৰকাৰক অনুৰোধ জনাও। অসম এখন সীমন্ত ৰাজ্য আৰু এই ৰাজ্যত অবাঞ্চিত লোকসকলক নিৰিক্ষণ কৰাৰ যি ব্যৱস্থা সেইটো একেবাৰেই সন্তোসজনক নহয়। ইমান এটা বৃহত অঞ্চললৈ অবাঞ্চিত লোকসকল অহা যোৱা কৰাৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিবলৈ বৰ্ত্তমানৰ ব্যৱস্থাতকৈ পুলিচ বাহিনীক আৰু শক্তিশালী কৰাৰ প্ৰয়োজন।

অধ্যক্ষ মহোদয়, আপুনি জানে যে আধুনীক যুগত এটা নতুন মহামাৰী হৈছে। সেইটো হৈছে জনপথৰ দুৰ্ঘটনা। এই জনপথৰ দুৰ্ঘটনাৰ কাৰণ হল দ্ৰুত গতিত যান বাহন চলোৱা। আমি এইটো লক্ষ্য কৰিছো যে অপ্ৰাপ্ত বয়স্ক লোকে দ্ৰুত গতিত যান বাহন চলায়। এই ক্ষেত্ৰত দেখা গৈছে যে ৰাজ্যখনত পুলিচৰ নিয়ন্ত্ৰণ ব্যৱস্থা আছে কিন্তু প্ৰয়োজন অনুসৰি নাই। আৰু এজন পুলিচৰ কাৰণে নিয়ম ভংগকাৰী চালকৰ ওপৰত দৃষ্টি ৰখাটো সম্ভৱপৰা হৈ নুঠে। সেই কাৰণে এনে ধৰণৰ অপৰাধ বিলাক আয়ত্ব কৰিবলৈ মোবাইল পুলিচ বাহিনী গঠন কৰা ধাৰা দৰকাৰ। তাৰ কাৰণে প্ৰশিক্ষণ প্ৰাপ্ত পুলিচ চাৰ্জন ৰাখিব লাগে আৰু দ্ৰুত গতিত চলা গাড়ী বিলাকৰ গতি নিয়ন্ত্ৰৰ কাৰণে যন্ত্ৰ ৰাখিব লাগে। বৰ্ত্তমান পাৰ-স্থিতিত আমাৰ পুলিচ বাহিনীক প্ৰয়োজনীয় প্ৰশাসন, আধুনীক সা-সৰঞ্জাম আদি দি কাৰ্য্যক্ষম কৰাৰ আৱশ্যক হৈছে। ইয়াৰ কাৰণে জনসাধাৰণৰ

লগত পুলিচৰ সম্পৰ্ক উন্নত হব লাগিব। কিন্তু দুখৰ বিষয় পুলিচ আৰু জনসাধাৰণৰ সম্পৰ্ক আমাৰ ইয়াত মুঠেই বন্ধুত্বপূৰ্ণ নহয়। ১৯০২ চনৰ পৰা ১৯০৫ চনৰ ভিতৰত ভাৰত বৰ্ষত যিটো পুলিচ আয়োগ গঠন কৰা হৈছিল তাৰ এটা অভিযোগ প্ৰকাশ হৈছিল যে আমাৰ পুলিচ বিভাগটো দুৰ্নীতি পৰায়ন। এইটো বৃটিচ যুগৰে কথা। আৰু তেতিয়াৰ পৰা আজি ৭০ বছৰৰ ভিতৰতো এই বিভাগটোৰ কোনো পৰিবৰ্ত্তণ সাধিত হোৱা নাই। ১৯৫৮ চনত যিটো ল কমিচন হৈছিল সেই ৰিপৰ্টত পুলিচ অত্যাচাৰী আৰু জোৰ-জোলোম কৰাৰ কথা প্ৰকাশ পাইছে। ১৯৬৭ চনৰ উচ্চতম ন্যায়ালয়ৰ মহাজন আয়োগৰ ৰিপৰ্ট মতে জনসাধাৰণৰ লগত পুলিচৰ বন্ধুত্ব পূৰ্ণ সম্পৰ্ক নাই বুলি প্ৰকাশ পাইছে। অসমৰ পুলিচো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। অসমৰ মানুহৰ চকুত পুলিচ বিভাগটো ত্ৰুটীপূৰ্ণ। সেই কাৰণে পুলিচ বিভাগটো আধুনীকিকৰণ কৰি উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেৱল আইন শৃংখলা ৰক্ষা কৰিবৰ কাৰণে প্ৰশিক্ষণ দিলেই নহব। এখন স্বাধীন দেশত ৰাইজৰ ৰক্ষক আৰু সেৱক হিচাবেও প্ৰশিক্ষণ দিব লাগিব। আৰু ৰাইজ বিপদত পৰিলে ৰাইজক ৰক্ষণা-বেক্ষন দি সহায় কৰাৰ প্ৰশিক্ষণ দিব লাগিব। এই খিনিতে এটা কথা কওঁ যে আমাৰ পুলিচ বাহিনী শিক্ষিত আৰু শত ব্যৱহাৰ জনালোক হিচাবে গঢ়িবলৈ চেষ্টা কৰিব লাগে। আমাৰ জনসাধাৰণ আজি সচেটন হৈ উঠিছে। সেই কাৰণে পুলিচৰ ব্যৱহাৰ সৎ হব লাগে। যোৱা ছাত্ৰ ৰিক্ষোভত পুলিচৰ কেনে ব্যৱহাৰ হব লাগিছিল সেই সম্পৰ্কত মই মোৰ নিজা মতামত নিদি গজেন্দ্ৰ গডকাৰৰ এটা কথা মই ডাঙি ধৰিব খুজিছো।

Unfortunately our constabulary and even some of our Police officers are still not trained to the art of dealing tactfully and employing minimum force with the angry mass, particulary when they consist of impressionable young students. Experience shows that when any young students are involved in acts of violence and the police deal with the situation unimaginatively or harshly and sometimes use excessive force that itself creates a problem.

Such a situation can and ougut to be avoided by the state by instructing its police officers to deal with the situation in a very restrained, sophisticated, tactful and civilised manner."

অসমৰ পুলিচ বাহিনী সম্প্ৰসাৰণ কৰা, পুলিচৰ সংখ্যা বৃদ্ধি কৰা আৰু এই পুলিচ বাহিনী আধুনিকীকৰণ কৰা আৰু তেওঁলোকৰ সা-সুবিধা আৰু থকা মেলাৰ সুব্যৱস্থা কৰা ইত্যাদি বিষয়ে অতি সোনকালে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হলে এই পুলিশ বাহিনী অধিক সক্ৰিয়শীল হল-হেতেন । কিন্তু অতি দুখৰ কথা যে পুলিশ কৰ্ম্মচাৰী সকলে বৃটিছৰ দিনৰে ঘৰ-বাৰী বিলাকত বাস কৰি আছে, পুলিচ ষ্টেশ্যনত থকামেলাৰ তেওঁলো-কৰ সা-সুবিধা নাই, বিশেষকৈ নিম্ন বেতন ভোগী পুলিচ কৰ্ম্মচাৰী সক-লৰ থকা-মেলাৰ ব্যৱস্থা সুবিধাজনক হোৱা নাই ।

আজি যি হিচাবে জনসংখ্যা বৃদ্ধি পাইছে সেই হিচাবে পুলিচৰ সংখ্যা বৃদ্ধি পোৱা নাই আৰু সেই হিচাবে পুলিচৰ গাড়ী, যানবাহনৰ সুবিধা পোৱা নাই । ফলত বহু সময়ত পুলিচবো অপৰাধী ধৰিবৰ কাৰণে বা আন কোনো পুলিচৰ কামত গাও অঞ্চলত ভিতৰলৈ যাবলৈ ব্যক্তিগত কিছুমান লোক, সেই সকলৰ ভিতৰত ঠিকাদাৰ বা আন কোনো ভেনে শ্ৰেণীৰ লোকৰ পৰা গাড়ীৰ সহায় লব লগীয়া হয় আৰু তাবেই যোগাযোগৰ ব্যৱস্থা কৰে, গতিকে ভেনে ক্ষেত্ৰত বহুতো সময়ত পুলিচে প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষ ভাৱে সেই সকল লোকক দুৰ্নীতিৰ পথ মুকলি কৰি দিয়া দেখা যায় । গতিকে মোৰ পৰামৰ্শ হ'ল এই নিম্ন পুলিচ শ্ৰেণীৰ সংখ্যা বঢ়াই দি গাওঁ অঞ্চলত যানবাহানৰ অধিক সুবিধা কৰাৰ ব্যৱস্থা কৰিব লাগে তেতিয়া দুৰ্নীতি বহুপৰিমানে কমি যাব ।

মই আৰু এটা দৰকাৰী দিশৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ সেইটো হ'ল আমাৰ এই পুলিচৰ লাঠি ছুইচেল আৰু আন আন যাৱতীয় বস্তু ইত্যাদি প্ৰতি বছৰেই কিনা হয় আৰু এই সংক্ৰান্তত বহু লাখ টকা খৰচ কৰা হয়, সেইবিলাক কিনা হয় পাৰচেজ বোৰ্ডৰ জৰীয়তে, তাত

আই, জী' পি চেয়াৰমেন হিচাবে থাকে। মোৰ পৰামৰ্শ হ'ল এই বিলাক বস্তুৰ বেচি ভাগ আমাৰ বাহিৰৰ পৰা কিনা হয় ফলত আমাৰ ইয়াত থকা থলুৱা প্ৰতিস্থান সমূহ এনেবিলাক সুবিধাৰ পৰা বঞ্চিত হব লগীয়া হয়, গতিকে যাতে এই বস্তু বিলাক আমাৰ থলুৱা প্ৰতিস্থান বিলাকৰ পৰা কিনিবৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। তাৰ পাচত আমাৰ ভিতৰৰ গাওঁ অঞ্চলত থকা ডিচ্‌পেনচাৰী বা মেডিকেল যিবিলাক চেণ্টাৰ আছে তাত যি সকল এম, বি, ব এচ ডাক্তৰ আছে সেই সকলক মৰণোত্তৰ পৰীক্ষা সেই গাৱৰ মেডিকেল চেণ্টাৰ বিলাকতে যাতে পৰীক্ষা কৰিব পৰা যায় তাৰ কাৰণে অঠোৰিটি দিব লাগে। নহলে ৫০।৬০ মাইল দূৰলৈ আহি চাবডিভিজন বা জিলাত পোষ্ট-মোৰ্টেমৰ কাৰণে আহিবলৈ যথেষ্ট অসুবিধাই নহয় দ্ৰুত গতিত অনুসন্ধান কাৰ্য্য চলোৱাতো অসুবিধা হয়। তাৰোপৰি আৰু এটা দৰকাৰী কথা হল গুৱাহাটী মহানগৰীত পানবজাৰত থকা মেডীকেল হস্পিতালৰ ৰোগী থকা হলৰ কাষত পোষ্ট মৰ্টামৰ পৰীক্ষা ঘৰ থকাৰ কাৰণে তালৈ মাটিৰ তলৰ পৰা উলিওৱা মৰাশ, পানীত পৰা মৰাশ, বা আন আন অপৰাধত পৰা মৰাশ বিলাক আনি তাত পৰীক্ষা কৰি সেই হস্পিতালতে থকা ৰোগী সকলৰ চকুৰ আগতে অনা নিয়া কৰাৰ কাৰণে সেই পৰিবেশটো অত্যন্ত দুৰ্গন্ধ হৈ পৰে ফলত তাত থকা ৰোগী সকলে অকল শাৰীৰিক কষ্ট পোৱাই নহয়, তেওঁলোকে চকুৰ আগতে তেনেবিলাক দৃশ্য দেখি থাকিলে মানশিক ভাৱেও দুৰ্ব্বল হৈ পৰে আৰু ই মানবীয় দৃষ্টি ভংগীৰ ফালৰ পৰা মঙ্গলজনক নহয়। গতিকে মৰণোত্তৰ পৰীক্ষা গাৰটো বৰ্ত্তমান ঠাইৰ পৰা আতৰাই আনি অইন ঠাইত কৰিব লাগে। প্ৰয়োজন হলে বিজ্ঞান সম্মত ভাৱে নতুনকৈ অইন ঠাইত মৰণোত্তৰ পৰীক্ষা ঘৰ নিৰ্ম্মান কৰিব লাগে। এই খিনি পৰামৰ্শকে আগবঢ়াই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— মাননীয় মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কম বুলি ভাৱিছোঁ। অধ্যক্ষ মহোদয়, পুলিচ এটা ডিচিপ্লিণ্ড ফৰ্চ'। বৃটিছ চৰকাৰৰ হাতত যেতিয়া এই পুলিচ ফৰ্চ আছিল তেতিয়া তেওঁলোকে মানুহক দমন কৰিবৰ কাৰণেই ব্যৱহাৰ কৰিছিল। কিন্তু বৰ্ত্তমান চৰকাৰে তেওঁলোকক সেই বিলাক দমন নীতিত নিয়োগ নকৰি অন্য

ফালেহে নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। বৃটিছৰ যুগত পুলিচক দমন কাৰ্য্যত লগাইছিল যদিও কোনো এটা ঘটনা ঘটি যোৱাৰ আগতেই তেওঁবিলাকে ,প্ৰটেক্তিভ মিজা'ৰ লব পাৰিছিল। কিন্তু আজি আমাৰ চৰকাৰৰ যি পুলিচ বাহিনী আছে এই পুলিচ বাহিনীয়ে কোনো ঘটনা আদি হৈ যোৱাৰ পিছতহে গম পায় আৰু এনেকুৱা এটা পুলিচ ফৰ্চকে লাখ লাখ কোটি কোটি টকা খৰচ কৰি চৰকাৰে পুহি আছে। লক্ষ কোটি টকা খৰচ এই শিতানত কৰিছেই যেতিয়া পুলচ বাহিনীক কোনো ঘটনা হৈ যোৱাৰ পিছত লগোৱাতকৈ যাতে ভৱিষ্যতে কোনো ঘটনা ঘটিব নোৱাৰে তাৰ 'প্ৰিভেন্টিভ মিজা'ৰ লবৰ কাৰণেহে নিয়োগ কৰিব লাগে। আমাৰ মাননীয় শ্ৰী শইকীয়া ডাঙৰীয়া পুলিচ বিভাগৰে মন্ত্ৰী নহয়, কালচাৰেল এফেৱাৰ্চ, আৰু পাব্লিক ইন্ফৰমেচন আৰু বিলেশ্বন 'বিভাগৰো তেখেত মন্ত্ৰী। এই লোক সকলক যদি কালচাৰেল অৰ্গেনাইজশ্বনত লগাব পাৰি তেতিয়াহলে, তেওঁলোকৰ মন বিলাক-সু-সংস্কৃত হব। কিছুমান 'আইড'ল ব্ৰেইনক যদি কালচাৰৰ অভিমুখীক কৰিব পাৰি তেতিয়াহলে, সেই মানুহ বিলাকক বেয়াৰ পৰা ভালৰ ফাললৈ আনিব পাৰি। প্ৰত্যেক থানা বিলাকতে শিৱ মন্দিৰ আদি থকাৰ কাৰণে আৰু তাত সকলো ধৰণৰ মানুহে শিৱৰ পূজা উপাসনা কৰিবলৈ অহাৰ কাৰণে তেওঁ বিলাকৰ সংস্পৰ্শত এই মানুহবিলাকো অলপ 'চেঞ্জড্' হয়। তাৰ ফলতে তেওঁ বিলাকে এ, বি, চি আদি চাৰ্টিফিকেট লৈ যাব পৰা হয়। ইমান বিলাক টকা যেতিয়া খৰছ কৰি এই ফৰ্চটো ৰখা হৈছে গতিকে মোৰ কথা হৈছে কোনো এটা ঘটনা ঘটাৰ পিছত এই ফৰ্চটো নিয়োগ কৰাতকৈ ঘটনাটো ঘটিবলৈ যাতে নাপায় তাৰ আগতেইহে এই ফৰ্চটো নিয়োগ কৰিব পৰাৰ ব্যৱস্থা কৰিব লাগে। সেয়ে কৰিব পাৰিলে দেশত ইমান বিলাক দুৰ্ঘটনা ঘটিবলৈকে নেপাব।

মহোদয়, ইয়াৰ পিচত মই কব বিচাৰিছোঁ যে এই পুলিচৰ দিউতি ২৪ ঘণ্টাই থাকে। পাগলা ঘণ্টা বজালেই তেওঁলোক যতে থাকে তাৰ পৰাই দৌৰী আহিব লগা হয়। কাৰণ আন আন বিভাগৰ সাধাৰণতে ১০ বজাৰ পৰা ৪॥ বজালৈকে কাম থাকে। কিন্তু এই কৰ্মচাৰী বিলাকে হঠাতে মাতিলেই খোৱা বোৱা এৰি দৌৰিব লগা হয়। আনহাতে এখন ডাক্তৰে ৰাতি গ'লেও এটা ভিজিভ পায়, কিন্তু পুলিছে নেপায়। সেইকাৰণে

তেওঁলোকে তাৰ পৰাই ভিজিত বিচাৰি লয়। ইয়াৰোপৰি চালাম থুকাৰ কাম আজি দেখাত অকল পুলিচ বিভাগৰে আছে। আন আন বিভাগত এইখিনি দায়িত্বও নাইকীয়া হৈ গৈছে।

চৰকাৰ যে আছে সেই কথা পুলিছেই প্ৰমান কৰি আছে। গতিকে আজি যিটো শক্তি সেই শক্তি আমাৰ শইকীয়া ডাঙৰীয়াৰ হাতত আছে। গতিকে তেখেতে ইচ্ছা কৰিলে সেই শক্তি প্ৰয়োগ কৰি ভালো কৰিব পাৰে আৰু ভালকৈ প্ৰয়োগ নকৰিলে তাৰ ফল বেয়াও হব পাৰে। মহোদয় আজি গোলোকগঞ্জত দুই তিনিজন পুলিচ অফিচাৰৰ বাহিৰে বাকী বিলাক গোহালী ঘৰত থাকিব লগা অৱস্থা হৈছে। আমাৰ লক্ষী বাবীত থকা এজন ডাৰোগাই মোক এবাৰ মাতি কলে চাই যাওকহি চোন মোৰ অৱস্থাটো। তেওঁৰ ঘৰ ধুমুহা বতাহে ভাঙি যোৱাত সেই ঘৰ গাৱঁৰ মানুহবিলাকে খেৰ বাহলৈ তৈয়াৰ কৰি দিছে। গতিকে আজি শিক্ষাৰ পিচত পুলিচ বিভাগতে বেছি টকা ধৰা হৈছে। আজি আ ই, জি, পি যি ধৰণে যি ঘৰত আছে আন বিলাকে সেইদৰে সেই ঘৰত নাথাকে। আজি আই, জি, পি আৰু দি, আই, জিক দেখিলে মানুহে ভয় কৰে। আজি দেখা গৈছে যে, বি, এচ, এফ আৰু পুলিচৰ মাজত নানা ধৰণৰ সংঘৰ্ষৰ সৃষ্টি হৈছে। দুয়ো পক্ষই দুয়ো পক্ষৰ বিপক্ষে নানা ধৰণৰ এনট্ৰি দিছে। গতিকে এইবিলাক ঠাইলৈ যাবৰ কাৰণে একোজন স্পট ইনচাৰ্জ লাগে। গতিকে সেইবিলাক অঞ্চলত স্পট ইনচাৰ্জ নথকাৰ কাৰণেই পোষ্কৰ ঘৰ মানুহৰ ৪৬ টা গৰু চুৰি হল। আৰু এই সকলোবিলাক গৰু বাংলা দেশৰ মানুহেই লৈ গৈছে। গতিকে এই গৰু বিলাক যাতে লিফট কৰিব নোৱাৰে তাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা প্ৰটেকচন দিয়া উচিত। আৰু পুলিচ বিভাগত যি বিলাক বেড এলিমেণ্ট আছে সেই বিলাক দূৰ কৰি ভাল ভাৱে সংশোধন কৰিব নোৱাৰিলে আমাৰ ৰাজ্যত উন্নতি নহয়। মানুহ বিলাকে সদায় আতংকগ্ৰস্ত হৈ থাকিব লাগিব।

মই আশাকৰিছোঁ যে, চৰকাৰে এই কথাবিলাক চিন্তা কৰি চোৱা দৰ্কাৰ। গাৱেঁ-ভূয়েঁ যাতে চুৰি ডকাইতি আদি হব নোৱাৰে তাৰ কাৰণে পহাৰা দিবৰ কাৰণে ভি, দি, পি বুলি এটা 'ভলণ্টেৰি অৰ্গেনাইজশ্বন'

আছে। মন্ত্ৰী মহাশয় মোৰ লগত গ'লে মই ইয়াৰ কাৰ্য্যকলাপ বিলাক দেখুৱাব পাৰিম। তিনি চাৰি জন মানুহ লগ লাগি হাতত টৰ্চ-লাঠি আদি লৈ গাৱঁৰ চাৰিও ফালে পহৰা দি ঘূৰে ফুৰে। কিন্তু তেওঁবিলাকক অন্য এলাউন্স আদিৰ কথা বাদেই বেটেৰী কিনিবৰ কাৰণে মাহে টকা ১০ টা মান দিয়ে। মাজে সময়ে ইয়াৰ মানুহেও ফাকি ফুকা আদি দিয়ে সচাঁ। এইটোও হৈছে এইটো কাৰণেই যে, এই মানুহ খিনিয়ে এনেকুৱা এটা কাম কৰি দিয়ে তাৰ বিনিময়ত তেওঁলোকক মাহে চাহ খাবলৈ:টা নিদিয়েই বেটেৰী কিনিবৰ কাৰণেহে মাত্ৰ টকা ১০ টকা দিয়ে। এই ভি. ডি, পি পাৰ্টিটোক যদি চৰকাৰে অৰ্কজিলিয়াৰি-পুলিচ ফৰ্চ' বুলি গণ্যকৰি তেওঁলোকক এটা এলাউন্স দিয়াৰ ব্যৱস্থা কৰে তেতিয়াহলে, 'অব্লিগিটেড' হৈ এই মানুহ বিলাকে কাম কৰিবলৈ এটা অনুপ্ৰেৰণা লাভ কৰিব। চৰকাৰে এই লাইনত গভীৰ ভাৱে চিন্তা কৰি এই ভি, ডি, পাটিক 'চেকণ্ড লাইন অব্ ডিফেন্স' বুলি গণ্য কৰি সেইমতে তেওঁলোকক এলাউন্স আদি দিয়াৰ ব্যৱস্থা কৰিব বুলি অনুৰোধ কৰিছোঁ।

তাৰ পিছত মই আৰু এটা কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰো আৰু সেইটো হৈছে যে, ২৪ ঘণ্টাই কৰ্ত্তব্যত জড়িত হৈ থকা আমাৰ সাধাৰণ কনিষ্টবল, পুলিচ, চাপ্ৰাচি আদিয়ে নিজৰ ঘৰ সংসাৰ, লৰাছোৱালী আদি তেওঁলোকে পোৱা অলপীয়া টকাৰে চম্ভালিব নোৱাৰি কিছুমান দুৰ্নীতিত লিপ্ত হোৱাৰ বহুতো উদাহৰণ আছে। মাজতে গোলোকগঞ্জত নটিশ দি ডকাইটি কৰাৰ এটা সংবাদ পাই মই এছ, পিক আগতেই অবগত কৰি ৰাখি-ছিলোঁ আৰু সেইমতেই 'পাইপ গান' সহ সেই ডকাইতৰ দলটো ধৰা পৰিল। কিছুমান তাৰে ভিতৰত পলাল। এই বিষয়ে অনুসন্ধান ভালদৰে হলে আৰু কিছুমান ভদ্ৰতাৰ মুখা পিন্ধি থকা ডকাইত ধৰা পৰিব।

মাজতে গোলোকগঞ্জত আৰ' কে, দাস নামৰ এজন মানুহ পুলিচে চুৰি কেছত গ্ৰেপ্তাৰ কৰিলে। তেওঁৰ ঘৰত তিনি চাৰিটা লৰাছোৱালী আৰু ঘৈনিয়েক জনীও অন্তঃসত্বা আছিল। সেই মানুহ জনক ৪৮ ঘণ্টা জেলত ৰখাৰ পিছত তেওঁ ঢুকাল। তেওঁ ঢুকুৱাৰ পিছত তাৰ বাইজৰ মাজত এটা বিৰাট আলোড়ণৰ সৃষ্টি হৈছে। মানুহ জন একেবাৰেই নিৰ্দোষ আছিল।

তেওঁৰ অন্তঃসত্ত্বা ঘৈনিয়েকৰ কাৰণে ঔষধ কিনিবলৈ গৈছিল। তেওঁ মৰাৰ পিছত এতিয়া লৰা তিৰোতা সকলো বাটৰ ভিক্ষাৰী হৈ ঘুৰি ফুৰিছে। মানৱতাৰ খাতিৰতে হলেও এই কেছটো চাই তাৰ বিহিত ব্যৱস্থা লবলৈ আৰু সেই নিৰপৰাধী মানুহ জনৰ ভৰণপোষণৰ ব্যৱস্থা লবলৈ অনুৰোধ মই আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক কৰিছোঁ। মই আৰু এইবিষয়ে বেছি কথা কবলৈ নিবিছাৰো মাত্ৰ শক্তিক ভাল কামত লগাব পাৰিলে অসম বাসীয়ে অন্ততঃ আমাৰ গৃহদপ্তৰৰ মন্ত্ৰীক আশীৰ্ব্বাদ দিব।

শ্ৰীমতী সত্যৱতী গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ শিতানত ধৰা ১০ কোটি, ২৮ লাখ ১৭ হেজাৰ ৫০০ টকাৰ কাৰণে অহা ভিমাণ্ডৰ উপৰত বিৰোধী দলৰ ফালৰ পৰা যিটো 'কাট-মোচন' আহিছে তাৰ বিৰোধীতা কৰি মই এই কেইটা কথা কবলৈ থিয় হৈছোঁ। প্ৰত্যেক বছৰেই বিভিন্ন শিতানত বহুত টকা ধৰা হয়। কিন্তু সেইখিনি টকাৰে যিমানখিনি কাম হব লাগে সেইখিনি কাম হৈ নুঠে। এনে অৱস্থাত আজি এই বিৰোধী সকলে যিটো কাট মোচন আনিছে সেইদৰে টকা হ্ৰাস কৰিব লগীয়া হলে এই বিভাগটোৰে কাম কৰা দূৰৰ কথা একেবাৰেই অচল হৈ পৰিব। সেইকাৰণেই মই তাৰ বিৰোধীতা কৰিছোঁ। পুলিচ বিভাগৰ বিষয়ে মই এইটোকে কব খোজো যে, এই বিভাগৰ যি বিলাক দোষ গুণ আছে সেইবিলাক দোষ গুন সমন্ধে সচেতন হব লাগে আৰু এই বিভাগটো সক্ৰীয় কৰি তুলিবৰ কাৰণে বিশেষ ভাৱে বিবেচনা কৰাটো নিতান্ত দৰ্কাৰ। ইয়াৰ লগতে আৰু এটা কথাৰ প্ৰতি বিশেষ ভাৱে জোৰ দিব লাগে আৰু সেইটো হৈছে যে, অসম পুলিচ কমিশ্যনৰ ৰিপৰ্টত সন্নিবিষ্ট থকা মতে জনসাধাৰণৰ লগত পুলিচ ফৰ্চটোৰ নিবিড় সম্পৰ্ক স্থাপনত বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। কিয়নো এই পুলিচ কমিশ্যনৰ ৰিপৰ্টত কোৱা হৈছে যে,"

Public relations in Police service entail projection of a favourable image of the force through achievement of good-will, trust, confidence and esteem of the general public and enlightenment of this cooperation. Favourable public attitude contributes towards efficiency and

morale of the Police Force while its absence makes public task more difficult and working conditions more disagreeable."

গতিকে ৰাইজৰ লগত ভাল ভাগ কথা বিলাকত পুলিচে ৰাইজৰ লগত ভাগ লব পাৰিছেনে নাই সেইটো গৃহমন্ত্ৰীয়ে ভালভাৱে বিশ্লেষণ কৰি চাবলগীয়া কথা। এখন গণতান্ত্ৰিক দেশত যত ৰাইজে নিৰ্ব্বাচিত কৰি দিয়া চৰকাৰেই দেশ শাসন কৰে, দেশৰ আইন কানুন ৰচনা কৰে তেনে এখন দেশতে যদি পুলিচ অফিচাৰ সকলে নিজকে ৰাইজৰ সেকা বুলি ভবাৰ কোনো অৱকাশ নেপায় তেতিয়াহ'ল, এইটো এটা সৰ্বাতকৈয়ে বৰ দুখৰ কথা। স্বাধীনতাৰ সুদীৰ্ঘ ২৭ বছৰৰ পিছতো পুলিচ বিষয়া সকলে এতিয়াও নিজকে দেশৰ একচেতীয়া শাসক বুলি ভাৱে। এই মনোভাৱটো আছিল ভাৰত বৰ্ষত ইংৰাজী ৰাজত্বৰ কাহিনী যি সকলে দমন নীতি চলাবৰ কাৰণেহে এই পুলিচ বাহিনীটো ব্যৱহাৰ কৰিছিল। কিন্তু তথাপিও ৰাইজৰ ওপৰত কোনো অত্যাচাৰ চলালে তাৰ সমুচিত বিছাৰ কৰা হৈছিল। এবাৰ বেগমৰ ওপৰত কৰা অত্যাচাৰৰ কাৰণে সেই সময়ত বৃটিশ প্ৰশাসক ওৱৰেণ হেষ্টিংচে লণ্ডনলৈ মাতি নি বিছাৰ কৰিছিল। কিন্তু আজি আমাৰ দেশত ৰাইজে আমাৰ পুলিচ বিভাগটোক ঘৃণা আৰু আতংকৰ চকুৰে চাবলৈ বাধ্য হৈছে! কিয়নো কৰ্ত্তব্য কামত প্ৰয়োজন হলেও পুলিচৰ সহায় সহযোগ নেপায়। কৰবাত চুৰি ডকাইটি আদি হলেও খবৰ দিয়া স্বত্বেও সোনকালে আহি নেপায়।

ৰাইজে চুৰি কেচ দিবলৈ থানালৈ আহিলে আমাৰ পুলিচ কেচ বিলাক লোৱাত সিমান তৎপৰ নহয়। তেওঁলোকে বেছি ভাগ কেচেই নলয় আৰু দুই এটা যি লয় তাকো বিকৃতাকাৰ কৰি প্ৰকৃততে চোৰ ধৰিব নোৱাৰে। ইয়াৰ পৰাই ৰাইজৰ সন্দেহ হয়, যে পুলিচৰ চোৰৰ লগত ভিতৰুৱা সমন্ধ আছে। এই কথাটো বৰ্ত্তমান লুকাই থকা নাই। এই সকলো বিলাক অভিসন্ধি ৰাইজে ভালকৈ উপলব্ধি কৰিছে। কোনেও কাৰো চিক্ৰেট খুলিয়ায়। কিন্তু ৰাইজে নিজে নিজে পুলিচৰ কৰ্ম্মপদ্ধতিৰ পৰা এইটো উপলব্ধি কৰিছে, কিছুমান চিক্ৰেট পুলিচ বিভাগত নিশ্চয় ৰাখিব লাগে, কিন্তু

সেই চিক্রেট ৰাইজৰ কামত লগা হব লাগিব। ইয়াৰ দ্বাৰা বৰ্ত্তমানে কোনো সুফল নাপালেও অন্ততঃ আমাৰ নাতি পুতি সকলে এদিন সেই সুফল পালেহেতেন। কালি মাননীয় সদস্য বেণুকাদেৱী বৰকটকীয়ে কৈছে যে, গুৱাহাটীৰ ৰাজহুৱা ৰাষ্টাৰ ওপৰতে দুবৃত্তই কান্তিবেদীক হত্যা কৰিছিল, সেই খবৰ পুলিচক ততালিকে দিয়াৰ পিচতো পুলিচে যথাস্থানলৈ ১ ঘণ্টাৰ পিচতহে আহিছে। আৰু আজি প্ৰায় এবছৰ হৈ যায় পুলিচে সেই হত্যাকান্দৰ কোনো সুংস্মুত্ৰ বাহিৰ কৰিব পৰা নাই। এইটো এটা গুৰুতৰ কথা। গতিকে এনে বহু ক্ষেত্ৰতেই এইটোৱেই বুজা যায় যে, ৰাইজৰ সুবিধাৰ কাৰণে পুলিচে নিজক নিয়োগ কৰিব পৰা নাই।

It is more distressing that the Police Department has not succeded in establishing herself the affection of the people even after 23 years of independence,

( At this stage Chairman, Shri Ataur Rahman vacated and Mr. Speaker occupied the chair )

( Speech concluded )

**Mr. Speaker :— Hironnya Barua, you will speak for 5 minutes.**

গতিকে আমাৰ জনসাধাৰণে এতিয়া পুলিচক অত্যাচাৰী অমানুষিক, অনিয়মানুবৰ্ত্তী কৰ্ত্তব্যহীন বুলিহে ভাবে। গতিকে এই পুলিচেই যেন মানুহৰ ফ্ৰেন্দ, ফিলচফাৰ, গাইদ বুলি পৰিগনিত হব লাগিছিল, কিন্তু প্ৰকৃততে সেইটো নহৈ পুলিচ ৰাইজৰ মনত এটা বিভিষীকা হৈ পৰিছে। মহোদয়, আজি পুলিচক নিয়োগ কৰা হৈছে কেনেকৈ ? পুলিচে অকল ভি, আই, পি অনা নিয়াৰ কামত লগালে ৰাইজৰ চকুত লাগে। আৰু আমাৰ দেশৰ ভি, আই, পি সকলৰ ৰক্ষনাবেক্ষন কৰা কি প্ৰয়োজন, সেইকথা আমি বুজি নাপাও। আৰু এজন মন্ত্ৰী হলে কথা নাই, আমি জনাত ইংলেণ্ডৰ ৰানী এলিজাবেথে ভ্ৰমণ কৰাৰ সময়ত পুলিচৰ ইমান খিনি ৰক্ষনাবেক্ষনৰ প্ৰয়োজন নাই আৰু তেওঁলোকৰ মন্ত্ৰী সকলেতো ৰাইজৰ মাজতে বাচে

ট্ৰামে ঘুৰি ফুৰে। তেওঁলোকৰ লগত এদল পুলিচ যোৱাৰ কোনো দৰকাৰ নাই। পুলিচৰ বিৰোদ্ধে বৰ্ত্তমানে ৰাইজৰ ক্ষোভ এইয়ে যে, তেওঁলোক ৰাইজৰ কাৰণে কাম কৰি থকাৰ পৰিবৰ্ত্তে কেৱল মানুহৰ অন্যায় কৰে আৰু তেওঁলোক দুনিতী পৰায়ণ, তেওঁলোকক যথেষ্ট পৰিমানে দুৰ্নীতিয়ে ঘেৰি আছে। গতিকে পুলিচ বিভাগৰ তলৰ কৰ্ম্মচাৰী সকলক ওপৰআৱলা সকলেও এই দুৰ্নীতিত কোনো উপদেশেই দিব নোৱাৰে। অৱশ্যে চৰকাৰে এইটো চাব লাগিব যে যাতে ওপৰত পুলিচ কৰ্ম্মচাৰী সকলে তলৰ পুলিচ কৰ্ম্মচাৰী সকলক ন্যায় কৰ্ত্তব্যপৰায়নতা নিয়মানু বৰ্ত্তিতা পালন কৰাৰ যাতে জ্ঞান দিব পাৰে আৰু যিবিলাক দুৰ্নীতিপৰায়ণ মানবী কতাৰ পৰা আতৰি যোৱা কৰ্ম্ম-চাৰী সকলক সংস্কাৰ কৰি ৰাইজৰ মাজত বন্ধুত্ব বিস্তাৰ কৰা সুবিধা দিব পাৰিলেহেতেন। তেন্তে তাৰ দ্বাৰা ৰাইজৰো উপকাৰ পুলিচৰো উপকাৰ আৰু চৰকাৰৰো উপকাৰ হলহেতেন। বৰ্ত্তমান ৰাইজে ভাবে যে, পুলিচক কেচ দিবলৈ গলে টকা নিদিলে নলয়। আনহাতে তেওঁলোকে বহু সময়ত কিছু-মান মিছা কেচ লৈ নিৰ্দ্দোষী লোকসকলক ব্যতিব্যস্ত কৰে আৰু তাৰ কিছু-মান প্ৰকৃত ঘটনা আওপাকেৰে পকাই নানা মানুহক দুৰ্নীতি কৰাত সহায় কৰে। গতিকে ৰাইজে পুলিচৰ কাৰণে চৰকাৰে ব্যয় কৰা টকা খিনি অপব্যয় বুলি ভাবে। গতিকে চৰকাৰে পুলিচক ৰাইজৰ প্ৰিয় কৰিবলৈ কিছুমান কঠোৰ প্ৰশিক্ষন দিয়া দৰকাৰ। বৰ্ত্তমান পুলিচে ৰাইজৰ প্ৰতি ব্যৱহাৰ নাজানে, ভাল কথা কেতিয়াও নকয়, যাতে সেই দোষ বিলাকৰ সংস্কাৰ হয়। আৰু ৰাইজ আৰু পুলিচৰ মাজত যাতে এটা সদভাৱৰ সৃষ্টি হয় তাৰ ব্যৱস্থা চৰকাৰে কৰা দৰকাৰ। এতিয়া তলৰ ফালৰ পুলিচ বিলাকৰ মনোভাৱ অকল মানুহক ভয় দেখুৱাই বুলি জনসাধাৰণে ভাবে। তেওঁলোকে কৰ্ম্মৰ পৰিবৰ্ত্তে অকৰ্ম কৰে। গতিকে এই পুলিচ সকলে ধনী, দুখীয়া, ক্ষমতাশালী, অক্ষম-তাশালী সকলোৰে মাজত নিৰ্বিবচাৰে সকলোৰে মাজত নিৰ্ব্বিচাৰে সকলোৰে মাজত সমানে কৰ্ত্তব্য পৰায়ণ হৈ কাম কৰা উচিত। শান্তিপ্ৰসাদ কমিচ-নৰ ৰিপোৰ্টত এই কথাবিলাকৰ যথেষ্ট গুৰুত্ব দিছে। এই কমিচনৰ মতে মানুহৰ মাজত ক্ষোভ তিনিটা, এটা হৈছে পুলিচৰ অত্যাচাৰ, দ্বিতীয়তে পুলিচৰ মানুহৰ প্ৰতি বেয়া ব্যৱহাৰ, তৃতীয়তে পুলিচৰ মাজত দুৰ্নীতিপৰা-য়ণতা। কাৰণ পি, ডব্লুউ বিভাগৰ দুৰ্নীতিক পুলিচ বিভাগে চেৰ পেলাইছে।

দুৰ্নীতিৰ ক্ষেত্ৰত মই অন্যবিলাক ঘটনা লৈ আওকান কৰি মোৰ নিজৰ সমষ্টিৰে কথা এটা কওঁ। মোৰ সমষ্টিৰ বৰুৱা বাৰী থানাৰ এজন অচি আৰু কনিষ্টবলে নিৰ্ব্বিকাৰে মদ খাই জুৱা খেলি তিৰোতাবিলাকৰ ওপৰত অত্যাচাৰ কৰি আছে। কিন্তু তাত কোনো ওপৰৱালা অফিচাৰে বা কৰ্তৃপক্ষই কোনো ৰকমে বাধা দিয়া নাই। পুলিচৰ ব্যৱহাৰ এইয়ে হলে ৰাইজৰ পুলিচৰ প্ৰতি কি আস্থা থাকিব পাৰে? সেইকাৰণে মই চৰকাৰক এটা আৰু গৃহমন্ত্ৰীক অনুৰোধ কৰো যে, যাতে ওপৰৱালা কৰ্ম্মচাৰীৰ লগতে এই তলতীয়া পুলিচ কৰ্ম্মচাৰী বিলাকক স্কুলবিলাকৰ ছাত্ৰৰ মাজলৈ আনি নানা ৰকমৰ বক্তৃতা দি ৰাইজ আৰু ছাত্ৰ আৰু পুলিচৰ মাজত এটা সৌহাৰ্দ্যপূৰ্ণ ভাব যাতে প্ৰতিস্থা কৰিব পৰা হয়, যাতে পুলিচ সকলে ৰাইজ বা ছাত্ৰৰ প্ৰতি কোনো বেয়া ব্যৱহাৰ নকৰে ৰাইজে যাতে পুলিচক শান্তিকামী বন্ধু হিচাবে গ্ৰহন কৰিব পাৰে তাৰ ব্যৱস্থা ততাতয়াকৈ কৰে। শান্তি প্ৰসাদ কমিচনৰ ইও এটা পৰামৰ্শ যে, তেওঁলোকে ৰিপোৰ্টত সন্নিবিষ্ট কৰা পৰামৰ্শ বিলাক সুবিধা অনুসাৰে ৫ বছৰৰ ভিতৰতে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। এই ৰিপোৰ্ট ১৯৭১ চনতে দাখিল কৰিলে এনে এটা কথা অসম পুলিচ কমিচনৰ ৰিপোৰ্টততো কোৱা হৈছিল। এইটো যাতে যথাযথ ভাবে কাৰ্য্যকৰী হয় তাৰ কাৰণে মই চৰকাৰক আৰু গৃহমন্ত্ৰীক অনুৰোধ কৰো, যাতে তেখেতে এইটো আন্তৰিকতাৰে সৈতে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰে। এইখিনিকে কৈ মই এই কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ কৈ মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীহিৰণ্য বৰা ঃ— অধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ এজন পূৰ্ণ পৰ্য্যায়ৰ মন্ত্ৰী দিয়াৰ কাৰণে মই সন্তোষ্টি প্ৰকাশ কৰিছোঁ। পূৰ্ণ পৰ্য্যাৰ মন্ত্ৰী দিছে যদিও এই পুলিচ বিভাগৰ মূৰব্বী জনৰ বিভাগৰ প্ৰতি মনোযোগ নাই। উদাহৰণ স্বৰূপে তেখেত সপ্তাহত দুই এদিন গুৱাহাটীত থাকে বাকী কেইদিন চিলঙত থাকে। চিলং আৰু গুৱাহাটীৰ ভিতৰত অহা যোৱা কৰি থকা খৰচটো চৰকাৰৰ নে ব্যক্তিগত এই কথা নাজানো। এই মূৰব্বী গৰাকী ১৯৬৯ চনৰ পৰা এই বিভাগটোৰ মূৰব্বী হৈ আছে। কিন্তু আজিলৈকে তেওঁ জিলা বিলাকত গৈ যি ভাবে তলতীয়া বিষয়া বিলাকৰ অভাৱ অভিযোগৰ কথাৰ খবৰ লাগিছিল সেই ভাবে লোৱা নাই। তেওঁক ফৌজৰ মানুহে কিমান দুৰ চিনি পায় নাজানো। এতিয়া এটা কথা শুনিবলৈ

পাইছোঁ। ফৌজ বিলাকে তেওঁক একেবাৰে চিনি নাপায় বুলি ভাবি পুলিচ চকী বিলাকত তেওঁৰ ফটু আৰিবলৈ দিছে। এই খৰচ চৰকাৰৰ নে কাৰ নাজানো। অধ্যক্ষ মহোদয়, ১৯৭২ চনত ভাষা আন্দোলন হল। সেই ভাষা আন্দোলনৰ সময়ত আ, জি, পি জনে কোনো এখন জিলাত ভ্ৰমণ কৰা আমি দেখা নাই। চিলংত পাহাৰৰ শিখৰত বহি আছে। জিলা বিলাকত কত শান্তি শৃঙ্খলা বজাই ৰাখিব লাগে এই কথালৈ কৰ্ণ পাত নকৰিলে। অধ্যক্ষ মহোদয়, বিভাগীয় কৰ্ম্মদক্ষতা বঢ়াবলৈ হলে ওপৰ গধুৰ হব নালাগে। কিন্তু এতিয়া যিটো দেখা গৈছে আটাই বিলাকত পুলিচ বিভাগটো এটা ওপৰ গধুৰ বিভাগ হৈছে। এই বিষয়ত বিভাগীয় মন্ত্ৰী গৰাকীৰ দৃষ্টি আকৰ্ষণ কৰিছো। পুলিচ বিভাগটো পুণৰ গঠন কৰি কাৰ্য্য দক্ষতা বঢ়াবৰ কাৰণে বিভাগীয় উদ্যোক্তা যুবক মন্ত্ৰী গৰাকীয়ে যথেষ্ট আগ্ৰহ প্ৰকাশ কৰা দেখা গৈছে। মই তেখেতক অনুৰোধ কৰিছোঁ যাতে এই আগ্ৰহ আৰু প্ৰচেষ্টা বাস্তৱ দৃষ্টি ভঙ্গিৰে আগবাঢ়ি যায়। মই তেখেতক অনুৰোধ কৰিছো পুলিচ কমিচনৰ পৰামৰ্শ অনুসাৰে থানা বিলাক পুনৰ গঠন কৰি সক সক কৰিব লাগে। পাৰ্য্যমানে থানা বিলাকত জীপ গাড়ী দিব লাগে। অফিচত কাম কৰা গেজেটেড বিষয়া বিলাকৰ দুই তিনি খন গাড়ী আছে। কিন্তু তলতীয়া কৰ্ম্মচাৰী সকলৰ আটাইতকৈ যিস্তত গাড়ীৰ প্ৰয়োজন সেই সকলৰ গাড়ী নাই। এই বিষয়ে মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী আৰু ডঃ ৰবীন গোস্বামীয়ে কৈ গৈছে। গাড়ী বিলাক বহু ক্ষেত্ৰত ব্যক্তিগত কামত ব্যৱহাৰ কৰা হৈছে তাৰ দৃষ্টান্ত আছে। আন এটা কথা হল যোৱা দুবছৰে গুৱাহাটীত বহু ঘৰ পুলিচ বিভাগৰ কাৰণে বনোৱা হৈছে। এই ক্ষেত্ৰত আই, জি, পি, দি, আই, জি, এচ, পি আদিৰ বাস ভৱন বনোৱাত অগ্ৰাধিকাৰ দিয়া হৈছে। তলতীয়া অফিচাৰ, এ, এচ, আই কনিষ্টবল আদি আবাস গৃহ বনোৱাত গুৰুত্ব দিয়া নাই। এই ক্ষেত্ৰত মই যুবক মন্ত্ৰী গৰাকীৰ এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে গুৱাহাটীত আই, জি, পিৰ ঘৰ বনোৱৰ কাৰণে চাৰে তিনি লাখ টকা খৰচ হৈছে। গুৱাহাটীৰ এচ, পিৰ যিটো পুখুৰী আছে সেইটো ধুনীয়াকৈ বনাবৰ কাৰণে ডেৰ লাখ টকা খৰচ হৈছে। গুৱাহাটীত তলতীয়া কৰ্ম্মচাৰী বিলাকৰ আবাস গৃহৰ কাৰণে যি খিনি কষ্ট হৈছে সেই কথা নকলেও হব। এটা

যন কৰিব লগীয়া কথা হল যে আজি কালি গাৱেঁ ভুঞে বিজুলী বাতি হৈছে । আপোনালোকে দেখিব নেচনেল হাই-ৱেৰ কাষত যি কেইটা ঘৰত ধিমিক ধামাক চাকি জলি আছে, আন্ধাৰত আছে সেই কেইটাই হল পুলিচ থানা । এই পুলিচ থানা বিলাকত স্বাধীনতাৰ ২৭ বছৰৰ পিচত বিজুলি বাতিৰ ব্যৱস্থা কৰা হোৱা নাই । এই ক্ষেত্ৰত অতি সোনকালে যাতে এই থানা বিলাকত বিজুলী বাতিৰ ব্যৱস্থা হয় তাৰ কাৰণে বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিলো । অধ্যক্ষ মহোদয়, বিভাগীয় কাৰ্য্যক্ষমতা বঢ়াবলৈ হলে বিষয়া সকলৰ গুনাগুন নিৰীক্ষণ কৰি তাৰ দায়িত্ব দিব লাগে । নীতি নিয়মৰ ক্ষেত্ৰত ইউনিফৰ্ম প্ৰিন্সিপুল মানিব লাগে । এই ক্ষেত্ৰত বিভাগত দুই এটা খেলি মেলি আছে । ডিপাৰ্টমেণ্টেল প্ৰচিডিংচ পেণ্ডিং থকা অৱস্থাত দুই চাৰিজন কৰ্ম্মচাৰীক প্ৰমোচন দিয়া হয় তাৰ ভাল পোষ্টিং দিয়াৰ উদাহৰণ আছে । সেই একে কাৰণত কিছুমান মানুহক কিছুমান বিষয়াই চাকৰিত প্ৰমোচনৰ কথা বাদ দিয়ক, চাকৰি আজিলৈকে কনফাৰ্ম নকৰাৰ দৃষ্টান্ত আছে । গতিকে এনেকুৱা ভিন পৰ ভাব দেখুৱালে বিভাগৰ প্ৰতি আনুগত্য কমে, অন্যায়ৰ প্ৰতি আগবাঢ়ি যায়, ওপৰ মহলত তোষামুদ কৰিবলৈ চেষ্টা কৰিলে বিভাগীয় শিথিলতা বাঢ়ে । তাৰ পিচত আমাৰ ফায়াৰ ব্ৰিগেডৰ যোগ্যতা নিম্ন খাপৰ হৈছে । বহু লাখ টকা খৰচ কৰি এই গাড়ী বিলাক ক্ৰয় কৰা হৈছে । অধ্যক্ষ মহোদয়, আপুনি দেখিব জুই লাগিলে ফায়াৰ ব্ৰিগেডৰ গাড়ীত তেল নাইকিয়া হয় বা চ'ল গলেও ৰাস্তাত তেল নাইকিয়া হয় । এনেকুৱা কাৰণ বিলাকত ৰাইজৰ বৰ অসুবিধা হয় । গতিকে মন্ত্ৰী গৰাকীক অনুৰোধ কৰিলো যাতে ফায়াৰ ব্ৰিগেড বিভাগটো উন্নত কৰে । ইয়াকে কৈ সামৰণি মাৰিলো ।

Shri Giasuddin Ahmed :—Mr. Speaker, Sir, in support of the cut motion I would like to make a few observations. Besides maintenace of law and order, prevention and detection of crime, I think the Police force has an important role to play in the field of economic and social development of the people. Sir, the Government has taken certain progressive measures so far as land

reform is concerned and for implementation of these progressive legislations the Revenue Department must take certain steps. Sir, here one important phenomenon has developed and that is, the landlords have been trying to evict the tenants from land by force and in this struggle between the landlords and tenants the whole police has gone in favour of the landlords. There are hundreds of instances where, inspite of clear Government instuctions to the Police Department not to go against the tenants, the police officers acted against the legal and lawful interest of the tenants and in favour of the landlords with an ulterior motive. I can give some instances. Here within the city of Gauhati in an area called Chunsali some landlords set fire to three houses of tenants with the help of goondas. The houses were destroyed.

F.I.R. was lodged, i.e. information was sent to the Police Station in due course. Since then several months have elapsed but no action whatsoever have been taken by the Police Department uptill now because the houses burnt belong to the poor tenants. The Police force acted at the instigation of the land lord. That is the tragedy. In our place also within the Bilasipara Police Station under Lakhiganj Police outpost there was a dispute between the landlord and the adhiar. The Officer-in-charge of the Outpost went to the field along with the landlord, assaulted the tenant and threatened him with dire consequences, took his signature on a blank paper, took away all the paddy and the paddy

was deposited with the land lord. Then cases were filed, there was an order from the Court for seizure of the paddy. It was the duty of the Police officer of the Outpost to seize the paddy, but it was the discretion of the Police Officer to carry on the order of the Court or not on this pretext or that. He did not seize the paddy. Sir, in such case our experience shows that the poor tenants are without any remedy. As I have said at the beginning, besides maintaining law and order and prevention and detection of crimes they have a role to play in the matter of implementation of the progressive legislations. Sir, justice very much depends on the integrity of the Police force. There are certain cases which can be taken up by the Court only at the instance of the police. For example in an application u/s 107 Cr.P.C. the application is forwarded to the Police Station for enquiry and report. It might be that it was a serious case where the weaker person is in danger of his life and property at the hands of a strong person for which he had to take recourse to the law court. But for months, sometimes for years together the Police officer keeps it pending, pending for an indefinite period, and the poor fellow is without any justice. Theft cases, dacoity cases and even murder cases are not attended to. Recently, not more than two months ago, an ejahar was lodged at the Lakhiganj Outpost regarding the murder of one person who was beaten to death, his body was dragged and left in the open. Immediately an ejahar was lodged, but for several days the Officer

in charge of the Outpost did not care to go to place of occurrence to make an enquiry. In the meantime the body was consumed by jackals, vultures and crows and there was no sign of the dead body. In this way even murder cases are not enquired into. There is an allegation of Police Officers having maintained thieves and dacoits. There are hundreds and thousands of ejahars regarding theft cases. Whenever any person comes to the Police Station to lodge an ejahar sometimes the complainant himself is threatened. So out of fear the complainant goes away without any remedy. I, therefore, said that justice very much depends on the integrity of the Police. My suggestion, therefore, is that the Police Stations should be manned by high ranking officer— not below the rant of a D.S.P. and an executive magistrate may be attached so that he can attend to the cases of serious nature with a judicial mind. Sir, the situation in the contry today is such that it is high time that the police force is streamlined not only for maintenance of law and order and prevention and detection of crime but also for social and economic advancement of the country. Sir, we have heard some leaders asking the army to disobey the orders of the Government. In some States we have heard some leaders asking the Police force not to carry out the orders of the Government So in such a situation if we do not rectify the ommissions and commissions of the Police Deprtment, if it is not organised on the proper footing, if it is not made fit for the present day activities of a

Democratic Government, if it does not function properly then we will have to face a danger. That is why the Police force should be re-oriented, it should be re-organised in such a way that it can help not only in maintenance of law and order, prevention and detection of crimes, but also it can render sufficient help in working for social and economic advancement of the couutry.

With these few words, Sir, I support the Cut motion.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ— অধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ বিষয়ত ইতিমধ্যে মাননীয় সদস্য সকলে কৈছে। শাসক দলৰ মাননীয় সদস্য সকলে যদিও আমাৰ কৰ্ত্তন প্ৰস্তাবৰ বিৰোধিতা কৰিছে তথাপিতো এই বিভাগৰ বিৰোদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। পুলিচৰ দুৰ্গতি ইমান বাঢ়িছে যে আমি গণতান্ত্ৰিক দেশত বাস কৰি আছোনে সামন্তবাদী যোগলৈ আগবাঢ়ি গৈছো, সেইটো নিৰ্ণয় কৰাটো কঠিন হৈ পৰিছে। অধ্যক্ষ মহোদয়, পুলিচক সাধাৰণতে শান্তি শৃঙ্খলা ৰক্ষক বুলি কোৱা হয়। কিন্তু ৰাজ্যৰ শান্তিত যিখিনি ঘটাই ৰক্ষকৰ ঠাইত ভক্ষক হোৱাটো এই বিভাগত আজি পৰিলক্ষিত হৈছে। আজি এই বিভাগৰ পৰা ৰাইজে শান্তি পাব দুৰৰ কথা, ৰাইজে সদায় জুলুমৰ মহে প্যাট আহিছে। ৰাইজৰ এই বিভাগটোৰ প্ৰতি সন্দেহ, ঘৃণা, বিতৃষ্ণাৰ ভাবে আহিছে। এই ২৭ বছৰ হৈ যোৱাৰ পিচতো ইয়াৰ পৰিবৰ্তন কৰিব পৰা নাই। মই ভাবো বৃটিচ যুগত পুলিচৰ ব্যৱহাৰ বহু ভাল আছিল, কিন্তু আজি স্বাধীন দেশত স্বাধীন নাগৰিক সকলক সেই ব্যৱহাৰ নকৰে। এই বিভাগৰ বৰমূৰীয়া সকলে তলতীয়া কৰ্মচাৰী বা তল খাপৰ কনিষ্টবল সকলক ডাক হিচাবে ব্যৱহাৰ কৰিছে উদাহৰণ স্বৰূপে বহুত ডাঙৰ ডাঙৰ বিষয়াই কনিষ্টকলৰ হতুৱাই যিবিলাক ডায়েৰী কৰিছে তাত ঘাহ কটুৱা কামত লগাইছে আৰু ঘাঁহ কাটি আনি গাইক খুওৱা, গাই খিৰোৱা, আদি ঘৰুৱা কামত ব্যৱহাৰ কৰিছে। এই কনিষ্টবল বিলাক এই বিষয়াৰ ঘৰুৱা চাকৰ নহয় মন্ত্ৰী সকলে এইটো কথালৈ লক্ষ্য কৰা নাই। আজি গুৱাহাটীত এই

ঘটনা চলি আছে, সেই বিলাক কথা চাব নালাগে নেকি ? আমাৰ পুলিচ বিভাগে যে আইন ভঙ্গ কৰে তাৰ উদাহৰণ দিম ।

নলবাৰী মহকুমাটো যোৱা বানপানীত ক্ষতিগ্ৰস্ত হৈছে । তাত কোনো প্ৰৰণৰ খেতি নহল । ৰাইজে নলবাৰী বজাৰৰ পৰা দুই এক মোন ধান কিনে । মোৰ সমস্তি আৰু শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াৰ সমস্তিত ধান পাবলৈ নাই । নলবাৰী বজাৰলৈ উত্তৰ ফালৰ পৰা কিছু ধান আহে আৰু সেই ধান মানুহে কিনে । যোৱা ৭ মাৰ্চ তাৰিখে ৩২ খন ঠেলা গাড়ীত ধান আহিছিল তেতিয়া সেই খিনি ধান পুলিছে জব্দ কৰি থলে । তেতিয়া মালিক আহি কলে যে আমাৰ ধান । তেতিয়া এজন মানুহক থানালৈ লৈ গৈ মাৰ পিট কৰি অত্যাচাৰ কৰে । এই সম্পৰ্কত কেচ দিয়া হৈছে । এই বিলাক কথা এতিয়াও চলি আছে । তাৰ ফলস্বৰূপে মানুহে খাবলৈ নাপায় মৰিছে । আজিৰ দৈনীক অসম কাকততো মোৰ সমস্তিৰ চৰিয়া অৰ্থাত মানুহে খাবলৈ নাপায় মৰিছে বুলি ওলাইছে । দৈনিক অসম কাকতত কাহুদিত এখন চাব প্ৰকাশ পাইছে । তাত চি আৰ পিয়ে কৈছে যে আপুনি চিন্তা নকৰিব চাৰ, প্ৰয়োজন হলে আমি আছো । এই পুলিছে দৰিদ্ৰতা দূৰ কৰিব নোৱাৰে । দৰিদ্ৰ সকলক শেষ কৰিবলৈ বিচাৰিছে । এতিয়া আৰু পুলিচৰ দমন নীতিলৈ ৰাইজে ভয় নকৰে । ৰাইজ আগবাঢ়ি আহিছে । বৰ্ত্তমান স্বাধীন দেশত পালিচৰ যি অত্যাচাৰ চলিছে ১৯৪২ চনত স্বাধীনতা আন্দোলনৰ সময়তো বৃটিচৰ পুলিছে সিমান অত্যাচাৰ চলোৱা নাছিল । আন্দোলনৰ সময়ত পালিচৰ মাৰ খোৱাৰ অভিজ্ঞতা আমাৰ আছে । যোৱা বছৰ ৰেলওৱে আন্দোলনৰ সময়ত বাপেকে ধৰ্মঘট কৰাৰ কাৰণে পুলিচে লৰাৰ মূৰ খুৰাই দিছে । লৰা তিৰোতাক পুলিচে আটক কৰি নিছিল । এজনী তিৰোতাক পুলিছে কৈছিল আপনাদের ভাই বোল কে এই ভাবে অত্যাচার করলে কি আপনারা সহ্য করতে পারতেন ?

মালিগাৱত এই ঘটনা ঘটিছিল । আমাৰ বৰো ভাই সকলো লিপিৰ সংক্ৰান্তত আন্দোলন কৰোতে যি ধৰণৰ অত্যাচাৰ কৰা হৈছিল হোম মিনিষ্টিৰ তৰফৰ পৰা অৰ্ডাৰ দিয়া হৈছিল যে— Do what ever you like to crush the movement. অকল সেয়ে নহয় বিশ্ববিদ্যালয়ত

হোৱা অশান্তি এই বিলাকৰ জলন্ত প্ৰমান। ইয়াৰ উপৰিও জনসাধাৰণে পুলিচৰ পৰা কোনো দিনে সহাৰি নাপায়। যিবিলাক প্ৰভাৱশালী লোক যি বিলাকৰ টকা পইচা আছে সেই বিলাক পুলিচৰ ওচৰলৈ যাব পাৰে আৰু পুলিচৰ পৰা সহায় পায়। কিন্তু দুখীয়া শ্ৰেণীৰ লোক পুলিচৰ ওচৰলৈ যাব নোৱাৰে আৰু কোনো দিনে পুলিচৰ পৰা সহায় নাপায়।

অধ্যক্ষ মহোদয়, মোৰ সময় কম। এটা কথা মই কম। আজি আমাৰ মন্ত্ৰীৰ সংখ্যা বাঢ়িছে। মন্ত্ৰীৰ ভ্ৰমণ বাঢ়িছে। আৰু মন্ত্ৰী সকলৰ ডিউটিৰ কাৰণে বহুত বিলাক বিষয়া জৰিত থাকিব লগীয়া হোৱাৰ কাৰণে জনসাধাৰণৰ কাম কৰিবলৈ সময় আৰু সুবিধা নাপায়।

যোৱা বছৰ নলবাৰীত কেইবাটাও হত্যাকাণ্ড হৈ গল কিন্তু আজি-লৈকে কাকো এই বিলাকৰ সম্পৰ্কত গেপ্তাৰ কৰা হোৱা নাই। আমাৰ চৰকাৰৰ যি চি আই দি আছে সেই সকলেও একো কৰিব পৰা নাই। অপৰাধী ধৰিব নোৱাৰাৰ আৰু এটা কাৰণ হৈছে অপৰাধী বিলাক যায় গাড়ীৰে আৰু আমাৰ পুলিচ যায় চাইকেলেৰে। এই বিলাক কথা লক্ষ্য কৰিব লাগে। আৰু চি আৰ পিৰ কাৰণে যিমান বিলাক লাখ লাখ টকা খৰচ কৰা হৈছে সেই দৰে খৰচ নকৰি আমাৰ নিবনুৱা লৰা বিলাকক লৈ পুলিচ বাহিনীটো শক্তিশালী কৰিব লাগে আনহাতে যান বাহনৰ সংখ্যাও বাঢ়িছে। এই বিলাক কথাৰ প্ৰতি চকু দিব লাগে। ইয়াকে কৈ মই কৰ্ত্তণ প্ৰস্তাবটোৰ সমৰ্থন কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয় যোৱা কালি মাননীয় সদস্য শ্ৰীনগেন বৰুৱা আৰু শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰি পুলিচ বিভাগটো পুনৰ সংগঠন আৰু আধুনীকিকৰণ কৰাৰ সম্পৰ্কত বিভিন্ন দিশত ভালেমান পৰামৰ্শ আগবঢ়াইছে। তাৰ পিচত ৭ জন সদস্যাই তেখেত সকলৰ বক্তব্যত মন্তব্য ডাঙি ধৰিছে। বিধান সভাৰ মাননীয় সদস্য সকলে যিখিনি পৰামৰ্শ ডাঙি ধৰিছে মই ৭ তেখেত সকলক ধন্যবাদ জনাইছো। এই বিভাগটো সক্ৰীয় কৰাৰ কাৰণে সকলোৱে চকু দিব লাগিব। অকল সেইটোৱেই নহয় যিটো বিভাগৰ ওপৰত দেশখনৰ আভ্যন্তৰি নিৰাপত্তা প্ৰশ্ন জৰিত আছে এই বিভাগটোৰ বিভিন্ন কাৰ্য্যৰ সম্পৰ্কত মাননীয় সদস্য সকল

উদ্বিগ্ন হোৱাটো স্বাভাবিক। সেই কাৰণেই তেখেত সকলে যি বিলাক পৰামৰ্শ আগবঢ়াইছে সেই বিলাকৰ ওপৰত মই কিছু কথা কব বিচাৰিছো।

শ্ৰীবৰুৱাই ডাঙৰীয়াই এই বিভাগটোৰ নিম্ন পৰ্য্যায়ৰ চাকৰিয়াল সকলৰ প্ৰতি যি খিনি দিহা পৰামৰ্শ আগবঢ়াইছে আৰু চৰকাৰে কি খিনি কৰিছে আৰু কৰিব পাৰিছে সেই খিনি কথাও মই সদনক কব খুজিছো। পুনৰ সংগঠন সংক্ৰান্তৰ বিভিন্ন কথা বিলাক কোৱাৰ আগতে শ্ৰীযুত বৰুৱা ডাঙৰীয়াই যোৱা বছৰতকৈ এই বছৰ বেচি টকা ধৰাৰ কথা উল্লেখ কৰিছে। এইটো ঠিক যে যোৱা বছৰ সদনে আৰক্ষী বিভাগৰ কাৰণে ১৪ কোটি ৮৭ লাখ ৪২ হাজাৰ ৭০০ টকাৰ অনুমোদন জনাইছিল। এই বছৰ সেই একে শিতানতে ১৭ কোটি ২৮ লাখ ১৭ হাজাৰ ৫০০ টকা ধৰা হৈছে। এই পৰিমান বৰ্দ্ধনৰ প্ৰধান কাৰণ হল দৰমহা আয়োগৰ পৰামৰ্শ অনুযায়ী ১-১-৭৩ তাৰিখৰ পৰা নতুন দৰমহাৰ নিৰিখ কাৰ্য্যকৰী কৰা, সংশোধিত নিৰিখৰ দৰমহাৰ হাৰ দিবলৈ বাকী থকা দৰমহা, তাৰোপৰি মুল্যসুচী বৃদ্ধি পোৱাৰ লগে লগেই পুলিচ বিভাগৰ প্ৰয়োজনীয় সামগ্ৰী যেনে, পেট্ৰল মবিল বেটে-লিয়ন আৰু কনিষ্টবল বিলাকলৈ যোগান ধৰা খাদ্য সামগ্ৰী কাপোৰ কানি ইত্যাদি। মাননীয় সদস্য শ্ৰীতুলাল বৰুৱাই পুলিচ কৰ্মচাৰী সকলৰ বেতন বৃদ্ধি অন্যান্য সা-সুবিধা পুলিচ বিভাগক দিবলৈ কোৱা বিষয় কেইটাৰ প্ৰতি চৰকাৰ সচেষ্ট। সেয়ে মই ভাবো এই পৰিমান বৰ্দ্ধনত কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰা শ্ৰীনগেন বৰুৱাই বিৰোধিতা নকৰি যিহেতু এই পৰিমাণ বৰ্দ্ধন সদস্য কেইজনে পৰামৰ্শ দিয়া বিভাগটোৰ উন্নয়নৰ শিতানতে খৰচ কৰা হৈছে। বিধান সভাৰ সদস্য সকলে সদনত উত্থাপন কৰা বিভিন্ন বিষয়-বোৰৰ ভিতৰত মূল যিটো বিষয় আৰক্ষী বিভাগৰ পুনৰ সংগঠন আধুনীকি কৰণ গৃহ নিৰ্মান অপৰাধ নিৰ্মূল এই কেইটা বিষয়ৰেই মই কথা খিনি আৰম্ভ কৰিছো।

১৯৭৪ ৭৫ চনৰ কালচোৱাৰ আধুনীকিকৰণ আৰু পুনৰ গঠন আচনি কাৰ্য্যকৰী কৰণৰ সম্পৰ্কে মই সদনক জনাব খোজো যে আধুনীক কৰণৰ ক্ষেত্ৰত পুলিচ বিভাগৰ দ্বাৰা ৩১ টা প্ৰস্তাৱ প্ৰস্তুত কৰা হৈছিল। আৰু তাৰে প্ৰায় সকলোবোৰ মঞ্জুৰী লাভ কৰিছে। এই প্ৰস্তাৱ বিলাক আছিল ফৰেনচিক বিজ্ঞান প্ৰয়োগশালা, চি আই ডি বিভাগ বিশেষ শাখা, অপৰাধ

অভিলেখ কাৰ্য্যালয়ৰ বাবে যে অভিজাত আৰু আধুনীক সা-সৰঞ্জাম ক্ৰয় কৰা, সংযোগ ব্যৱস্থাৰ উন্নয়ন সাধন, যান বাহন ক্ৰয়, সংযোগ ৰক্ষা আদিৰ বাবে অতি দ্ৰুতগামী ব্যৱস্থা প্ৰবৰ্ত্তণৰ বাবে বেতাৰত বাৰ্ত্তা সংযোগ কাৰী গম্বুজ স্থাপন আদিৰ বাবে ।

পুলিচ আয়োগৰ অনুমোদন ক্ৰমে ৰাজ্যখনত প্ৰায় ১৭৫ টা পুলিচ থানা স্থাপন কৰিব লাগে । ১৯৭২-৭৩ চনত অসমত চৰকাৰী ৰেইলওৱে পুলিচ থানাৰ বাহিৰে ১০৪ টা পুলিচ থানা আছিল, যোৱা বছৰত চৰকাৰে মুঠ ৬ খন নতুন থানা লোৱা হৈছে আৰু ৯ খন আৰক্ষী চকী থানালৈ উন্নিত কৰিলে । সেয়ে যোৱা দুবছৰে ১১ খন নতুন থানা আৰু ১৭ খন আৰক্ষী চকীক উন্নিত কৰাত মুঠ কেৱল থানাৰ সংখ্যাই ১০৪ ৰ পৰা ১৩২ খনলৈ বৃদ্ধি পালে আৰু ৭ টা নতুন আৰক্ষী চকী প্ৰতিষ্ঠা কৰা হল ।

এই খিনিতে এটা কথা কব লাগিব যে পুলিচ আয়োগে ৰিপোৰ্ট দাখিল কৰাৰ পিছত মই বিধান সভাত কৈছিলো পুলিচ কমিশ্যনৰ ৰিপোৰ্ট কাৰ্য্যকৰী হলে পুলিচ কমিশ্যনে কোৱা মতে প্ৰতি বছৰে ৪ কোটি ৭০ লাখ টকা প্ৰতি বছৰে লাগিব । কিন্তু এই কমিশ্যনৰ পৰামৰ্শ বিলাক কাৰ্য্যকৰী কৰিববৰ কাৰণে যোৱা বছৰ ৫০ লাখ টকা কমকৈ পাইছোঁ।

চহৰ অঞ্চলত আৰক্ষী আইন শৃংখলা স্থাপন ব্যৱস্থা চলাই থকা হৈছে । তাৰোপৰি সঘনে সংঘটিত হোৱা ঘটনাৰ বাবে জিলাই জিলাই একোজন বিষয়াক ২ টা বিভাগ চাবলগীয়া হোৱাত বহুতো কেচ পেন্দীং হৈ আছে । এই বিষয়ে পুলিচ কমিশ্যনে সজাগ কৰি দিছে ।

জনসংখ্যা বৃদ্ধি, বহিৰাগত লোকৰ সোঁত আৰু দ্ৰুত উন্নতি মূলক কাম ইত্যাদিৰ বাবে বৰ্ত্তমান চহৰ অঞ্চলত আইন শৃংখলা ৰক্ষাৰ্থে আৰক্ষী প্ৰশিক্ষন কাৰ্য্য চলোৱা অতি কষ্টকৰ হৈ অহা কথাটো সকলোৱে কৈছে, গুৱাহাটী মহানগৰীৰ ক্ষেত্ৰত এই কথা বিলাক বিশেষ ভাবে প্ৰযোজ্য। আৰক্ষী বিভাগে অপৰাধ অনুসন্ধান কৰা কৰ্মচাৰী সকলৰ পক্ষে সুকীয়া কাৰ্য্য ব্যৱস্থা নকৰাতো আৰক্ষী কৰ্ম্মচাৰী সকলৰ পক্ষে অপৰাধমূলক কাৰ্য্যত আৰু ধৰা পেলোৱা কাৰ্য্যত সন্তোষজনক ফল আগবঢ়োৱা সম্ভৱ নহয় । সেই বাবে আৰক্ষী বিভাগে আইন আৰু শৃংখলা ব্যৱস্থা কৰা, কৰ্ম্মচাৰী

সকলৰ পৰা অপৰাধ অনুসন্ধান কৰা কৰ্ম্মচাৰী সকলক পৃথক কৰি দিয়াৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। এই প্ৰস্তাৱ সদ্যহতে চৰকাৰৰ সক্ৰীয় বিবেচনাধীন হৈ আছে। গুৱাহাটী মহানগৰীত এক বৰ্দ্ধিত অপৰাধ প্ৰবনতাক বাধা দিবলৈ আৰু আইন শৃংখলা ব্যৱস্থা দক্ষতাৰে চলাবৰ বাবে নতুনকৈ ৫ টা আৰক্ষী থানা স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

গ্ৰাম্য অঞ্চলৰ আৰক্ষী থানা সমূহৰ কৰ্ম্মচাৰীৰ সংখ্যা সুস্থ ভাৱে পৰীক্ষা কৰি পোৱা গৈছে যে এই অঞ্চল সমূহত গোচৰ সমূহৰ ক্ষীপ্ৰ আৰু ফলপ্ৰদ অনুসন্ধান কাৰ্য্যৰ ক্ষেত্ৰত অনুসন্ধানকাৰী বিষয়াৰ সংখ্যা তেনেই তাকৰ। আৰক্ষী আয়োগে স্থিৰ কৰি দিয়া মাপ-কাঠি যাতে অধিক ৩০০ অতিৰিক্ত আৰক্ষী সহকাৰী পাৰদৰ্শকৰ নিযুক্তি আৱশ্যক। এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে।

সকলোবোৰ নগৰ অঞ্চলত বিশেষকৈ গুৱাহাটী মহানগৰীত দ্ৰুত গতিত বাঢ়ি অহা যান-বাহনৰ পৰিপ্ৰেক্ষিতত এই যানবাহন নিয়ন্ত্ৰণ শাখাৰ পুনৰগঠন কাৰ্য্যও চৰকাৰে হাতত হৈছে। যিটো বিষয়ে মাননীয় সদস্য ডাঃ গোস্বামী ডাঙৰীয়াই উত্থাপন কৰিছে, এই উদ্দেশ্যে ২৮৪ জন যান-বাহন নিয়ন্ত্ৰণ কনিষ্টবোল আৰু ১৯ জন প্ৰধান কনিষ্টবোল নিযুক্তিৰ আৱশ্যক। এই প্ৰস্তাৱটোও কাৰ্য্যকৰী কৰা ব্যৱস্থা লোৱা হৈছে। তাৰোপৰি মাননীয় সদস্য গোস্বামী আৰু বৰুৱা ডাঙৰীয়াই কৈছে যে মবাইল বিষয়ত দ্ৰুত গতিত আগবাঢ়িব লাগে। মই প্ৰশ্ন উত্তৰত কৈছিলোৱেই যে সীমান্তবৰ্ত্তি অঞ্চল বিলাকত ইতিমধ্যে ১৮১ খন জীপ দিয়া হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— থানাবিলাকত যি জীপ দিয়া হৈছে সেই বিলাক ক'ত থাকে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মঃ) :— থানাতে থাকে প্ৰতি জিলা আৰু মহকুমা বিলাকত থানা আছে, সেইবিলাকত জীপ দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। ডাঃ গোস্বামী ডাঙৰীয়াই পুলিচ বাহিনীৰ প্ৰশিক্ষনৰ কথা কৈছে, মই সদনত আগতেই জনাইছোঁ যে আৰক্ষী বিভাগৰ কৰ্ম্মচাৰী সকলৰ প্ৰশিক্ষনৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত সক্ৰীয় চেষ্টা চলোৱা হৈছে আৰু এই উদ্দেশ্যত উপনীত হবৰ নিমিত্তে সশস্ত্ৰ আৰক্ষী প্ৰশিক্ষন কেন্দ্ৰ আৰু নবাগত আৰক্ষী

প্ৰশিক্ষন কেন্দ্ৰ ইতিমধ্যে স্থাপন কৰা হৈছে। পুলিচ বাহিনীৰ শতকৰা ৮০ জনেই কনিষ্টবোল, সেই সকলৰ বেচি ভাগ নিৰক্ষৰ তেওঁলোকক কেনেকৈ প্ৰশিক্ষন দিব পৰা যায় সেই বিষয়ে বিশেষ ভাবে চিন্তা কৰি কাম আৰম্ভ কৰা হৈছে।

বিজ্ঞান সন্মত অনুসন্ধানত আধুনিক কৌশল আয়ত্ব কৰাৰ বাবে কলিকতা আৰু হায়দৰাবাদত থকা কেন্দ্ৰীয় চোবাং চোৱা প্ৰশিক্ষন বিদ্যালয়লৈ আমাৰ আৰক্ষী বিষয়া সকলক পঠোৱাৰ ব্যৱস্থা হাতত লোৱা হৈছে। নতুন দিল্লীত থকা অপৰাধ মুলক আৰু বিজ্ঞান সন্মত ভাৱে অপৰাধী ধৰা, শিক্ষা প্ৰতিষ্ঠানত প্ৰশিক্ষন লব বাবে গেজেটেদ বিষয়া সকলক পঠোৱা হৈছে। অনাঅস্ত্ৰবাহিনী শাখা কাৰ্য্যৰ মানদণ্ড উন্নিত কৰাৰ কথালৈ লক্ষ্য ৰাখি কনিষ্টবোল সকলৰ বাবে শিক্ষাৰ অৰ্হতা মেট্ৰিক পৰ্য্যায়ত আৰু সহকাৰী আৰক্ষী পৰিদৰ্শক সকলৰ বাবে স্নাতক আৰু গেজুৱেট পৰ্য্যায়ত স্থিৰ কৰা হৈছে। আৰক্ষী ফৌজৰ মানসিক সত্বাৰ উন্নতিৰ হকে বিভিন্ন ধৰণৰ পুনৰ পাঠ্যক্ৰম আৰু কাৰ্য্যকৰী প্ৰশিক্ষন আচঁনিও হাতত লোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ পিছত অলপ 'ফৰেন্‌চিক লেবৰেটৰী' বিষয়ে কম। এই সম্পৰ্কে বিধান সভাৰ ভালেকেইজন সদস্যই তোলা প্ৰশ্নৰ সন্দৰ্ভত উত্তৰ দিয়াৰ কাৰণে আপুনি দিয়া নিৰ্দ্দেশ অনুসৰিয়েই মই এই মৰ্ম্মে অলপ কবলৈ বিচাৰিছোঁ। ফৰেন্‌চিক বিজ্ঞানাগাৰ —জানি সুখী হব যে, কাহিলিপাৰাত ফৰেনচিক বিজ্ঞানাগাৰ নিৰ্ম্মাণ কাৰ্য্য প্ৰায় সম্পূন্ন হৈ পাৰিছে আৰু এই ৰাজ্যিক ফৰেনচিক বিজ্ঞানাগাৰত এই শাখাসমূহ ইতিমধ্যে খোলা হৈছে—(২) ৰসায়ন, (২) পদাৰ্থ বিদ্যা, (৩) জীৱতত্ব, (৪) বিৰোলজি, (৫) বিহৰ গুণাগুণ বিষয়ক শাস্ত্ৰ. (৬) নথি-পত্ৰ আৰু (৭ ফটোগ্ৰাফী শাখা। এই কেইবছৰত বিজ্ঞানাগাৰে এনে ধৰণৰ অনুষ্ঠানসমূহৰ ভিতৰত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে।

এইটো সচাকৈয়ে অতি সন্তোজনক কথা যে. আমাৰ এই ফৰেনচিক বিজ্ঞানাগাৰৰ উঠি অহা স্থানীয় বৈজ্ঞানিক সকলে গুৰুত্বপূৰ্ণ বিষয় সমূহত দক্ষ অভিমত দিয়া আৰম্ভ কৰিছে আৰু উঠি অহা উজ্জল বৈজ্ঞানিক সকলৰ কৃতকাৰ্য্যতাৰ বাবে সমানেই গৌৰৱ অনুভৱ কৰিছোঁ। প্ৰায়

ভাগ বৈজ্ঞানিকেই অসমৰ বাহিৰত প্ৰসাবিত প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তি আৰু বৰ্ত্তমানে তেওঁলোক জটিল বিষয়সমূহো দক্ষতাৰে চলাব পাৰে।

ইয়াৰ পিছত মই পুলিচ ৰেডিঅ সন্থা সম্পৰ্কে অলপ কব খুজিছো কিয়নো এই সম্পৰ্কে কেইজনমান মাননীয় সদস্যই বিশেষকৈ আমাৰ মাননীয় সদস্য শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই কিছুকথা উত্থাপিত কৰিছিল। সেই সম্পৰ্কে মই কেই আষাৰমান কথা কব খুজিছোঁ। যোৱা তিনি বছৰৰ ভিতৰত অসম পুলিচ ৰেডিঅ' সন্থাৰ বেতাৰ বাতৰিৰ মূল কাম কাজ অতিমাত্ৰাই বৃদ্ধি পাইছে। বেতাৰ সংযোগৰ ব্যৱস্থা পুলিচ থানা পৰ্য্যায়লৈকে কৰা হৈছে। যোৱা দুবছৰৰ ভিতৰত অসম পুলিচ ৰেডিঅ' সন্থাই লাভ কৰা সফলতাৰ ঘাইকৈ লেখত লবলগীয়াখিনি হল—(১) পুলিচ আয়োগে ৩৩৫ খন থানা স্থাপনৰ কথা দেখুৱাইছিল কিন্তু আমি ইতিমধ্যে এই লক্ষ অতিক্ৰম কৰিছোঁ। এতিয়া সৰ্বমুঠ ৩৭২ খন থানা স্থাপন হল। অহা বছৰত পৰ্য্যায়ক্ৰমে আৰু বহুতো থানা স্থাপন কৰাৰ সম্ভাৱনা আছে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে, ১৯৪৭ চনত মাত্ৰ ২৩ টাহে বেতাৰ কেন্দ্ৰ আছিল।

(২) পুলিচ আয়োগে কামৰূপ জিলা ভি, এইচ, এফ সংযোগ ব্যৱস্থালৈ ৰূপান্তৰিত কৰাত অনুমোদন জনাইছিল, কিন্তু কেৱল কামৰূপ জিলাতেই নহয় সমগ্ৰ ৰাজ্যখনতেই ভি, এইচ, এফ সংযোগ ব্যৱস্থাকে ঘাই ব্যৱস্থা কাৰ লোৱা হৈছে।

(৩) অসম পুলিচ ৰেডিঅ' সন্থাৰ বাবেও অতিৰিক্ত কৰ্মচাৰীৰ নিয়োগ অনুমতি পোৱা হৈছে। ইয়াৰ উপৰিও যোগাযোগ ব্যৱস্থা ক্ষিপ্ৰতৰ কৰিবৰ বাবে টেলিপ্ৰিন্টাৰ ব্যৱস্থাও প্ৰৱৰ্ত্তন কৰা হব। ইতিমধ্যে দিশপুৰ, নগাওঁ, দেৰগাওঁ, ডিব্ৰুগড়, তেজপুৰ যোৰহাট উত্তৰ লক্ষীমপুৰ, ধুবুৰী আৰু চিলচৰৰ বাবেও আৰ্থিক অনুমোদন পোৱা হৈছে। ৰাজ্যখনৰ সকলো জিলা সদৰ আৰু মহকুমাকে টেলিপ্ৰিন্টাৰ সংযোগেৰে যোগাযোগৰ ব্যৱস্থাও কৰিবৰ কাৰণে আচনিওঁ লোৱা হৈছে।

ইয়াৰ পিছত মই গুপ্তচৰ বিভাগৰ বিষয়েও কেইআষাৰমান কথা কব খুজিছোঁ। গোচৰসমূহৰ উন্নত সনুসন্ধানৰ বাবে গুপ্তচৰ বিভাগটো আধুনিক বিজ্ঞানসন্মত সা-সৰঞ্জামে সজ্জিত কৰাৰ ব্যৱস্থা কৰা হৈছে।

কৰ্ম্মচাৰী নিযুক্তিৰ ব্যৱস্থা যথেষ্ট পৰিমাণে উন্নত কৰা হৈছে আৰু তেওঁ লোকক অনুসন্ধান কাৰ্য্যত বিজ্ঞানসন্মত সজুলি ব্যৱহাৰৰ বাবে ভালদৰে প্ৰশিক্ষণ দিয়া হৈছে। কুকুৰ বাহিনী সম্প্ৰসাৰণৰ ক্ষেত্ৰতেই যাইকৈ লেখত লবলগীয়া সফলতা অৰ্জন কৰা হৈছে। সম্প্ৰতি গুৱাহাটি, যোৰহাট, ডিব্ৰুগড় আৰু নগাৱঁত ইতিমধ্যে কুকুৰৰ গড়াল স্থাপন কৰা হৈছে। তেজপুৰতো উন্নত গড়াল এটা স্থাপিত হৈছে। বিভিন্ন গড়ালত সম্প্ৰতি তলত দেখুউৱা ধৰণে কুকুৰ ৰখা হৈছে—(১) গুৱাহাটী চহৰত—৩, (২) নগাৱঁত—২, (৩) ডিব্ৰুগড়ত—২, (৪) যোৰহাট—২, (৫) তেজপুৰ-২। শিলচৰত হৈ উঠা উন্নত ধৰণৰ গড়াল এটালৈকো দুটা কুকুৰ পঠিউৱাৰ প্ৰস্তাৱ লোৱা হৈছে। শ্বিলঙত থকা নটা কুকুৰৰ ভিতৰতে দুটা শিলচৰত থাকিব আৰু বাকী কুকুৰকেইটা ডিব্ৰুগড়, হাফলঙ, ডিফু আৰু উত্তৰ লক্ষীম পুৰৰ গড়াল কেইটাৰ নিৰ্ম্মাণকাৰ্য্য শেষ হোৱাৰ লগে লগেই সেইবিলাকলৈ পঠোৱা হব। তাৰ বাহিৰেও চাৰিটা কুকুৰ পোৱালিক সম্প্ৰতি প্ৰশিক্ষণ দি থকা হৈছে আৰু সময়ত এই পোৱালী কেইটাক কামৰূপ জিলাৰ বাবে ব্যৱহাৰ কৰা হব। জালুকবাৰীত এটা কেন্দ্ৰীয় কুকুৰৰ গড়াল স্থাপন কৰা হৈছে। শুংসূত্ৰবিহীন হত্যাকাণ্ড, ডকাইটি, সিন্ধ খান্দি চুৰি কৰা ইত্যাদি ধৰা পেলোৱাত এই পুলিছ কুকুৰ বিলাকে অত্যন্ত ভাল কাম কৰিছে। কুকুৰ বাহিনীৰ ক্ষেত্ৰত অসমৰ তুলনাত ভাৰতৰ কোনো ৰাজ্যতেই সম্ভৱঃ এনেকুৱা সু-সজ্জিত বাহিনী নাই আৰু এই সফলতাৰ বাবে আমি নিশ্চয় গৌৰৱ বোধ কৰিব পাৰো।

গুপ্তচৰৰ সদৰ কাৰ্য্যালয়সমূহত এটা ৰাজ্যিক অপৰাধ নথিপত্ৰৰ কাৰ্য্যালয় স্থাপন কৰা হৈছে আৰু কিছুমান অত্যাৱশ্যকীয় বিজ্ঞান সন্মত বস্তুবাহনীৰ বাহিৰেও বৈদ্যুতিক তথ্যপাতি, প্ৰচেছিং যন্ত্ৰপাতি লাভ কৰা হৈছে। অপৰাধ আৰু অপৰাধীৰ শ্ৰেণীবদ্ধ নথি ৰখাৰ বাবে আৰু অপৰাধৰ তথ্যপাতি, গুপ্ত সংগ্ৰহৰ সংগ্ৰহকৰণ, মোকাবিলাকৰণ আৰু বিস্তৃতিকৰণৰ সকলো ক্ষেত্ৰতে জিলাসমূহৰ অনুসন্ধান কেন্দ্ৰীয় বুৰৰ লগত সম্পৰ্ক স্থাপনৰ অৰ্থেই অপৰাধ নথিপত্ৰৰ কাৰ্য্যালয়টো স্থাপন কৰা হৈছে। গুপ্তচৰ বিভাগৰ আন এটা গুৰুত্বপূৰ্ণ শাখা হল ফটোগ্ৰাফি শাখা। অপৰাধ আৰু অপৰাধীৰ সংক্ৰান্তৰ বিষয়সমূহৰ ফটোগ্ৰাফ সংগ্ৰহৰ

লগতে সেই সম্পৰ্কীয় অনুসন্ধানমূলক কাম কাজ কৰাৰ দায়িত্বও এই শাখাৰে। ফটোগ্ৰাফিৰ শাখাটো ক্ৰমান্বয়ে জিলা পৰ্য্যায়লৈকে সম্প্ৰসাৰণ কৰা হৈছে আৰু এই উদ্দেশ্যই আৱশ্যকীয় ফটোগ্ৰাফ সম্পৰ্কীয় সা-সজুলি লাভ কৰা হৈছে আৰু ফৰেনচিক বিজ্ঞানাগাৰৰ সৈতে সংশ্লিষ্ট নিপুণ ফটোগ্ৰাফাৰৰ অধীনত প্ৰশিক্ষণৰ কাৰ্য্যপ্ৰণালী ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই কথাও উল্লেখযোগ্য যে, খৰতকীয়া তদন্ত আৰু অনুসন্ধানৰ উদ্দেশ্যে অপৰাধমূলক দৃশ্যবোৰৰ ফটোগ্ৰাফ লবৰ কাৰণে প্ৰতিটো পুলিচ থানাতে ফ্লিক্‌কেমেৰা ৰখাৰ ব্যৱস্থা আছে। গোচৰ অনুসন্ধানৰ বিজ্ঞান সম্মত সজুলিৰ ক্ষেত্ৰত লাভ কৰা এইটো এটা বিশেষ সফলতা আৰু আমি আটায়ে সুখী হব লাগিব যে, অসম পুলিচে ব্যৱসায়িক ধৰণেৰে আধুনীকিকৰণৰ কাৰ্য্যসূচীৰে অগ্ৰসৰ হবলৈ ধৰিছে।

গুপ্তচৰ বিভাগত কেইটামান বিশেষীকৃত বাহিনীও গঠন কৰা হৈছে। সেইবোৰ হল—(১) হমিচাইড বাহিনী, (২) ? — প্ৰপাৰ্টি অফেনচেছ, (৩) হোৱাইট কলাৰ ক্ৰাইম স্কোৱাদ, (৪) ইকনমিক অফেনচেছ স্কোৱাদ, (৫) এন্টিভাইচড্ স্কোৱাদ, (৬) জুভেনাইল স্কোৱাদ, (৭) কমপ্লেইন্ট এণ্ড মিছেলেনিয়াছ এনকুৱাৰিজ স্কোৱাদ আৰু ক্ৰিমিনেল ইন্টেলিজেঞ্চচেল। প্ৰশিক্ষণ প্ৰাপ্ত জনশক্তিৰ অভাৱত এই বাহিনীসমূহে সম্প্ৰতি কেইজনমান কৰ্ম্মচাৰীৰ সৈতে কাম চলাই আছে। আৰু অনুসন্ধানকাৰী কৰ্ম্মচাৰী সকলৰ গুণাগুন উন্নতিৰ বাবে নিৰ্দিষ্ট ব্যৱস্থা লোৱা হৈছে। আৰু এইটো যুক্তিসংগত ভাৱেই আশা কৰিব পাৰি যে, অদূৰ ভৱিষ্যতত এই আটাইবোৰ বাহিনী সম্পূৰ্ণৰূপে সক্ৰিয় হৈ উঠাৰ লগতেই সমাজৰ প্ৰতি থকা কৰ্ত্তব্যও তেওঁলোকে সম্পাদন কৰিব পাৰিব।

অধ্যক্ষ মহোদয়, আমাৰ দুৰ্নীতি নিবাৰণ শাখাই ১৯৭৩ চনত কৰা ৯৯ টা তদন্ত কাৰ্য্যৰ ঠাইত ১৩৯ টা তদন্ত কাৰ্য্য চলাইছে। এই শাখাই ১৯৭৩ চনত ১৭ জন চৰকাৰী বিষয়াৰ বিৰুদ্ধে আৰু ১৯৭৪ চনত ৩০ জন চৰকাৰী বিষয়াৰ বিৰোদ্ধে শাস্তিমূলক ব্যৱস্থাৰ দিহা দিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— তেওঁলোকৰ বিষয়ে কোৱা হোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) :— সেইটো কোৱা হব।

ইয়াৰ পিচত আমাৰ কৰ্ত্তন প্ৰস্তাৱত অগ্নি নিৰ্বাপক সন্থাৰ কথাও উল্লেখ কৰা হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে, যোৱা বছৰ ৪টা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপন কৰা হৈছিল আৰু এই বছৰো ৪টা নতুন কেন্দ্ৰ স্থাপনৰ অনুমোদন পোৱা গৈছে। অগ্নি নিৰ্ব্বাপক সন্থাৰ সজুলিবোৰৰ অৱস্থা বৰ সন্তোসজনক নহয়। মাননীয় সদস্য এগৰাকীয়ে কনিষ্টবল বিলাকৰ ঘৰৰ কথা কৈছে। ইতিমধ্যে যোৱা ২ বছৰে আমাৰ মেৰিদ কনিষ্টবল বিলাকক মুঠ ২২৩ টা ঘৰ, এ, এচ, আই, হাবিলদাৰক ৯৮ টা, চাব ইন্সপেক্টৰক ১৬৯ টা, ইন্সপেক্টৰ অফ্ পুলিচক ৫২ টা ঘৰ দিয়া হৈছে। আৰু বেচলৰ সকলৰ কাৰণে বেৰেক ৮০০ সাজি দিয়া হৈছে। লৰা লৰি হোৱাৰ কাৰণে কিছুমান ঘৰ সজা হোৱা নাই। আৰু পিচত এই ঘৰবিলাক সজাৰ ব্যৱস্থা কৰা হব।

অধ্যক্ষ মহোদয়, আমাৰ বৰুৱা ডাঙৰীয়াই কনিষ্টবলবিলাকৰ দৰমহা বঢ়াই দিয়াৰ কথা কৈছে। পুলিচ কমিচনৰ ৰিকমেনদেচন মতে তেওঁলোকৰ দৰমহা ৯০ টকাৰ পৰা বাঢ়ি গৈ ২০০ টকা হৈছে। এ, এচ, আইৰ দৰমহা আগতে আছিল ১৪০ টকা এতিয়া কৰা হল ২২৫ টকা। ইয়াৰ বাহিৰেও কনিষ্টবল বিলাকে ৰেচন আদি পাই থাকে।

মহোদয়, ইয়াৰ পিচত মাননীয় সদস্য শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই কৈছে যে, আমাৰ পুলিচ বিভাগতো সু-সজিত কৰা ব্যৱস্থা কৰিব লাগে। আমাৰ কনিষ্টবল বিলাক আমি এতিয়া শিক্ষিত লৰা লব ধৰিছো। আৰু তেওঁলোকৰ যাতে ভাল হয় তাৰ কাৰণে চিন্তা কৰা হৈছে। আগতে টকা পইচা নোপোৱাৰ কাৰণে এইবিলাক কাম কৰিব পৰা নাই।

ধান সংগ্ৰহৰ ক্ষেত্ৰত মই কব বিচাৰো যে, পুলিচ বাহিনীয়ে আইন কাৰ্য্যকৰী কৰিবলৈ হলে কিছুখিনি কাম কৰিবই লাগিব। বহুতো ঠাইত পুলিচ আৰু মানুহৰ মাজত ভুল বুজা বুজি হব পাৰে। আৰু যদি পুলিচ পক্ষৰ পৰা কিবা বেয়া ব্যৱহাৰ কৰা হৈছে সেইটো একমাত্ৰ দেশৰ স্বাৰ্থ ৰক্ষাৰ খাতিৰতহে কৰা হৈছে। কোনো দলৰ বা ব্যক্তিগত স্বাৰ্থৰ কাৰণে এইটো কৰা হোৱা নাই। আমাৰ পুলিচ কমিচনৰ পৰামৰ্শ ইতিমধ্যে উল্লেখ কৰা হৈছে।

আমাৰ ইয়াত ৮ জন দি, আই, জিৰ ব্যৱস্থা আছে। কিন্তু

২ জন এদিচনেল আইজিপি নাই। পুলিচ কমিচনৰ ৰিপোৰ্টত ওৱাৰলেচ বিভাগতো এজন দি, আই, জি ৰখাৰ কথা কৈছে। এতিয়া পুনৰ পুলিচ বিভাগত নিম্ন পদৰ বাবে ২।। হাজাৰ পদ সৃষ্টি কৰা হৈছে। আগতে দি, আই, জি আৰু, চি, আই, দি অফিচ কেইটা একেলগে আছিল।

মহোদয় মাননীয় সদস্যই কৈছে যে, আমাৰ ইয়াত অপৰাধীৰ সংখ্যা বাঢ়িছে। ১৯৬৪ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত আমাৰ ভাৰতে বেচি কেচ ৰেজিষ্টাৰ কৰা হৈছে। ইয়াৰ কাৰণ এই যে, সত্যাগ্ৰহ আদি কাৰণেও এৰেষ্ট কৰা হয়। আমাৰ ইয়াত কেচ এতিয়ালৈকে হৈছে ৫ হাজাৰ ৩00 শ ৯১ জন।

আমাৰ অপৰাধৰ পৰিসংখ্যামতে ১৯৭২, ৭৩, ৭৪ চনৰ সময় ছোৱাৰ অপৰাধৰ সংখ্যা আমাৰ মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই কোৱাতকৈ বহুত বেছি। ১৯৭২ চনত ২৬, ৮৬৫, ১৯৭৩ চনত ৩২৭০০ আৰু ১৯৭৪ চনত ৩৬, ৮২১। ইয়াৰ পৰা মাননীয় সদস্য সকলে নিশ্চয় বুজিব পাৰিছে যে, আমাৰ ফালৰ পৰা সত্যক গোপন কৰিবলৈ কোনো প্ৰচেষ্টা চলোৱা হোৱা নাই। অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গতে আপোনাৰ অনুমতি লৈ এই সমস্যাৰ ওপৰতে পুলিছ কমিচনৰ প্ৰতিবেদনৰ পৰা সৰু অংশ এটি উদ্ধৃতি দিব খুজিছোঁ।

"The statistics of crime as conceived at present, are responsible for creating the most important distortation in police work. On account of undue emphasis on the comparative statistics of crime in judging the purpose of police officers, there is always the tendency of missing a flattering picture by resorting to minimisation and concealment. The damaging the sections that flow from this tendency have been explained on the Chapter VIII of our report by what is more serious, it makes the police unnecessarily dishonest in the eyes of the public as well as in their own and this one factor is greatly respon-

sible for distorting the police image. A complete change in psychology in this respect is an urgent need. No purpose is served by adopting a ostrich-like policy. The rising trends of crime must be recognised and faced boldly. It is only then that police work will become more straighforward and it would also be possible for the police to plan their strategy properly and effectively for dealing with situation."

অধ্যক্ষ মহোদয়, এইটোৰ ওপৰত 'বেচিছ' কৰিয়েই থানা বিলাকক কেছ বিলাক ৰেজিষ্টাৰ কৰিবৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে। এইটো কথা স্বীকাৰ কৰিব লাগিব যে, কেছৰ সংখ্যা বছৰে বছৰে বাঢ়িছে। সেই-বুলি সকলো বিলাক কেছেই যে, ৰেজিষ্টাৰ কৰিব লাগিব সেইটো নহয়। কেছৰ নেচাৰ আৰু ট্ৰেন্দ', নেচাৰ অৰ্‌দি ক্ৰাইম' এইসকলোবিলাক পৰীক্ষা কৰিহে কেছ ৰেজিষ্টাৰ কৰা হয়। আমাৰ দেশত ক্ৰাইম সদায় বাঢ়িবই লাগিছে। সেই কাৰণেই 'ক্ৰাইম চেক্‌শ্বন' বুলি এটা চেপাৰেট' শাখা খুলিবৰ কাৰণেও থিক কৰা হৈছে। ১৯৬৪ চনৰ পৰাই আইন শৃংখলাৰ পৰিস্থিতি ক্ৰমান্বয়ে বাঢ়িছে। সেইকাৰণেই থানাত থকা বিষয়া সকলে অন্যকাম কৰিবলৈ বেছি সময় কৰিব নোৱাৰাৰ অজুহাত দেখুৱায়। গতিকেই আমি আশা কৰিছোঁ যে, এই 'ক্ৰাইম' চেক্‌শ্বন'টো আভৰাই লব পাৰিলে আশা কৰো অহাবছৰ মানে আমি বহুত ইমান দিনে ফয়চলা নোহোৱা কেছোঁ ফয়চলা কৰিব পাৰিম।

শ্ৰীজগদীশ চন্দ্ৰ দাস :— মাননীয় মন্ত্ৰীমহোদয়ে কৈছে যে, প্ৰত্যেক বছৰে ই আমাৰ ৰাজ্যখনত 'ক্ৰাইম'ৰ সংখ্যা বাঢ়িছে। প্ৰত্যেক বছৰেই 'ক্ৰাইম প্ৰিভেন্সন উইক্' পালন কৰাৰ পিছতো 'ক্ৰাইম'ৰ সংখ্যা ইমান কিয় বাঢ়িছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মঃ) :— মানুহৰ ব্যক্তিগত চৰিত্ৰ ভাল নহলে 'ক্ৰাইম প্ৰিভেঞ্চন উইক্' পালন কৰিলেও কামত নাহিব ; সি যিয়েই নহওঁক বাৰু পুলিচে ৰাজনীতিত অংশ লৈছে বুলি আৰু জনস্বাৰ্থবিৰোধী কাম কৰিছে

বুলিও অভিযোগ আহিছে। এই বিষয়ে সদনত কেইবাবাৰো বহলাই আলোচনা কৰা হৈছে। গতিকে এই বিষয়ে তুনাই মই একো কব নোখোজোঁ। পুলিচে নির্ভীক ভাবে আৰু সৎ সাহসেৰে নিজৰ কর্ত্তব্য সম্পাদন কৰিব। এই সম্পর্কে মই কব খোজো যে, যেতিয়া কোনো বিশেষ দুর্নীতিৰ অভিযোগ আমাৰ দৃষ্টি পাত হৈছে, আমি উপযুক্ত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছো। এই ক্ষেত্ৰত উচ্চপদস্থ পুলিচ বিষয়াইও অব্যাহতি পোৱা নাই। অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীতুলালচন্দ্ৰ বৰুৱা ডাঙৰীয়াই পুলিচৰ সা-সুবিধাৰ সম্পৰ্কত কেইবাটাও সাৰগৰ্ভ পৰামৰ্শ দাঙি ধৰাৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। পুলিচ কমিচনৰ অনুমোদন সাপেক্ষে আমি পুলিচ বিভাগৰ নিম্নতম কর্ম্মচাৰীৰ সকলো প্ৰকাৰৰ সা-সুবিধাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰি আছোঁ। অধ্যক্ষ মহোদয়, মই বিনীত ভাৱে এই কথা নিবেদন কৰিব খোজো যে, আমাৰ পুলিচ বাহিনীৰ নিম্নতম পর্য্যায়ৰ মানুহখিনিৰ সা-সুবিধাৰ প্ৰতি চৰকাৰ সম্পূৰ্ণ সজাগ আছে। তেওঁলোকৰ আনুগত্যৰ ওপৰত আমাৰ বিন্দুমাত্ৰও সন্দেহ নাই। মই এই কথা দৃঢ় ভাৱে কব পাৰো যে, তেওঁলোকৰ আনুগত্য আৰু কষ্ট স্বীকাৰ কৰিব পৰা ক্ষমতাৰ কোনো তুলনা নাই। আমাৰ জাতীয় জীৱনত যেতিয়াই কিবা এটা দুৰ্য্যোগ আহিছে এই পুলিচ বাহিনীয়ে সদায় দেশৰ আৰু জাতিৰ বাবে চৰম ত্যাগ কৰি আহিছে। মই এই খিনিতেই দুখৰে সৈতে এই কথা কবলাগিব যে, তাৰ বিনিময়ত তেওঁলোকে পাবলগীয়া বহু সা-সুবিধা এতিয়াও পোৱা নাই যদিও চৰকাৰে তেওঁলোকক দিবলগা সা-সুবিধা খিনি দিবলৈ অকণো কৃপণালি কৰা নাই।

অধ্যক্ষ মহোদয়, এই সদনৰ মজিয়াত উচ্চাৰণ কৰা প্ৰত্যেকটো শব্দৰ যথেষ্ঠ গুৰুত্ব আছে। আশাকৰো, চৰকাৰৰ সমালোচনা কৰাৰ সময়ত আমাৰ প্ৰত্যেক জন মাননীয় সদস্যই সজাগ হৈ থাকিব।

তাৰ পিছত অধ্যক্ষ মহোদয়, চি, আই, ডি বিভাগত ৭৮ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ শ্ৰীবৰুৱাই তুলিছে। সেইটো একেবাৰেই গো-কাত্ মিছা কথা। সদনৰ জ্ঞাতাৰ্থে মই জনাও যে এছ, বিত এটা টকা আত্মসাৎ কৰা অভিযোগৰ তদন্ত চলি আছে। এই ৭৮ লাখ টকা আত্মসাত হোৱা নাই। এই বিভাগটো জড়িত হোৱা মাত্ৰ একবছৰহে

হৈছে। এ, জিৰ ৰিপৰ্টত ধৰা পৰা একলাখ পয়ত্ৰিশ হাজাৰ 'মিছ এপ্ৰ-প্ৰিয়েশ্বন'ৰ কেছ এটা এছ বিত ধৰা পৰিছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মঃ) ঃ—চি, আই, ডি বিভাগটো একেবাৰে সুকীয়া। 'স্পেছিয়েল ব্ৰান্স' বিলাক সুকীয়াকৈ ৰাখিছোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—মাননীয় মন্ত্ৰীমহোদয়ে, এই 'ব্ৰান্স'টো অনাৰ মাত্ৰ এবছৰহে হৈছে বুলি কৈছে। এইটো আগতে কত আছিল? এই 'ব্ৰান্স'ৰ বৰ্ত্তমান ডি, আই, জি জন কোন? এই যিটো টকাৰ' মিছ এপ্ৰপ্ৰিয়েশ্বন' হৈছে এইটো এই 'ব্ৰান্স'টো ভাঙি অনাৰ পিছত হৈছেনে আগতে হৈছে? সকলো চি, আই, ডি বিভাগতে জড়িত নহয় জানো?

শ্ৰীহিতেশ্বৰ শইকীয়া (মঃ) ঃ—জড়িত কথাটো থিক। এবছৰৰ আগতে ডি, আই, জি '( চি, আই, ডি-এ ) থিক কৰিছে। 'এছ, বি' ব্ৰান্সত এইটো চলিছে। সেইকাৰণেই চি, আই, ডি বিভাগত হোৱাটো সত্য নহয় বুলি কৈছোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—এইটো কেছৰ যিটো পিৰিয়দ সেইসময়ত এই দুয়োটা ব্ৰান্স একেলগেই আছিল। দুজন ডি, আই, জিৰ শাসনৰ তলত এই ব্ৰান্সটো আছিল। মন্ত্ৰীমহোদয়ে, এই 'মিছ এপ্ৰ প্ৰিয়েশ্বন' এবছৰৰ ভিতৰত হোৱা বুলি কৈছে কিন্তু আমি জনাত যোৱা চাৰি বছৰৰ পৰাই এই অপচয় হৈ আছিল।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মঃ ) ঃ—অধ্যক্ষ মহোদয়, এই কথাটো চাব লাগিব। শ্বিলঙত থাকোতেই এইটো ঘটিছিল। সেইকাৰণেই মেঘালয়েও এইটো তদন্ত চলাই আছে। অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ মাননীয় সদস্যই 'হ'ম গাৰ্ড, ভি, ডি, পি'ৰ ক্ষেত্ৰত উল্লেখ কৰিছে। আৰু 'হ'ম গাৰ্ড'ৰ লোক সকলে খাবলৈ নোপোৱাৰ কথা কৈছে। প্ৰশিক্ষণ শেষ হোৱাৰ পিছত তেওঁলোকক এৰি দিয়া হয়। যি বিলাক বিভাগত তেওঁ বিলাকৰ প্ৰয়োগ আৰু প্ৰয়োজন থাকে তাত যিমান নিয়োগ কৰিব লাগে সেইঁ পৰিমাণে নিয়োগ কৰা হয়। যি বিলাক বিভাগত এইঁ 'হ'ম গাৰ্ড' সকলক প্ৰয়োজন

অনুসাৰে নিয়োগ কৰা হয় সেই বিলাক বিভাগেই তেওঁবিলাকৰ সকলো বিলাক খৰছপাতি বহন কৰে। এনেক্ষেত্ৰত তেওঁবিলাকে খাবলৈ নোপোৱাটো নহয়। কৰবাত যদি তেনেকুৱা হৈছেও তেতিয়াহলে, সেইটো অনুসন্ধান কৰি ব্যৱস্থা লম যাতে তেনেকুৱা হব নোৱাৰে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—আমাৰ যিবিলাক 'চেকগেটত' 'হ'মগাৰ্ড' নিয়োগ কৰা হৈছে সেইবিলাকৰ দৰ্ম্মহা পাতি কোনে বহন কৰে? এইক্ষেত্ৰতে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে, গোলাঘাটত থকা এটা 'চেক্‌গেটত' যি বিলাক হ'ম গাৰ্ডক কামত লগোৱা হৈছে তেওঁবিলাকে আজি তিনিমাহেও কোনো টকা পইচা আদি পোৱা নাই। তদুপৰি তেওঁবিলাকৰ কাপোৰ-কানি, খোৱা-বোৱা আদিৰ বন্দবস্তি নোহোৱা কথাটোৰ প্ৰতি ডি, চি আৰু এছ, পিৰ দৃষ্টি আকৰ্ষণ কৰা স্বত্বেও কোনো ব্যৱস্থা লোৱা দেখা নগল। এই যে,—'চেক গেট'ত নিয়োগ কৰা হৈছে সেইটো টকা কোনে দিব?

শ্ৰীহিতেশ্বৰ শইকীয়া (মঃ) :—পুলিচ বিভাগে সহায় কৰিছে।

অধ্যক্ষ মহোদয়, মই কৈছো পুলিচ বিভাগে যোগান বিভাগক সহায় কৰিছে। এই হোমগাৰ্ডৰ কাৰণে যোগান বিভাগৰ পৰা সাত লাখ টকা পাইছো। সেই সাত লাখ টকাৰ পৰা যাৱতীয় খৰচ আৰু দা-দৰ্ম্মহা পাব। তেওঁলোকে অতি সোনকালে টকা পইচা পাব তাৰ বাবে প্ৰতিশ্ৰুতি দিছো। অধ্যক্ষ ডাঙৰীয়া, ডঃ গোস্বামী ডাঙৰীয়াই ভালেকেইটা কথা উত্থাপন কৰিছে তেখেতে দিয়া পৰামৰ্শ বিলাক যুক্তিসঙ্গত আৰু এই খিনি কৰিবলৈ যাওঁতে এই বিভাগটো যে জনসাধাৰণৰ আৰু যে কাষ চাপি যাব এইটো সত্য। তেখেতে দাঙি ধৰা প্ৰায় বিলাক কথা ইতিমধ্যে হাতত লৈছো, আমি পুলিচ বিভাগ পুনৰগঠন কৰিবলৈ যাওতে এই বিলাক কথা বিবেচনা কৰিম। তেখেতে আৰু কৈছে পুলিচ চাৰ্জন নিয়োগ কৰিব লাগে। এই আচনি আমাৰ নাই। পুৰণি ৰীতিত দুই চাৰি জন লৈ থকা হৈছে। পুলিচ চাৰ্জনৰ সংখ্যা আৰু বঢ়াব পাৰি নেকি তাক পৰীক্ষা কৰি চাম। আন এটা কথা হল এই বিভাগটো ওপৰ গধুৰ হৈছে। এই বিষয়ত কি পৰিপ্ৰেক্ষিতত এই বিভাগটো

কি ধৰণে পুনৰ গঠন কৰা হৈছে ইতিমধ্যে কৈছোৱেই। তাৰ পিচত পাৰ্চেজ বোৰ্ড সম্পৰ্কত কৈছে। বাহিৰৰ পৰা বস্তু আনে এই পাৰ্চেজ বোৰ্ডৰ জৰিয়তে। বাহিৰৰ পৰা লাখ লাখ টকাৰ বস্তু আহিছিল। কিন্তু যোৱা বছৰৰ পাচ হাজাৰ টকাৰ হুইচেল, ৰচি, পুলিচ বিভাগৰ কাৰণে প্ৰয়োজন হোৱা চোলা, পেণ্ট, চুয়েটাৰ, মুজা আদি বাহিৰৰ পৰা কিনিছিল। অধ্যক্ষ ডাঙৰীয়া, এতিয়া প্ৰত্যেক ৰিজাৰ্ভত আৰু প্ৰত্যেক বেটেলিয়ানত ঔমেন ওৱেল ফেয়াৰ চেণ্টাৰ খুলিছো। গৰম চুয়েটাৰ চোলা আদি চিলাবৰ কাৰণে চিলাই কল দিছো। পুলিচ বিভাগত কাম কৰা নিম্ন খাপৰ কনিষ্টবলসকলৰ পৰিবাৰ এই চেণ্টাৰৰ সদস্য। তেওঁলোকক বজাৰৰ পৰা কাপোৰ কানি কিনি দিও তেওঁলোকে গৰম চুৱেটাৰ চোলা মোজা আদি বনায়। ৰিজাৰ্ভত আৰু বেটেলিয়ানত থকা নিম্ন খাপৰ কৰ্ম্মচাৰীসকলৰ পৰিবাৰ সকলে কোনোৱে ১২ শ টকা পৰ্য্যন্ত উপাৰ্জন কৰা তথ্য মোৰ হাতত আছে। ইয়াৰ দ্বাৰা বাহিৰলৈ যাতে টকা নাযায় আৰু তলৰ শ্ৰেণীৰ কৰ্ম্মচাৰীসকলৰ পৰিবাৰ সকলে যাতে মুনাফা পায় তাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—ঔমেন ওৱেলফেয়াৰ চেণ্টাৰ কত কত আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া :—সকলো ৰিজাৰ্ভত আছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—অন্য ঠাইত নাই নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া :—অন্য ঠাইত নাই। তাৰ পিছত হস্পাতালৰ কথা কৈছে। এইটো ঠিক যে পুলিচ বিভাগত কাম কৰা বিশেষকৈ তলৰ শ্ৰেণীৰ কৰ্মচাৰী সকলক বিশেষ স্বাস্থ্যৰ ব্যৱস্থা কৰি দিব পৰা নাই। তেওঁলোকে বিভিন্ন ঠাইত থকা চিভিল হাস্পাতাল আৰু ডিচপেন্সৰী বিলাকৰ আশ্ৰয় লব লগা হয়। তেওঁলোকক আৱশ্যক হলে বিশেষ মঞ্জুৰী আজিকালি হৈছে দি মেডিকেল কলেজলৈ পঠোৱা হয়। ডেৰগাৱত ডিচপেন্সেৰীখন পূৰ্ণ পৰ্য্যায়ৰ ডিচপেন্সেৰী। ইয়াক পূৰ্ণ পৰ্যায়ৰ চিভিল হাস্পাতাল কৰিব পাৰি নেকি তাৰ চেষ্টা চলাই আছো। আৰ্থিক অনুদান পালে কৰিব পৰা যাব। তেখেতে মেডিকেল কলেজত মৰণোত্তৰ পৰীক্ষা কৰাৰ কথা কৈছে। ডিচপেন্সেৰী বিলাকত মৰণোত্তৰ পৰীক্ষা কৰিব পাৰি, এইটো

নিশ্চয় খুব ভাল পৰামৰ্শ। এইটো পৰীক্ষা কৰি চোৱাৰ আশ্বাস দিছো। আমাৰ শ্ৰীআহম্মদ চাহাবে পুলিচ বিভাগৰ মনোবৃত্তি পৰিবৰ্ত্তন কৰাৰ কথা কৈছে আৰু যি সকল সং চৰিত্ৰৰ লোক তেওঁলোকক পুলিচ বাহিনীত নিয়োগ কৰাৰ কথা কৈছে। অধ্যক্ষ ডাঙৰীয়া, পুলিচ বিভাগত এই মনো বৃত্তি বৃটিচৰ দিনত আছিল, এতিয়াও তেনে মনোবৃত্তি বহুতৰ আছে এইটো সত্য। সেই বিলাক নিশ্চয় নিকা কৰিব লাগিব আৰু যাতে তেওঁলোকক চৰকাৰৰ প্ৰগতীশীল নীতিবিলাক কাৰ্য্যকৰী কৰাত লগাব পাৰো তাৰ কাৰণে চেষ্টা কৰিম। শ্ৰীকবীৰ ৰায় প্ৰধানী ডাঙৰীয়াই ভাল কথা কৈছে। তাৰ ভিতৰত ভি, ডি, পিৰ কথা কৈছে। তেখেতে কৈছে ভিডিপিয়ে ১০ টকাত চলিব পাৰে নেকি? পুলিচ বিভাগ পুনৰ গঠন কৰিবৰ সময়ত এই কথাটো বিবেচনা কৰি ব্যৱস্থা কৰা হব। আৰু তেখেতে প্ৰায়ে কৈ থকা কথা কৈছে। বৰ্ডাৰ চিকিউৰিটি ফৰ্চৰ কথা আৰু সীমান্তত গৰু নিয়া কথা কৈছে। এইটো যাতে কৰাব পাৰি তাৰ কাৰণে চেষ্টা কৰিছো। শ্ৰীমতী গোস্বামীয়ে পুলিচ ৰিকমেণ্ডেচনৰ ভালেখিনি কথা কৈছে। তেখেতে এটা কথা কৈছে যে ভি, আই, পি পুলিচ নিয়োগ কৰিব নালাগে। আমি মাত্ৰ ফৰ্ম্মেলিটি অবজাৰ্ভ কৰিবৰ কাৰণে চেষ্টা কৰিছোঁ। কুকুৰে ভাল কাম কৰিব পৰা নাই, বুলি কৈছে। কুকুৰ বাহিনীৰ মাত্ৰ এবছৰ হল। একেবাৰে নতুন অৱস্থাত, সৰু সৰু পোৱালি, প্ৰশিক্ষণ দি থকা হৈছে। নিশ্চয় সময়ত ভাল কাম কৰিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—কুকুৰক কম কম খাদ্য দিলে ঠিকমতে কাম কৰিব নোৱাৰে। সেই হিচাবে মানুহৰ বেলিকা কথাটো ভাবিব।

শ্ৰীহিতেশ্বৰ শইকীয়া :—বেছি খাদ্য দিয়া হব। শ্ৰীবৰা ডাঙৰীয়াই পুলিচ বিভাগৰ মূৰব্বী সম্পৰ্কে ভালেখিনি কথা কৈছে। এতিয়া মই সেইখিনি কব পৰা অৱস্থাত নাই। তদন্ত কৰি কি পাও সদনক বা সদস্য গৰাকীক জনাব পাৰিম। ঘৰ আদ সজা সম্পৰ্কত সেই বিলাকৰ উত্তৰ দিব নোৱাৰিম। নিশ্চয় এই খিনিৰ ব্যৱস্থা লম। তাৰ পিচত শ্ৰীতালুকদাৰ ডাঙৰীয়াই উল্লেখ কৰছে যে কেনেকৈ আন্দোলন বিলাক মষিমুৰ কৰিবৰ কাৰণে আৰু উচ্চ পদস্থ বিষয়াসকলে কণিষ্টবল সকলক শ্লেভ হিচাৱে ব্যৱহাৰ কৰিছে। সেই দিন নাই। কনিষ্টৱলক শ্লেভ হিচাবে ব্যৱহাৰ

কৰিব পাৰে জানো। দায়েৰীত ঘাহঁ কটা সম্পৰ্কত তদন্ত কৰি চাব লাগিব। এচ, পিয়ে আগৰ নীতি মতেই দুই তিনিজন অৰ্ডাৰলি পায়, সা-সুবিধাৰ কাৰণে পায়। এইবিলাক বেয়া কামত যাতে নলগায় তাৰ কাৰণে নিশ্চয় সেই ব্যৱস্থা কৰিব লাগিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানি :—মই নিজে চকুৰ আগত দেখিছো কনিষ্ঠবলক উচ্চপদস্থ বিষয়াসকলে জোতা পৰিস্কাৰ কৰিবলৈ লগায়, খৰি ফালিবলৈ লগায়। তেওঁলোকে দুখ কৰি কৈছে কব নোৱাৰে কলে চাকৰি যাব। চিকিউৰিটিৰ কামত লগাওক আপত্তি নাই। সেইবিলাক যাতে নকৰে তাৰ কাৰণে ইন্‌ষ্ট্ৰাকচঁন দিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া :—সেই দিন উকলিল। মেট্ৰিকোলেট যুৱক প লিচ বিভাগত লগাইছো।

শ্ৰীদুলাল বৰুৱা :—কাগজে পত্ৰে উকলিল। ডাঙৰ ডাঙৰ বিষয়াই অৰ্ডাৰলিৰ দ্বাৰাই নিজৰ পৰিবাৰৰ কাপোৰ-কানি ধোওৱাটো জানেনে নাজানে?

শ্ৰীহিতেশ্বৰ শইকীয়া : তেনে দৃষ্টান্ত থাকিলে নিশ্চয় কঠোৰ ব্যৱস্থা লম।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—ধৰাটো টান, নৈতিকতাৰ কথা, এনে হোৱাটো উচিত নহয়।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ—শ্ৰীমতী বৰকটকীয়ে ভালে কেইটা কথা উত্থাপন কৰিছে। তেখেত নাই তথাপি উত্তৰ দিব লাগিব। তেখেতে কৈছিল বাউলিং কৰি দুজন মন্ত্ৰী আতৰাইছে। ফিল্ডৰ পৰা আতৰোৱা নাই।

শ্ৰীমতী বৰকটকী ডাঙৰীয়ানীয়ে বাউলিঙৰ কথা কৈছে। আগতে মহিলাই ক্ৰিকেট নেখেলিছিল যদিও আজি কালি দুই চাৰিয়ে ক্ৰিকেট খেলে। শ্ৰীমতী বৰকটকীয়ে মোৰ ওপৰত পোনপটীয়া আক্ৰমণ কৰিছে। মহিলাই ক্ৰিকেট খেলিলেও আন্দাৰ হেণ্ড বাউলিং কৰে। তেখেতে পুলিচ বিভাগত ৰাজনৈতিক স্বাৰ্থ থকাৰ কথা কৈছে।

Smti Renuka Devi Barkataki ঃ— Sir, I did not say that. I said that presently these two Ministers are facing heavy

bowling and they are pratically off the field.

শ্ৰীহিতেশ্বৰ শইকীয়া :— সেই কাৰণেই মোৰ ওপৰত বাম্প্যাৰ বাউলিং কৰিছে ? পুলিচক ৰাজনৈতিক কামত খটুৱা কথাটো সত্য নহয়। পুলিচৰ নিজস্ব আইন আছে সেই মতেই তেওঁলোকে কাম কৰি যায়।

( ভইচ - মন্ত্ৰী হিচাবে যি অৰদাৰ দিয়ে সেই মতেই কাম কৰে )

সেই হিচাবে কাম কৰা নহয়। চৰকাৰৰ অৰ্দাৰ হিচাবেহে কাম কৰা হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অফিচাৰ যি খিনি আছে তাঁৰে এজন থাকে ঘোৰাত উঠাত ব্যস্ত আৰু আন কেইজন ঘোৰাৰ আশে পাশে ব্যস্ত থাকে।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— অধ্যক্ষ মহোদয়, এইটো কথা সত্য নহয়। সেই দিনা কথাটো আছিল এনে ধৰণৰ। মই ৰাজ্যিক মন্ত্ৰী হিচাবে থাকোতেই নগাওঁ জিলাৰ শিক্ষক সন্থাৰ এখন মিটিঙলৈ মোক এক মাহৰ আগতেই মাতিছিল। তেতিয়া আমাৰ ৰাজ্যিক মন্ত্ৰী ৰবায়ে কৈছিল যে আগতে গলে ভাল। মন্ত্ৰী গলে চিকিয়ৰিটি যোৱাৰ ব্যৱস্থা আছে। কিন্তু মই সেইটো গ্ৰহণ কৰা নাছিলো। সেই দিনা মই যাওতে পুলিচ বিভাগকো কোনো খবৰ দিয়া নাছিলো। সেই দিনা মই ৰাতিপুৱা মুখ্য মন্ত্ৰীক গৈ কৈছিলো যে চাৰ, মই নগাৱলৈ যাব লাগে। তাৰ পিচত নগাৱলৈ গলো। তাত মিটিং কৰি ভাত খাই থাকোতেই এগৰাকী শিক্ষয়ত্ৰী আহি কলে যে ৰঙা পুলিচ আহিছে। তাৰ পিচত মই চাৰকুইত হাউচলৈ গলো। তাত তেখেত সকলে মোক চেলুত দিবলৈ ৰখি আছে। সেই দিনা মই তেখেত সকলক মতা নাছিলো। সেইটো কথা যদি কোনোবাই প্ৰমাণ কৰিব পাৰে তেন্তে মই মন্ত্ৰীত্বৰ পৰা আৰু বিধান সভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰিম। পুলিচ আহিছিল সেইটো কথা সচা। কিন্তু মই বিচৰা নাছিলো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মন্ত্ৰী ডাঙৰীয়াই চেলুট বিচৰা নাই। কিন্তু মন্ত্ৰীক তেল দিবলৈ কোন অফিচাৰ তালৈ গৈছিলে তেওঁক মাতি আনি সুধিছিলনে যে কিয় পুলিচক তালৈ পঠোৱা হৈছিল ? কোচ কাৱাজ ভাল নহয় বুলি কোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— মই ইয়াত অসন্তুষ প্ৰকাশ কৰিছিলো আৰু কৈছিলো

যে ডি আই জি এচ পি আছে সেই সকলকহে চেলুত দিব লাগে। মই তাত একো নহয়।

Smti Renuka Devi Barkataki :— Sir, I do not mind that the Minister Home, has taken salute. But this Govt., who claims to establish socialistic pattern of society, who claims to be a popular Govt, who claims to be a representative of the people, desire to live austre life. The Officers are oiling the superiors and the Ministers. This kind of oiling practice should not be there. They should not accept such pomp & grandeur.

Shri Omarruddin, Minister Agriculture :— Sir, this is objectionable.

মিঃ স্পাকাৰ :— তেল দিয়া কথাটো উঠাই লব লাগে।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী ঃ— মন্ত্ৰী সকলে ফ্লেগ লব নোৱাৰে। তেনে ক্ষেত্ৰত কিয় পাইলট কাৰ লব লাগে ?

Smti Renuka Devi Barkataki :— why do you want a Pilot Car ?

Shri Hiteswar Saikia, Minister, Home :— Sir, I never wanted it. But when the situation was not normal everybody including the other members wanted it.

Smti Renuka Devi Barkataki :— We have not been given nor we had asked for such protection, the other members in the Treasury bench may get it.

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— যোৱা বাৰ মাধ্যম আন্দোলনৰ সময়ত সকলো বিধান সভাৰ সদস্যকে চিকিয়ৰিটি দিয়া হৈছিল।

( ভইচ-নাই দিয়া। )

কাৰণ এইটো আন্দোলন চৰকাৰৰ বিৰোধে আছিল। আমাৰ এটা চিকিৎ-ৰিটি বিভাগ আছে। এই বিভাগৰ ৰক্ষনা বেক্ষন দিয়াৰ দায়িত্ব আছে। কাবোবাক হত্যা কৰিব খুজিলে এই বিভাগে ৰক্ষনা বেক্ষন দিব লাগিব। বিশেষকৈ বিধান সভাৰ সদস্য সকলক ৰক্ষা কৰিব লাগিব। কোনোবা মন্ত্ৰীৰ সংশয় থাকিলে তেওঁক এচকৰ্ট দিয়া হয়।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ— যোৱা বাৰ কংগ্ৰেছী এম এল এ সকলক পিচটল দি এচকৰ্ট দিয়া হৈছিল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) এচকৰ্ট দিয়া হৈছিল পিচটল দিয়া হোৱা নাছিল। যি সকলে চিকিয়ৰিটি বিচাৰিছিল সেই সকলক এচকৰ্ট দিয়া হৈছিল। শ্ৰীজ্যোতিৰ্ময় বসুকো আজিও চিকিয়ৰিটি দি থকা হৈছে।

অধ্যক্ষ মহোদয়, ছাত্ৰ আন্দোলনৰ সম্পৰ্কৰ লগত মোকো জৰিত কৰিব বিচাৰিছে। ছাত্ৰ সকলক মই বিভেদ কৰিব নালাগে। আমাৰ ৰাজনৈতিক দলৰ লগতো বিভিন্ন ছাত্ৰ সন্থা বিলাক আছে। কংগ্ৰেছ, কমিউনিটি, চি পি এম, চচিয়েলিষ্ট আদি সকলো দলৰ লগতে বিভিন্ন ছাত্ৰ সন্থা আছে। তাৰ লগত মোক জগৰীয়া কৰিব বিচাৰিছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ— আমি কাকো জগৰীয়া কৰিব খোজা নাই। অন্য পাৰ্টিত যেনেকৈ ছাত্ৰ আছে, সেইদৰে কংগ্ৰেছতো যুৱক আছে। কিন্তু আমাৰ গৃহ মন্ত্ৰী ডিব্ৰুগড়লৈ গৈ ছাত্ৰ সকলক মবিলাইজ কৰি উজনী অসম ছাত্ৰসন্থা গঠন কৰিছিল। পিচে সেয়ে উত্তৰ লক্ষীমপুৰত ছাত্ৰ সকলৰ মাজত মতানৈক্য হৈ শেহত মাৰপিত পৰ্য্যন্ত হলগৈ।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— মই ছাত্ৰ সকলৰ লগত কোনো ৰকমে জড়িত নহয়।

অধ্যক্ষ মহোদয়, শ্ৰীযুতা বৰকটকীয়ে অভিযোগ কৰিছে যে মই উজনী অসম ৰাজ্য পৰিষদ গঠন কৰি তাৰ যোগেদিহে মন্ত্ৰীত্বও পাইছো। সেই পৰিষদৰ লগত মোৰ কোনো সম্পৰ্ক নাই আৰু তাৰ যোগেদি পোৱা নাই। অৱশ্যে মই ১৯৬৩ চনতহে কংগ্ৰেচলৈ আহিছো, ১৯৬৮ চনত মই যুৱক

কংগ্ৰেছৰ সভাপতি আছিলো। ১৯৭২ চনত উজনী অসম ৰাজ্য পৰিষদৰ লগত যুজ কৰিহে বিধান সভালৈ আহিছো।

Smti Renuka Devi Barkataki :— Why should you not speak for yourself ? You are not at the mercy of the Chief Minister.

Shri Dulal Ch. Barua :— Are we to understand that you do not have any metal to be a Minister ?

Shri Hiteswar Saikia, Minister :— I must say at the pleasure of the Chief Minister.

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— যোগ্যতা আছে বুলিয়েই আজি মন্ত্ৰী হব পাৰিছো।

শ্ৰীনগেন বৰুৱা ঃ— মুখ্য মন্ত্ৰীক তেল দিছে কিয়।

শ্ৰীহিতেশ্বৰ শইকীয়া :—তেল দিয়া নাই বাস্তৱ কথা।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ— তেখেতৰ যোগ্যতা আছে। বাকী বিলাকৰ যোগ্যতা নাই নেকি ?

অধ্যক্ষ মহোদয় :— তেখেতক কবলৈ দিয়ক। Minister should not yield to these sorts of remarks. You continue.

শ্ৰীহিতেশ্বৰ শইকীয়া :— আজি মোক সাম্প্ৰদায়িক অনুস্থানৰ লগত জড়িত কৰাৰ কাৰণেহে দুখ পাইছো। বৰপেটা উপনিৰ্বাচন কালত মুছলমান সম্প্ৰদায়ৰ ভিতৰতে বিভাগ কৰিলো বুলি অভিযোগ কৰিছে যে মই হেনো অসমীয়া মুছলমান আৰু বঙালি মুছলমান বুলি ভাগ কৰিলো।

Shri Dnlal Ch. Barua :— He should not try to defend others. Let him defend his own department. We have

witnessed the drama in Barpeta Circuit House between two Ministers. So let him ride on his own horse.

শ্ৰীহিতেশ্বৰ শইকীয়া :— বৰপেটা উপনিৰ্বাচনৰ কথা উল্লেখ কৰিছে যেতিয়া মই কব লাগিব যে জনসংঘৰ পৰা পিটিচি লৈকে আটাইকেইটা বিৰোধী দলেই বিৰোধী সদস্য জনক সমৰ্থন কৰিছিল ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এইটো আপত্তিজনক কথা কৈছে কাৰণ জনসংসই কেতিয়াও যোগ দিয়া নাছিল ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— বৰপেটাত কাষ্টিজিমৰ ওৰবষ্ট কাম কৰিছে ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— মাননীয় বৰুৱা ডাঙৰীয়াই কিছুমান হোটেলত মদ মাংস আদিৰে যি বিভতস কাণ্ডৰ কথা কৈছে সেইবিলাকো নোট কৰা হৈছে । যোৰহাটৰ পুলিচ এচ-আই জনক ১৬ চেপ্তেম্বৰ তাৰিখে বৰখাস্ত কৰা হল ।

মাননীয়া সদস্যা শ্ৰীমতী বৰকটকীয়ে ডিগবৈৰ ঘটনাটোৰ সম্পৰ্কত মোক জড়িত কৰিছে । এই ঘটনাৰ অনুসন্ধানৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ সন্দেহৰ সৃষ্টি হব নোৱাৰে তালৈ লক্ষ্য ৰাখিয়েই পুলিচ বিভাগৰ কোনো লোকক এই গোচৰটো অনুসন্ধান কৰিবলৈ নিদি পুলিচ বিভাগৰ লগত কোনো সম্পৰ্ক নথকা উচ্চ পৰ্য্যায়ৰ বিষয়া ভৈয়ামৰ আয়ুক্তক তদন্ত কৰিবলৈ মুখ্য মন্ত্ৰীয়ে নিৰ্দেশ দিয়ে । বিষয়টো চাব-জুদিচ হৈ থকাৰ কাৰণে ভৈয়ামৰ আয়ুক্তই ঘটনাটো সম্পৰ্কে ৰায় দিয়াৰ পৰা বিৰত আছে । চাব-জুদিচ হৈ থকাৰ কাৰণে এতিয়া গোটেই বিবৰণী দিয়াটো সম্ভৱ নহলেও আমালৈ অহা তথ্য মতে সেই দিনা ৰাতি ১১ টা বজাৰলৈকে সেইদিনা ডিগবৈত থকা পাৱাৰ মিনিষ্টাৰৰ লগতে ইনিচপেক্টৰ আৰু ও-চি দুয়ো আছিল । মন্ত্ৰী ডাঙৰীয়া শুবলৈ যোৱাত দুয়োজন বিষয়া নিজৰ ঘৰলৈ অহাৰ পথত ও-চিএ জনালে যে ভালে কেইটা কল ডিগবৈ কলৰ সংক্ৰান্তত তেওঁলৈ আহিছে । সেয়ে ক্লাবত সোমায় যাব লাগে । অধ্যক্ষ মহোদয় ৰাতি এঘাৰটাৰ পিচত বাৰ থকা ক্লাবত থকা লোক সকলৰ অৱস্থা কি হয় সকলোৱে জানে । অধ্যক্ষ ডাঙৰীয়া সময়ে ইয়াৰ কথা প্ৰকাশ কৰিব কোন দোষী । যদি

পুলিচ বিষয়া সকলক দোষী সাব্যস্ত কৰে মই শাস্তি দিয়াৰ বাবে সদনক প্ৰতিশ্ৰুতি দিছো। অধ্যক্ষ মহোদয় আমাৰ সম্পৰ্ক মিলিটেৰীৰ লগত ভাল হব লাগে। কিন্তু যিসকল আৰ্মি অফিচাৰে ক্ষমতাৰ অপব্যৱহাৰ কৰে সেই সকলক বিচাৰ কৰিব নেলাগিব নেকি ? এই প্ৰসঙ্গতে মই সেই অঞ্চলত ঘটা আন এটা ঘটনা ডাঙি ধৰিব খুজিছো। ১৯৭৩ চনৰ ২ অক্টোবৰ তাৰিখে ৰাতি চাৰে ন বজাত দুজন উচ্চপদস্থ বিষয়াই বদলাভেটা বাগিছাৰ ডাঃ এ-চি-ৰকুৱাৰ ঘৰলৈ যায়। সেই সময়ত ডাঃ বৰুৱা ওচৰৰে ৩ জন মানুহৰ লগত কথাপাতি বহি আছিল। দুয়োজন বিষয়া গৈ তেওঁলোকৰ এজন শ্ৰীবাদল-বিহাৰীচোৱেইনক কলে যে তেওঁৰ জীয়েকৰ লগত কথা পাতিব খোজে। ডাক্তৰে অনুমতি নিদিয়াত পিষ্টল উলিয়াই গুলি মাৰি পলায়। অধ্যক্ষ ডাঙৰীয়া এই জন বিষয়াৰ ওপৰত গোচৰ দিব নেলাগিব জানো ?

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— এই কথা গৃহমন্ত্ৰী ডাঙৰীয়াই এৰাই গলে নহব। তেখেত গৃহ দপ্তৰৰ দায়িত্বত আছে। এই কথাটো হল তেখেত গৃহমন্ত্ৰী আৰু তেখেতৰ ককায়েক ইয়াত ইন্‌ভল্‌ভ আছে কাৰণে এটা আন বায়াচ ৰিপোৰ্ট লাগে কাৰণেই এইটো আৰ্থিক ফালৰ পৰা বিচৰা হৈছে। ইয়াত ডিগবৈৰ অইল ইণ্ডিয়াৰ অফিচাৰো ইনভল্‌ভ আছে আৰু কিনলে বুলি এজন অফিচাৰ ইনভল্‌ভ আছে। অসম চৰকাৰৰ পৰা জানিব বিচাৰিছিল। মই জানিব বিচাৰিছো যে শৰাইঘাট দলঙৰ কাষত যেতিয়া আৰ্মিয়ে মাৰিছিল তেতিয়া মাৰপিট কৰি গুৱাহাটীলৈ আনিছিল আৰু তিনি ঘণ্টা থানাত অচিয়ে বন্ধ কৰি ৰাখিছিল তেতিয়াতে। তেওঁলোকে ডিগবৈ ক্লাবত মদ খাই বহি থকা নাছিল। মাৰপিট কৰি কলাপচ্ কৰিবলগীয়া অৱস্থা কৰে আৰ্মি অফিচাৰে। আৰু এই ক্ষেত্ৰত আই-পি-চিৰ ৩৫,৩৪,৩৫৫,৩২৫,৩৪৪,৩৭৯,৩৪ এই ধাৰাত সেই অচিৰ বিৰুদ্ধে কেচ ফাইল কৰিছে কিন্তু সেই বিষয়া জনক কিয় চাচ্-পেণ্ড কৰা নহল সেইটো মই জানিব বিচাৰিছোঁ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— অধ্যক্ষ মহোদয়, আৰ্মিৰ ফালৰ পৰা কোনো ডিমাণ্ড কৰা নাই। মুখ্যমন্ত্ৰী মহোদয়লৈ চিঠি লিখিছিল আৰু মোক মাতি নি মুখ্যমন্ত্ৰীয়ে সুধিছিল কথাটো। মই নাজানো বুলি কৈছিলোঁ। তেওঁলোক বিষয়া দুজনে ৰাতি এঘাৰ বজালৈ মদ খাই আছিল বুলি কোৱা হৈছে।

মই জনাত সাত বজাত সেই দিনা ক্লাবত এঘৰ সম্ভ্ৰান্ত পৰিয়ালে অসমীয়া মানুহ যোৱাত তেওঁলোকৰ ছোৱালী জনীক শ্ৰীবাস্তৱ নামৰ এজন অফিচাৰে অলপ বেয়া কথা কয়। মই আৰু বহলাই কব খোজা নাই কিয়নো কথাটো চাবজুডিচ হৈ আছে। ইয়াতকৈ কলে আৰু বেয়া হয়। মই কোৱাৰ মন নাছিল যদিও মোৰ নাম উল্লেখ কৰা কাৰণেই বাধ্য হৈ এইখিনি কথা কবলৈ উঠিলো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ— পইণ্ট অব অৰ্ডাৰ চাবজুডিচ বুলি কৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— এই ধৰণে পুলিচৰ ফালৰ পৰা কেচ কৰা হৈছে। মই স্পষ্টকৈয়ে কৈছো যে মিলিটাৰীৰ ফালৰ পৰা কেচ দিছে। আৰু পুলিচৰ ফালৰ পৰা বুক কৰিছে আৰু চাৰ্জচীট আদিও হৈ গৈছে। চাবজুডিচ হৈ থকা কাৰণে কোনো মন্তব্য দিব বিচৰা নাই। কিন্তু এইটো কথা ঠিক যে আৰু আশ্বাস দিছো যে ভাই হওক ককাই হওক তাত প্ৰশাসনীয় আইনৰ হাতৰ পৰা কাকো ৰেহাই দিয়া নহয় আৰু নহবও।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী :— ডিগবৈৰ কথা যিহেতু ওলাইছে মই এটা কথাৰ স্পষ্টীকৰণ বিচাৰিছো। সেই কথাটো হলযে এঘাৰ বজাত আমাৰ পাওৱাৰ মিনিষ্টাৰ আৰু চি-আ, আৰু অ-চি আছিল তেখেত অহাৰ পিচতে টেলিফোন কল পোৱাৰ পিচত দুজন মিলিটাৰি অফিচাৰ খাই মাতাল হৈ থকা কথা সঁচা হয় নে নহয়? অ-চিক ধৰি আনি মিলিটাৰি অ-চি আৰু চি আইয়ে বক্সিং মাৰি পেলাই দিয়া সচাঁ নে নহয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— এইটো চাৰ, মিলিটাৰি অফিচাৰ চিভিল্স ড্ৰেচত আছিল।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ— মন্ত্ৰী ডাঙৰীয়াই ইমানখিনি কথা কোৱা ভাল পোৱা নাই। ইতিমধ্যে বহুত কথাই জনাই দিলে। উত্তেজনা বশত: ইমান কথা জনোৱাতো ভাল পোৱা নাই। লগতে অকল মিলিটাৰিৰ কথা কলেই নহব, ক্লাৱ চেক্ৰেটাৰী শ্ৰীঅমিয় গোহাঁই এজন পি-আৰ-অ তেওঁ মুখ্যমন্ত্ৰী আৰু আমালৈও চিঠি লিখিছিল। সেই সময়ত কৰ্তৃপক্ষই কেচ ৰুজু কৰিছে এই কথাটো সচাঁ হয় নে নহয় আৰু যদি সচাঁ হয় এই বিষয়টো মিলিটাৰিৰ লগত হৈছে কাৰণেই এৰি দিয়া গাএৰা দিয়া কথা ঠিক নহয়।

আগৰ অনুসন্ধান মতে আই-পি-এচ অফিচাৰ এচ-পি আদিকো নগাওঁৰ এচ-পি সাগৰ আদিকো চাচ্‌পেণ্ড কৰা উদাহৰণ আছে। গতিকে--

কৰ্ত্তৃপক্ষৰ ফালৰ পৰা কেচ ৰুজু হৈছে। সেই সম্পৰ্কে সেই বিষয়াজনৰ কাৰ লগত কি কি সম্বন্ধ আছে, গৃহমন্ত্ৰীৰ ককায়েক নে কাৰ, আমাৰ ককাই নহয় কিন্তু বাকী বিলাকৰ ক্ষেত্ৰত বহুত ব্যৱস্থা লোৱা হৈছিল। তেওঁক কিয় সাময়িক ভাৱে বখাস্ত কৰা নহল সেইটো জানিব বিচাৰিছোঁ। বাতৰি কাকতত প্ৰতিশ্ৰুতি দিয়াৰ পিচতো আৰ্মিক একো কৰিব নোৱাৰিলে। ইটোৰ পিচত সিটো কথা বুলি থাকিলেই নহব এই ক্ষেত্ৰত প্ৰচিডিউৰ মতে যি ব্যৱস্থা লোৱা হব লাগে সেইটো কিয় লোৱা নহল সেইটো জানিব বিচাৰিছোঁ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এই সংক্ৰান্তত কথাটো চবাজুডিচ বুলি কৈছে। কিন্তু ইতিমধ্যে মন্ত্ৰী মহোদয়ে বহুত কথাই কৈ পেলালে। মই কৈছো যে কিছুমান মোৰেল কথা আছে তেতিয়া তেওঁলোকক নিলম্বিত কৰা নহয়। ইঁয়াত যিকেইটা চেকচন আছে ৩৭৯ আছে এইটো চুৰি, এইটো এটা ডাঙৰ অভিযোগ আৰু এইটো বিচৰাধীন হৈ থকা অৱস্থাত সেই লোক জনৰ সাময়িক ভাৱে দখাস্ত কৰা উচিত আছিল। এইটো বৈষম্যমূলক ব্যৱস্থা কৰা হৈছে, এইটো বৰ পৰিতাপৰ কথা হৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া :— চাৰ, যি কেইটা আই-পি-চি আছে সেই মতে তেওঁৰ বিৰোদ্ধে প্ৰিলিমিনাৰি তদন্ত কৰাৰ পিচত এষ্টাব্লিচ কৰাৰ পিচত হে বৰ্থাস্ত কৰা হয় কিন্তু সেইটো অৱস্থা অহা নাই। ক্লাবলৈ ধৰি নিছে, কিন্তু সদনত মই উল্লেখ কৰিব খোজা নাছিলোঁ কিন্তু মাননীয় সদস্যা শ্ৰীবৰকটকী ডাঙাৰীয়াৰীয়ে মোৰ নামতো কৈছিল সেই কাৰণেই এই খিনি কথা কবলগীয়া হোৱা কাৰণে মই দুখীত। মই কবলৈ ভাল পোৱা নাই কিন্তু যিহেতু মোৰ নাম আছে সেই কাৰণেই কবলৈ বাধ্য হলোঁ। কিন্তু এইটো স্পষ্ট যে সেই বিষয়া জন যি যেই নহওক আইন সঙ্গত ব্যৱস্থা লবলৈ আমি সংকোচ বোধ নকৰো।

শ্ৰীঅধ্যক্ষ ঃ— হৈ গল নহয় ?

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— চাৰ, ভালে কেইজন মাননীয় সদস্যাই এই সংক্ৰান্তত

কোৱা কথাৰ নিশ্চয় মই কৰোঁৱেই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— এটা আশ্বাস বিচাৰিছো মন্ত্ৰী মহোদয়ৰ পৰা যে ইন্টাৰভিউত চিলেক্ট হৈ যোৱাৰ পিচতো পুলিচ ৰিপোৰ্টৰ কাৰণে বৈ থকা কাৰণে এটা আন প্ৰিজেন্ট অৱস্থা সৃষ্টি প্ৰায়ে হৈ থাকে সেইটো জিলা বিভাগৰ পৰা বা এছ-পিৰ দ্বাৰা অলপ সোনকালে কৰাব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া :— সেইটো কৰা হব। আমাৰ মাননীয় সদস্য কেইবাগৰাকীয়েও পুলিচ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱত যোগ দি অংশ গ্ৰহণ কৰি তৰ্ক সজীৱ কৰি তোলা কাৰণে তেখেতসকলক ধন্যবাদ জনাইছো। মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই আৰু নগেন বৰুৱা ডাঙৰীয়াই বহুখিনি পৰামৰ্শ দিয়া কাৰণে ধন্যবাদ দিছোঁ। বিশেষকৈ দুলাল বৰুৱা ডাঙৰীয়াই কোৱা কথা গোটেই বিলাক বিভাগৰে মই ভালকৈ চাইছো। তেখেতসকলে পুলিচ বিভাগ আধুনিকীকৰণ কৰিবলৈ যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেইটো কৰিবলৈ প্ৰয়োজন হলে এটা কমিটি কৰি হলেও এইটো কাৰবলৈ মই প্ৰস্তুত আছোঁ। সকলোকে ধন্যবাদ জনাই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ মই বৰুৱা ডাঙৰীয়াক অনুৰোধ জনাইছোঁ।

এই পুলিচ বিভাগতো আৰু অধিক আধুনিকীকৰণ কৰাৰ উদ্দেশ্যৰে আৰু ইয়াক অধিক সৎ আৰু নিকা কৰিবৰ কাৰণে যিবিলাক পৰামৰ্শ আমাৰ মাননীয় সদস্যই সকলে আগবঢ়াইছে সেই সকলো পৰামৰ্শকে মই মানি লৈছোঁ আৰু সেই সকলো বোৰ পৰামৰ্শ যিমান দূৰ পৰা যায় কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হব। আৰু প্ৰয়োজন হলে কমিটি কৰি হলেও তেনেবিলাক কাম কৰিবলৈ আমি প্ৰস্তুত আছোঁ। এই খিনি কথাকে কৈ মই মাননীয় সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱতো উঠাই লবলৈ অনুৰোধ জনাইছোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মই এটা স্পষ্টীকৰণ বিচাৰিছোঁ সেইটো হল যোৱা ১৩ ফেব্ৰুৱাৰী তাৰিখে ২ জন সাংবাদিকক শৰাইঘাট দলঙৰ ওচৰত মাৰ-ধৰ কৰিলে, এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা বিশেষ ব্যৱস্থা লোৱা হব বুলি কৈছিল কিন্তু আমি জনাত এতিয়ালৈকে লোৱা নাই সেই সম্পৰ্কত মই জানিবলৈ বিচাৰিছোঁ কি ব্যৱস্থা লোৱা হব ? ২য়তে এটা কথা উল্লেখ কৰো সেইটো হ'ল লংকাতো সাংবাদিক এজনক পুলিচৰ ৰিপোৰ্ট মতে দিচিয়ে লাই-

চেন্স কেনচেল কৰাৰ নটিচ দিছে, এই সম্পৰ্কে ও স্পষ্টিকৰণ কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (ম:) :— শৰাইঘাট দলংৰ যি কেইজন মিলিটাৰী অফিচাৰ আছিল সেই কেইজনক পঠিয়াই দিয়া হৈছে আৰু তেওঁলোকৰ ওপৰত বিচাৰ চলি আছে। তেওঁলোকৰ ওপৰত কেচ জাৰি কৰাৰ পিচত অনুসন্ধান কাৰ্য্য চলাই থকা হৈছে। তেওঁলোকৰ হেড কোৱাটাৰৰ পৰা এই বিলাক বিষয়ত পাৰমিশ্যন ইত্যাদি লব লগা বহু কথাই আছে। লংকাৰ কথাটো এতিয়াও যোগাযোগ কৰিব পৰা হোৱা নাই, সেইটো পিছত জনাম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— কিয় কোনোবা কোনোবা কেচত লক আপত ভৰাই শাস্তি বিহা হৈছে কিন্তু এই কেচটোত কিয় পাৰমিশ্যন লবলগীয়া হ'ল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (ম:) :— যিবিলাক কেচ স্পষ্টকৈ জনাৰ সুবিধা থাকে সেই-বিলাকৰ ক্ষেত্ৰত ব্যৱস্থা লোৱাতো সুবিধা হয়।

মাননীয় অধ্যক্ষ :— আপোনালোকে কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— নাই লোৱা।

Mr. Speaker :—There is only one cut Motion. Now I put the cut notion on Grant no. 19.

( After a pause) Cut Motion is lost Now, I put the Grants nos 19,23 & 25.

( The House divided ).

Mr. Speaker: Result of Division—Eyes—46

Noes—6.

Grants Nos. 19,23 aud 25 are passed.

Shri Md. Umaruddin :—Mr. Speaker, Sir I beg to move Grants Nos. 71,73,84, 98, 99 and 105.

Mr. Speaker : Motions moved. Grants Nos. 71,72,84,98, 99 and 105 are moved.

**শ্রীবদন চন্দ্র তালুকদাৰ** :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষি শিতানৰ ৭১, ৭৩, ৮৪, ৯৯ এই কেইটা বিষয়ৰ উপৰত কৰ্ত্তণ প্ৰস্তাব উত্থাপন কৰিছো।

অধ্যক্ষ মহোদয়, কৃষি আমাৰ অৰ্থনৈতিক দিশত অতি গুৰুত্ব-পূৰ্ণ এই কাৰণেই যে আমাৰ অৰ্থনৈতিক গতি কৃষি ভিত্তিক হৈ আছে। কিন্তু আমাৰ ৰাজ্য তথা গোটেই দেশতেই বিশেষকৈ অসমৰ ক্ষেত্ৰত কৃষিৰ অগ্ৰগতি গতি দুখ লগা। আজি যদিও বিজ্ঞানৰ প্ৰযুক্তি বিদ্যাৰ সিমান উন্নতি হৈছে তথাপি আমাৰ কৃষি অতি পুৰণী অৱস্থাতে আছে। প্ৰকৃততে কবলৈ গলে কৃষিৰ ক্ষেত্ৰত আমাৰ কাগজে-পত্ৰে বহুত খিনি হলেও কামত একো হোৱা নাই। আজি অসমৰ কৃষিৰ উৎপাদন লাহে লাহে কমি গৈছে। ইয়াৰ কাৰণে হয়তো বহুতে কৃষকসকলক দোষ দিব খোজে। মই কওঁ এইটো ভুল। কৃষকসকলৰ ওপৰত দোষ জাপি দি আমি দায়ৰ পৰা হাত সাৰিব নোৱাৰো। আমাৰ কৃষকে যিমানেই পাৰে সিমানেই কৃষিৰ উৎপাদন বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে। কিন্তু কৃষিৰ উৎপাদন বৃদ্ধিৰ কাৰণে যিখিনি আহিলা পাতিৰ দৰকাৰ হয় যিখিনি অৰ্থনৈতিক সাহায্যৰ প্ৰয়োজন হয় সেইখিনি আমি কৃষকক দিব পৰা নাই। কৃষিৰ ব্যৱস্থা পৰিবৰ্ত্তণ কৰাব কাৰণে যি আচনি লব লাগিছিল সেইখিনি লোৱা হৈছে যদিও কৃষকৰ উপকাৰত অহা নাই।

অধ্যক্ষ মহোদয়, উদাহৰণ স্বৰূপে আমাৰ কৃষিৰ ক্ষেত্ৰত যিটো সেউজীয়া বিপ্লৱৰ কথা কোৱা হৈছে, সেই সেউজীয়া বিপ্লৱে মাত্ৰ ডাঙৰ ডাঙৰ ধনী মানুহৰ মাজতে আৱদ্ধ হৈ আছে। ক্ষুদ্ৰ আৰু মজলীয়া তৰপৰ মানুহ ইয়ালৈ যাব নোৱাৰে। সেই কাৰণেই আমাৰ ৰাজ্যৰ বেছিভাগ কৃষকেই হল ক্ষুদ্ৰ আৰু উপান্ত কৃষক। তেওঁলোকৰ নামত সেউজীয়া কৃষি বিপ্লৱৰ নামত যি সা-সুবিধা দিয়া হৈছিল সেই সুবিধাৰ পৰা কৃষক সকলৰ কোনো উপকাৰ হোৱা নাই। আজি চৰকাৰে যি বিলাক আচনি লৈছে সাৰ দিয়াৰ ক্ষেত্ৰত, পানী যোগানৰ ক্ষেত্ৰত, বিজুলী শক্তি যোগানৰ ক্ষেত্ৰত যন্ত্ৰপাতি যোগানৰ ক্ষেত্ৰত কোনো কৃষকেই সেই সুবিধা পোৱা নাই। আজি কৃষিৰ উন্নতি কৰিবলৈ হলে কৃষকক আৰ্থিক সাহায্য দিব লাগিব। সেইটো কৰিব পাৰিলে আমাৰ খাদ্য ক্ষেত্ৰত বহুখিনি স্বাৱলম্বী

হব পৰা যাব। বহুতো যুগ যুগ ধৰি ভাৰতবৰ্ষৰ কৃষকে ভোগ কৰি আছে। আগতে এই কৃষকসকলে অৰ্থৰ কাৰণে মহাজনৰ ওচৰত হাত পাতিবলগীয়া হৈছিল। আৰু তাৰ ফলতেই তেওঁলোক সৰ্বস্বান্ত হবলগীয়া হয় সেই অৱস্থাৰ পৰা ৰক্ষা কৰিবৰ কাৰণেই আজি কৃষকক ঋণ দিবৰ কাৰণে গৱৰ্ণমেণ্টে বেংক প্ৰতিষ্ঠা কৰা হৈছে আৰু এই সমবায় বেংক বিলাকৰ জৰিয়তে তেওঁলোকৰ উপকাৰ কৰাৰ কথাটো চিন্তা কৰা হৈছে। কিন্তু কাৰ্য্যক্ষেত্ৰত সেইটোৱে কৃষকৰ উপকাৰ কৰিব নোৱাৰিলে। আজি এনেকুৱা এটা শ্ৰেণী আছে যি শ্ৰেণীৰ লগত কোনো কৃষিৰ সম্বন্ধ নাই আৰু সেই সকল লোকেহে সমবায় বেংকৰ পৰা কৃষকসকলক সেই সুবিধাৰ পৰা বঞ্চিত কৰিছে। আজি আমাৰ যিবিলাক ৰাষ্ট্ৰীয় কৃত বেংক আছে সেই বিলাকৰ পৰা সাধাৰণ কৃষকক বিশেষ উপকাৰ হোৱা নাই। গতিকে আমি কৃষি উৎপাদন বঢ়াবৰ হলে কৃষিৰ সম্প্ৰসাৰণ কৰিবলৈ হলে আমাৰ প্ৰথম লক্ষ্য হব লাগিব কৃষক বিলাকৰ অৱস্থাৰ উন্নতি সাধন কৰা। যিকোনো আচনি কৰিবলৈ হলে সেই কৃষকসকলক তাৰ অন্তৰ্ভূক্ত কৰি লব লাগিব। কাৰণ আমাৰ কৃষকসকলৰ শতকৰা আশীজনেই ক্ষুদ্ৰ বা মজলীয়া ধৰণৰ খেতিয়ক। এই অৱস্থাটো আজিও পৰিবৰ্ত্তন হোৱা নাই। আজি ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা যি ঋণ দিয়া হয় সেই ঋণ অন্যান্য শিল্প আৰু বাণিজ্যত যেনে ধৰণে উদাৰ ধৰণে দিয়া হয় কৃষি ক্ষেত্ৰত দিয়া নহয়। সৰু সৰু কৃষকসকলে সেই ঋণ নাপায়। খেতিয়কৰ নামত অন্যান্য কিছুমান মানুহে এই সুবিধা গ্ৰহণ কৰি আছে। ইয়াৰ বহুত উদাহৰণ আছে। কিছুমানে এই ঋন লৈ খেতিৰ কামত ব্যৱহাৰ নকৰি ঘৰ সজা আদি কামত ব্যৱহাৰ কৰে। অৱশ্যে এইটো কথাও ঠিক যে নগদ ধন ঋণ হিচাপে নিদি তাৰ পৰিবৰ্তে যন্ত্ৰপাতি, সাৰ, বীজ এই বিলাক দিয়াৰ ব্যৱস্থাও আছে আৰু সেই ক্ষেত্ৰত বহুতো নিয়মকানুন আছে যিবিলাক আমাৰ সাধাৰণ কৃষকে বুজাত অসুবিধা হয়। গতিকে সেই বিলাক বহুতো অসুবিধাৰ কথা। গতিকে খেতিয়কৰ অৱস্থা উন্নতি কৰিব নোৱাৰিলে খেতিৰো উন্নতি নহয় আৰু কৃষকৰ অৱস্থাৰো পৰিবৰ্ত্তন নহয়। কৃষি সম্প্ৰসাৰণ কৰিবলৈ হলে ধন নিয়োগ কৰিবই লাগিব আৰু সেই ধন আহিব এই ধন আহিব কোনোবা বেংকৰ পৰা বা কোনোবা এজেঞ্চিৰ পৰা কিন্তু মোৰ সন্দেহ হয় যে এই

এজেঞ্চি বিলাকৰ পৰা কাম হোৱা নাই কিয়নো মই নিজে এটা এজেঞ্চিৰ সদস্য আছিলো আৰু তাৰ কাম কাজত মই নিজেও সন্তুষ্ট হব পৰা নাছিলোঁ। আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াও এটা এজেঞ্চিৰ লগত জড়িত গতিকে ইয়াত থকা কেৰোণ বিলাক দূৰ কৰিবলৈ চেষ্টা কৰিব লাগে। মই ভাবো যে কৃষিৰ কথাটো ৰাজনৈতিক প্ৰশ্ন নহয়। এই প্ৰশ্নটোৰ লগত আমাৰ জীৱন মৰন প্ৰশ্ন জড়িত হৈ আছে আৰু আমাৰ ৰাজ্যৰ অৰ্থনৈতিক প্ৰশ্নও ইয়াৰ লগত নিহিত হৈ আছে। গতিকে পানী যোগান, জলসিঞ্চন আদি অতি প্ৰয়োজনীয় কামবিলাক কৰিলেহে কৃষিৰ উৎপাদন বাঢ়িব পাৰে। এই কাম কৰিবলৈ যাওঁতে কোন দলৰ কি প্ৰভাৱ এই কথা চিন্তা কৰিব নালাগে। কাৰণ কৃষিৰ সম্প্ৰসাৰণ হলে কোনো দলৰ ব্যক্তিগত উন্নতি নহয়। এইটো এটা সামুহিক কথা। গতিকে কোন ঠাইত কেনে ধৰণে খেতিৰ সা সজুলি যোগান ধৰিব লাগে, পানী যোগান ধৰিব লাগে, জলসিঞ্চন. লিফ্‌ট ইৰিগেচন, ফ্লো ইৰিগেচন বা আণ্ডাৰ গ্ৰাউণ্ড জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে সেই বিলাক চাই-চিতি কৃষকসকলক সহায় কৰিব লাগে আৰু চাব লাগে যাতে ৰাজনৈতিক কাৰণত সাধাৰণ খেতিয়কে কতো বাধা নাপায়। গতিকে কৃষিৰ উন্নতি কৰিবলৈ হলে কৃষিৰ লগত যি কেইটা বিভাগ ওতঃপ্ৰোতভাৱে জড়িত যেনে ৰাজহ বিভাগ, জলসিঞ্চন আৰু বাননিয়ন্ত্ৰণ বিভাগ এই সকলো বিলাক কথালৈ লক্ষ্য কৰিব লাগিব। বছৰে বছৰে বানপানী হৈ খেতি নষ্ট হৈছে আৰু ইয়াৰ দ্বাৰা যে অকল কৃষি উৎপাদনেই হ্ৰাস হৈছে এইটো নহয় কৃষকসকলৰো ৰাজহাড় ভাঙি গৈছে। এটা অঞ্চলত যদি বাৰে বাৰে বানপানী হৈ থাকে সেই কৃষকসকলে কোনো উন্নতি কৰিব নোৱাৰে। সেই কাৰণে আজি এই তিনিওটা বিভাগ একলগ কৰি কৃষিৰ উন্নতিৰ কাৰণে চেষ্টা কৰিব লাগে নহলে এইঁ বিভাগ কেইটাৰ মেৰপাকত পৰিয়েই হয়তো কৃষি উৎপাদন বৃদ্ধিত বাধাৰ সৃষ্টি হব পাৰে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে যে ৰাজহ বিভাগৰ কোনো নিশ্চয় নাই আৰু এই অনিশ্চয়তাৰ কাৰণেই বহুত কৃষক অসুবিধাত পৰে। ইয়াৰ ফলত কৃষি উতপাদনত বাধাৰ সৃষ্টি হৈ আছে। উদাহৰণ স্বৰূপে প্ৰজাস্বত্বৰ আইন হোৱাৰ লগে লগে বায়ত সকল ভূমি

স্বত্বৰ পৰা বঞ্চিত হব লগীয়া হল। কাৰণ তেওঁলোক শক্তিশালী নহয়। মাটিৰ মালিক অৰ্থাৎ ভূস্বামী সকলে তেওঁলোকক জোৰ কৰি উচ্ছেদ কৰিছে। মাটিৰ মালিক সকলে খেতি কৰে কেৱল মাটিৰ অধিকাৰ ৰাখিব-লৈকে সেই কাৰণে খেতিৰ উৎপাদন কমি গৈছে। এই ক্ষেত্ৰত নিশ্চয় কৃষি বিভাগৰ দায়িত্ব আছে। বহুত ভূস্বামীয়ে কৃষি বিভাগৰ পৰা ট্ৰেক্টৰ লৈছে আৰু তাৰ দ্বাৰা সৰু সৰু খেতিয়ক সকল সাহায্যৰ পৰা বঞ্চিত হৈছে। তাৰ ৰেকৰ্ড কৃষি বিভাগত আছে কাগজে পত্ৰে।

অধ্যক্ষ মহোদয়, কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ খেতিয়ক সকলে তিনিটা বিভাগৰ লগত সংযোগ কৰিব লগীয়া হয়। এটাৰ পিচত এটা বিভাগৰ পিচত দৌৰাতো আমাৰ খেতিয়ক সকলৰ কাৰণে অসুবিধাজনক আৰু সিমান খিনি কষ্ট লবলৈও নিবিচাৰে যদি আটাইকেইটা বিভাগৰ এটা সমন্বয় সাধন কৰিব পৰা নহয় তেতিয়া হলে খেতিয়কক প্ৰকৃত ভাৱে সহায় কৰিব পৰা নহব। ৰবিশস্যৰ কাৰণে যিমান খিনি চেষ্টা চলোৱা হৈছিল সেই অনুপাতে ৰবিশস্য হোৱা নাই। মাটি হিচাবে অসমৰ মাটি বিহাৰ আদি ৰাজ্যৰ মাটিতকৈ কোনো গুণে বেয়া নহয়। কিন্তু প্ৰকৃত ভাৱে পানী যোগান ধৰিব নোৱাৰাৰ কাৰণে আমাৰ ইয়াত খেতি ভাল হোৱা নাই। ৰবিশস্য যদিও কেইটামান পকেটত হৈছে ব্যাপক ভাৱে যে হোৱা নাই এইটো নিশ্চত। এনে বহুত ঠাই আছে যিবিলাকত পানী যোগন ধৰিব পাৰিলে সৰিয়হ, গম আদি খেতি যথেষ্ট হবৰ সম্ভাৱনা আছে। এই বিলাক কথা আমাৰ কৃষি মন্ত্ৰীৰ বক্তৃতাত ৰাজহুৱা ভাৱে, ৰেডিঅ'ৰ যোগে দিয়া শুনি আহিছো। উৎপাদন বৃদ্ধিৰ কাৰণে তেখেতে খেতিয়ক সকলক কোৱা আৰু আন আন নেতা সকলে কোৱা কথাও শুনিছো। কিন্তু দুখৰ কথা যে আমাৰ কৃষকসকল নতুন ব্যৱস্থাৰ প্ৰতি আকৃষ্ট নহয়। এইটো স্বাভাৱিক। কিয়নো ঋণ আদি লোৱাৰ ক্ষেত্ৰত তেওঁলোকে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হয়। মই আশাকৰো চৰকাৰে এই ক্ষেত্ৰত মনোযোগ দিব। খেতিয়কক ঋণ আদি সহায় কৰিবলৈ যদিও বেংক আদি প্ৰতিষ্ঠা কৰা হল তথাপি আচলতে এই বোৰৰ পৰা খেতিয়ক সকল লাভবান হব পৰা নাই ট্ৰেক্টৰা-ইজেচন কৰিলেও যে বেছি কিবা এটা সহায় হব সেইটো মই নাভাবো। কিয়নো আমাৰ খেতিয়ক সকলৰ মাটি সৰু সৰু ভাগত ভাগ কৰা আছে।

গতিকে ট্ৰেক্টৰাইজেচন কৰাৰ কাৰণে সমাজৰ যিটো মানসিক অৱস্থা সেই অৱস্থাৰ ফালৰ পৰা সম্ভৱপৰ অৱস্থাৰ সৃষ্টি কৰিব লাগিব। সমবায় ভিত্তিত কিবা এটা কৰিব পাৰিলেও হব। কিন্তু এতিয়া নিগমৰ জৰিয়তে কৃষিৰ উন্নতি কৰাৰ কাৰণে চেষ্টা কৰিছে নিগমৰ জৰিয়তেও কৰা এটা কৰিব পাৰিলেও কৃষিৰ সমস্যাৰ সমাধান কৰিব নোৱাৰিব। এইটো কৰিবলৈ হলে গোটেই খেতিৰ মাটি জাতিয়কৰণ কৰিব লাগিব। তেতিয়াহলে ট্ৰেক্টৰাইজেচন ব্যৱস্থা ভাল হব আৰু বেংকৰ দ্বাৰা সহায় সহযোগ আগবঢাব পৰা হব। কিন্তু ট্ৰেক্টৰাইজেচন কৰিলে আমাৰ বহুত মেনপাওৱাৰ বেছি হৈ যাব আৰু সেই বিলাকে অৰ্থাৎ চাৰপ্লাচ খিনিয়ে নতুনকৈ এটা নিবনুৱা সৃষ্টি কৰি মাথোন।

অধ্যক্ষ মহোদয়, যোৱা বছৰ আমাৰ বানপানীৰ কাৰণে যথেষ্ট খেতি নষ্ট হৈছে। আৰু খেতিয়েই নহয় ঘৰ বাৰীও নষ্ট হৈছে। আৰু গৰু মহ আদি মৰি খাস্তাং হৈছে। বহুত খেতিৰ বীজ দিয়া হৈছে যদিও সেইবীজবোৰ ভাল জাতৰ বীজ নহয়। বহুত ক্ষেত্ৰত বীজ দিছে কিন্তু গৰু মহ নাই। এইটো কৃষি বিভাগৰ কাম নহয় এইটো আমাৰ ৰাজহ বিভাগৰ কাম। গৰু আদি কিনাৰ কাৰণে কোনো ব্যৱস্থা নাই সেই কাৰণে এই বিভাগ কেইটাৰ ওতঃপ্ৰোত সম্বন্ধ থকা দৰকাৰ। সকলো কেইটা বস্তু একে ঠাইতে পোৱাৰ ব্যৱস্থা কৰিব লাগে। কেইবাটাও বিভাগৰ বেমেজালিৰ কাৰণেই আচলতে কৃষকক সহায় কৰিব নোৱাৰে আৰু সেই কাৰণে বহুত ক্ষেত্ৰত সেই বিলাক বাদ দি কৃষকসকলে ভগবানৰ ওপৰত বা ভাগ্যৰ ওপৰত ধিয়াই হাত সাৰটি বহি বহি থাকে। আমাৰ মূল প্ৰশ্ন হৈছে যে কৃষি উৎপাদন বৃদ্ধি কৰিব লাগিব কিন্তু এই সমস্যা কি ধৰণে সমাধান কৰা যায় বেছিভাগ খেতিয়কৰে অৱস্থা শোচনীয়। পানী যোগাৰ অৱস্থাও শোচনীয়। আমাৰ খেতৰ উৎপাদন মাটি চাৰি ভাগৰ এক অংশতহে পানী দিয়াৰ ব্যৱস্থা হৈছে। গতিকে ইয়াৰ কাৰণে বিকল্প ব্যৱস্থা কৰি হলেও এইটো কথাত জোৰ দিয়া দৰকাৰ। উন্নত ধৰণৰ বীজ আদিৰ যোগানে ইয়াৰ কাৰণে আন এটা অপৰিহাৰ্য্য অঙ্গ। প্ৰকৃত পক্ষে খেতিয়ক সকলক যিখিনি সুবিধা দিয়া হয় সেই সুবিধা খিনি খেতিয়ক সকলে যাতে পাব পাৰে তাৰ কাৰণে চোৱা চিতা কৰাও দৰকাৰ।

কৃষি সম্প্ৰসাৰণ লাভ কৰাৰ কাৰণ এইটোই হৈছে যে, যিখিনি সা-সুবিধা আমাৰ খেতিয়ক সকলে পাবলাগে সেইখিনি তেখেত সকলে নেপায়। অধিক উৎপাদনৰ কাৰণে আমাৰ প্ৰধান এই কেইটা বস্তু লাগিব,—উপযুক্ত উৎপাদন ক্ষম বীজৰ যোগন, পানী যোগান আৰু সাৰ। আগতে আমাৰ খেতিয়ক সকলক ৰাসায়নিক সাৰ প্ৰয়োগ কৰিবৰ কাৰণে কোৱা হৈছিল। কিয়নো সেই সময়ত এই সাৰৰ অৱস্থা বৰ ভাল আছিল। কিন্তু এতিয়া যেতিয়াই সেই সাৰৰ যোগান দিব নোৱাৰা হল তেতিয়াই কৃষকক আকৌ জৈবিক সাৰ প্ৰয়োগ কৰাণে হে কোৱা হৈছে। আমাৰ কৃষি বিশ্ব-বিদ্যালয় হৈছে। ইয়াত গৱেষণা কৰি কেনেকৈ আমাৰ মাটিৰ উৰ্ব্বৰতা বৃদ্ধি কৰিব পাৰি তাৰ কাৰণে যথাসাধ্যে উপায় উদ্ভাৱনৰ কাৰণে চেষ্টা চলাব লাগে। তাত লগে লগে মাটিৰ গুণা গুণ পৰীক্ষা কৰি কোন গুণসম্পন্ন মাটিত কোন কোন খেতি ভাল হব সেইটো নিৰ্দ্ধাৰিত কৰিব কৰিব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত এইটো হোৱা নাই। মই অন্তত: প্ৰতি উন্নয়ণ খণ্ডতে বা ভ্ৰাম্যমাণ একোটা এনেকুৱা মাটি পৰিক্ষাগাৰ কেন্দ্ৰ থকাটো উচিত হব বুলি ভাবোঁ। উপযুক্ত সাৰ প্ৰয়োগ কৰিলেও যদি মাটিৰ গুণাগুণ পৰিক্ষা কৰি লোৱা নহয় তেতিয়াহলে, ভাল বীজৰ পৰাও বেয়া ফল হব পাৰে। গতিকেই এইটো নিতান্ত প্ৰয়োজনীয় কথা। মই আজি এইখিনি এই কাৰণেই কৈছোঁ যে, কৃষিৰ উন্নতিৰ অবিহনে আমাৰ ৰাইজৰ কেতিয়াও অৰ্থনৈতিক দিশটো উন্নত হব নোৱাৰে। দ্ৰুত গতিট এই কৃষিৰ কাৰ্য্যত যাতে আমাৰ ৰাজ্যখন আগুৱাই যাবপাৰে তাৰ কাৰণে খৰতকীয়া ব্যৱস্থা অতি সোনকালেই লবলাগে। আমাৰ অসমীয়া মানুহৰ জীৱন যাপন আগতে এনেকুৱা জটিল নাছিল। কিন্তু আজি এই অৱস্থা জটিল হৈ পৰিছে। এনে অৱস্থাত হাৰিয়ানা, পঞ্জাৱ আদিত যি পদ্ধতিৰে খেতি কৰি তাৰ খেতিয়ক সকল লাভৱান হব পাৰিছে তেনেকুৱা ব্যৱস্থা আমাৰ অসমৰ খেতিয়ক সকলকো দিব পাৰিব লাগিব। তেহে খেতিক সকলে খেতিৰ উৎপাদনৰ জৰিয়তে অকল নিজৰ অৱস্থাই নহয় ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাটো এক বিৰাট অবিহণা যোগাব পাৰিব। আৰু এটা ওতঃপ্ৰোতঃ ভাৱে জড়িত কথা হৈছে যে, আমাৰ খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত বস্তুৰ নায্য মূল্য পাব লাগিব। কৃষক সকলৰ প্ৰয়োজনীয় অন্যান্য নিত্য ব্যৱহাৰ্য্য বস্তুৰ দামৰ লগত যদি খেতিয়ক সকলৰ

উৎপাদিত বস্তুৰ দাম বিজাই চোৱা হয় তেতিয়াহলে, খেতিয়ক সকলক এক বিৰাট অন্যায় কৰা হৈছে। যোগান বিভাগ বা গোটেই প্ৰশাসন যন্ত্ৰটোৰ সামঞ্জস্য বিহিন নিতিৰ কাৰণেই আজি এনে হবলৈ পাইছে। অকল সেইটোৱেই নহয়, সংগ্ৰহৰ নামত খেতিয়ক সকলক জোৰজোলোম কৰি আৰু নানা ধৰণৰ অত্যাচাৰ কৰি তেওঁলোকৰ 'চেন্টিমেণ্ট' বোলা বস্তুটোৰ বিকৃতি ঘটাই দিয়া হৈছে। বহুতো পৰিয়ালৰ পৰা মাৰ-ধৰ জোৰ জুলুম কৰি ধান কাঢ়ি অনা হৈছে। আনকি ইমানেই অত্যাচাৰ ধানসংগ্ৰহৰ নামত হৈছে যে, কিছুমান খেতিয়কে ধান খেতিৰ পৰিবৰ্ত্তে অন্য খেতি কৰিবলৈকে সিদ্ধান্ত লৈছে। এনে এটা মনোভাৱ আজি কৃষকৰ মাজত গঢ়ি উঠিছে। চৰকাৰৰ ভুল নীতিৰ ফলতেই ৰাইজৰ মাজত আজি এনে এটা মনোভাৱ উঠাই নহয়, যি খন ৰাজ্য এসময়ত বাহি ৰাজ্য হিচাবে স্বীকৃত আছিল সেইখনি ৰাজ্য আজি ঘাটি ৰাজ্যত পৰিণত হৈছে। মুকলি বজাৰত খেতিয়কে যথেষ্ট দাম পায় কিন্তু চৰকাৰে ৩০ টকাতে খেতিয়কৰ পৰা মোণে ধান লৈ আহিছে। অন্য হাতেদি বেপাৰী সকলে ৭০।৮০ টকাত ধান বিক্ৰী কৰি আছে। অকল সিমানেই নহয় খেতিয়ক সকলে যোগান বিভাগৰ বিষয়া সকলৰ পৰা সদায়েই বেয়া ধৰণৰ গালি শপনি, বেয়া ব্যৱহাৰ পায়। অসমৰ কৃষকৰ মূল সমস্যা ধান খেতিৰ কাৰণে পানী যোগান ব্যৱস্থাটো থিক কৰি দিব পাৰিলে কৃষিৰ ক্ষেত্ৰত আমি যথেষ্ঠ উন্নতি কৰিব পাৰিম।

আৰু এটা কথা কৃষকসকলৰ পৰা এটা অভিযোগ সদায়েই পাই থাকো আৰু চৰকাৰেও এই অভিযোগটো পায় যে, বিনামূলীয়াকৈয়ে হওঁক বা অন্য ধৰণৰেই হওঁক, প্ৰয়োজন মতে সাৰ, বীজ, ঋণ, সা-সজুলি ইত্যাদিৰ সুবিধাবোৰ আমাৰ খেতিয়কে সময়ত নোপোৱাৰ কাৰণে সেই বিলাকৰ সংব্যৱহাৰ কৰিব নোৱাৰে আৰু ফলত তাৰ বিপৰীতে ফলহে ভোগ কৰিব লগীয়া হয়। সেইদৰে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক সকলক বেংকৰ ফালৰ পৰা যি ঋণ দিয়াৰ ব্যৱস্থা আছিল সেইবিলাকো বতৰ পাৰ হৈ যোৱাৰ বহুদিনৰ পিছতহে পায়গৈ যাৰ ফলত তাৰ কোনো ব্যৱহাৰেই কৰিব নোৱাৰে। এই কথাটোৰ প্ৰতি মই আমাৰ মাননীয় কৃষিমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। বীজ নিগমে যিবিলাক বীজ দিনে সেই বিলাক বীজৰ 'জাৰ্মিনেশ্যন' ক্ষমতা নেথাকে। কিছুমান দালালৰ প্ৰৰো-

চনাত এই বীজ বিলাক বীজ নিগমে কিনি খেতিয়কক দিব লগীয়া হয় যাৰ ফলত ভীষণ লোকচান হয়। আমাৰ কৃষিমন্ত্ৰী মহোদয়ে এটা কথা ভালদৰে জানে যে, ধুবুৰীত এই আকাল আৰু ভয়ানক ভুৰ্ভিক্ষৰ মূল কথা আছিল যে, তাৰ আগৰ বছৰ তাত যিবিলাক বীজ আহুখেতিৰ কাৰণে যোগান দিয়া হৈছিল সেই বীজবিলাকৰ শতকৰা ৫০ ভাগৰে 'উৎপাদন' ক্ষমতা হীন আছিল। এই কথাটো তেখেতেও গম পাইছে আৰু আমালৈও এই খবৰটো আহিছে।

এই বীজ বিলাক কৃষকক বেছি দামত কিনিবলৈ দিয়া হৈছে। বীজ নিগমৰ এই কাণ্ড কাৰখানা বিলাকলৈ লক্ষ্য ৰাখিব লাগে। মই ৰাজ্যপালৰ ভাষনত এটা কথা উল্লেখ কৰিছো আৰু আজিও কৈছো নলবাৰীত শতকৰা ৫০ ভাগ চাবচিদাইজ্‌দ দি শাক পাচলিৰ বীজ দিছে। সেই বিলাক বজাৰত ২০-২৫ পইচাত পোৱা যায়। বছৰ বছৰ ধৰি ক্ষতিগ্ৰস্থ হোৱা এই দুখীয়া কৃষক সকলক বিনামূলীয়াকৈ বীজ দিব পৰা নাই। তেনেস্থলত চাবচাইজ্‌দ দি কিয় বেচি দাম লোৱা হৈছে ? বিষয়া সকলে লাভৰ অংশ লবলৈ কৃষক সকলক ঠগায়, এই কথাটোৰ বিচাৰ হৈছে নে নাই ? আমাৰ কৃষি বিভাগৰ দোষ ক্ৰুটি আছে। এই কথাটো ওলাইছে। এগ্ৰো-ইণ্ডাষ্ট্ৰিজ বিভাগৰ বস্তু কিনা সম্পৰ্কত গুৰুত্বৰ অভিযোগ অডিট ৰিপোৰ্টত ওলাইছে। ১৯৭২ ৭৩ চনৰ ৰবিষ্য কৰিবৰ কাৰণে পাম্প্‌চেট দিছিল। পাম্প্‌চেটৰ গোটেই চেটটো ফিক্স ৰেটত দিয়ে। কিন্তু বেচি দামত ৰাইজক এই চেট দিয়া হৈছে। এই কথা স্পষ্টভাৱে অডিট ৰিপোৰ্টত ওলাইছে। এই ভুৰ্নীতি বিলাক অনুসন্ধান কৰি দোষীক শাস্তি দিব লাগে সি যিয়েই নহওক লাগিলে। এই খিনিকে কৈ কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

শ্ৰীনগেন বৰুৱা ঃ— সভাপতি ডাঙৰীয়া. কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কথা কব বিচাৰিছো। চৰকাৰ পক্ষই যি দাবী মঞ্জুৰী উত্থাপন কৰিছে সেই বিষয়ত দুটা মান কথা আলোচনা কৰিব বিচাৰিছো। এই কৃষি বিভাগটোৱেই জনসাধাৰণৰ কাৰণে আটাইতকৈ দৰকাৰী বিষয়। এই শিতানত যি টকা ব্যয় হয় সেই টকা জনসাধাৰণৰ উন্নয়নৰ কাৰণে, কৃষিৰ উৎপাদনৰ কাৰণে ব্যয় হব লাগিব। কিন্তু কাৰ্য্য ক্ষেত্ৰত দেখা যায় এই

টকাৰ শতকৰা ৬০—৭০ ভাগ টকা উৎপাদনৰ কাৰণে ব্যয় নহয়। এই বিভাগটোৰ প্ৰশাসনৰ যন্ত্ৰটোৰ এষ্টাব্লিচমেণ্টৰ কাৰণে টকা খিনি ব্যয় কৰা হয়। এই বাজেটত কৃষি আৰু জলসিঞ্চনৰ কাৰণে যি টকা ধৰিছে তাৰ শতকৰা ৬০—৭০ ভাগ টকা এনেই খৰচ হয়। কৃষিৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে খৰচ নহয়। এই বিভাগৰ লগত জৰিত সকলৰ দৰমহা, দি, এ, টি, এ মটৰ গাড়ী কিনা, তেল কিনা আদিত খৰচ হয়। কৃষিৰ যে উন্নতি হোৱা নাই সেই কথা বিত্তমন্ত্ৰী ডাঙৰীয়াই দাঙি ধৰা বাজেটত প্ৰমাণিত হৈছে। যোৱা বছৰ যিমান খিনি টকা ব্যয় কৰিছিল আৰু যিমান খিনি উৎপাদন হব বুলি লক্ষ্য নিৰ্দ্ধাৰণ কৰিছিল তাতোকৈ বহুগুণে কম উৎপাদন হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাজেটত স্পষ্টভাবে কৈছে—As against the last years seized Crops of 194.49 we have been able to achieve 80.44 lakhs this year. আমাৰ অন্যান্য কমাৰচিয়েল ক্ৰপ্‌চত ১৯৭৩—৭৪ চনত অধিক উৎপাদনৰ কাৰণে যিমান খিনি টকা ধৰিছিল সেই টকা মতে উৎপাদন নহয়। ঐকান্তিকতাৰে সৈতে সেই টকা ব্যয় নহয় বাবে কৃষি ক্ষেত্ৰত বিপৰ্য্যয় ঘটিছে। আমাৰ কৃষকৰ জীৱন দৰিদ্ৰতাৰ কড়াল গ্ৰাসত সোমাই পৰিছে। আজি বৈজ্ঞানিক যুগত মানুহ তিলতিল কৈ মৃত্যুৰ মুখত পৰিছে অনাহাৰত। চৰকাৰে কয় অখাদ্য আৰু অপুষ্টিকৰ খাদ্য খাই মানুহ মৰিছে। আচল কথা খিনি কাগজত ওলাইছে আৰু আমিও বিধান সভাত কৈছো। এই অনাহাৰত মৃত্যু হোৱা লোক সকলৰ শতকৰা ৯৯ ভাগ কৃষক শ্ৰেণীৰ। আমাৰ যিটো পদ্ধতিত আচান লব লাগিছিল সেই পদ্ধতিত নোলোৱা বাবে এই অবস্থা-অনাহাৰ, দুৰ্ভিক্ষ, মহামাৰী। গতিকে আমি কব লাগিব চৰকাৰৰ আচনি শুদ্ধ নহয়।

সভাপতি মহোদয়, আজিলৈকে এই বৈজ্ঞানিক যুগত আমাৰ অসমত প্ৰকৃততে খেতিয়ক কিমান, কিমান খেতিক হয় কোন বিধৰ মাটিত কেনে ধৰণৰ খেতি হয়, কিমান ধান হয়, কিমান চাউল হয়, কিমান ঘেহু হয় আৰু অন্যান্য কি কি শস্য আমাৰ দেশত উৎপাদন হয় সেই বিলাকৰ হিচাব আমাৰ এই বিভাগৰ নাই। ষ্টেটিচিটিকচ বিভাগে প্ৰকৃত পৰিসংখ্যা দিব পৰা নাই। গতানুগতিক ভাবে সমাজত যিবোৰ হৈ থাকে এক শ্ৰেণীৰ মানুহক সুবিধা দিয়াৰ বাহিৰে যিখন সমাজত এক কোটি ৫০ লাখ মানুহ আছে সেই মানুহ

খিনিৰ ভিতৰত প্ৰায় ১০ লাখ মান মানুহক সুবিধা দিয়াৰ বাহিৰে যি সকলে প্ৰকৃততে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে সেই মানুহখিনিক কোনো সুবিধা দিব পৰা নাই। ইয়াৰ কাৰণে চৰকাৰে কৃষি বিভাগ ৰাখিছে এইটো এটা শক্তিশালীবিভাগ ইয়াত বহুত কৰ্মচাৰী বিষয়া আছে অথচ আমাৰ কৃষক সকলক আজিও কৃষি পদ্ধতিত মনোযোগ দিব পৰা নাই। ফলস্বৰুপে কৃষিৰ উৎপাদন বৃদ্ধি হোৱা নাই।

আৰু এটা কথা মই কব খুজিছো সেইটো হৈছে প্ৰত্যেক বছৰে কৃষিৰ শিতানত যথেষ্ট সংখ্যক টকা বাজেটত ধৰা হয় কিন্তু টকা যিমান ব্যয় কৰা হয় সেই অনুপাতে কৃষিৰ উৎপাদন বৃদ্ধি হৈছেনে? আমি যিমান টকা ব্যয় কৰিছো সেই টকাৰ সত ব্যৱহাৰ হৈছেনে? আৰু আমাৰ যিটো লক্ষ্য সেই লক্ষ্যত উপনিত হব পাৰিছোনে? আমাৰ ব্যয়ৰ অনুপাতে উৎপাদন নিশ্চয় হোৱা নাই। আৰু এটা কথা চাবলগীয়া আমি যিমান টকা এই বিভাগৰ জৰিয়তে বৈজ্ঞানীক কৃষি পদ্ধতিৰ কাৰণে লব লাগে সেইমতে হয়তো কাম হোৱা নাই। কাৰণ যি খিনি চিন্তা কৰা হৈছে সেই চিন্তা ইমপুট আৰু আউটপুট এই দুটা বিষয়ৰ সম্পৰ্ক নাই। আমি সাৰ বীজ পানী যোগান আৰু শ্ৰম আদিত যিমান টকা খৰচ কৰো সেই মতে উৎপাদন হৈছেনে নাই সেই কথা চিন্তা কৰা নাই। কাৰণ উৎপাদন হোৱা নাই। ইয়াৰ কাৰণ বৈজ্ঞানীক পদ্ধতিৰে কৃষি কাৰ্য্য কৰিব পৰা নাই। মাত্ৰ আমি গতানুগতিক ভাবে কৃষি কাৰ্য্য চলাইছো বাজেটত টকা দিছো ইয়াতেই শেষ। বৈজ্ঞানিক পদ্ধতিৰে আওপুৰনীকলিয়া পদ্ধিটো সলনি কৰিব পৰা নাই।

আৰু এটা কথা আমি চাব লাগিব যে আমাৰ কৃষক সকলৰ কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে ভূমি উন্নয়নৰ ক্ষেত্ৰত বিভাগীয় প্ৰয়োজনীয় পৰামৰ্শ যেনে আৰ্থিক সাহায্য, আৰু যথা সময়ত পাবলগীয়া সা-সুবিধা আদি আমাৰ খেতিয়ক সকলে পাব পৰা নাই। তাৰ ঠাইত মাত্ৰ বচা বচা এক শ্ৰেণীৰ মানুহে সাৰ, বীজ আৰু বেংকৰ ঋণ টেক্টৰ আদি পাইছে। কিন্তু আচল খেতিয়ক সকলে সেই বিলাকৰ একো সা-সুবিধা পোৱা নাই আৰু এই মানুহ বিলাকৰ জিবিকা নিবাহৰ একমাত্ৰ সম্বল কৃষিৰ বাহিৰে

অন্য কোনো উপায় নাই। আমাৰ চৰকাৰৰ বিভিন্ন বিভাগত বহুত দেশ বিদেশত প্ৰশিক্ষন লোৱা কৰ্মচাৰী বিষয়া আছে তাৰোপৰি আমাৰ এটা কৃষি বিশ্ববিদ্যালয় আছে অথচ আমাৰ কোনো কাম হোৱা নাই। কুহিয়াৰ খেতি কৰিবলৈ হলে কিমান সাৰ লাগে সেই সাৰত কিমান উৎপাদন হব ইত্যাদি কথা আমি নাজানো ইয়াৰ কাৰণে চইল টেচটিঙৰ কোনো ব্যৱস্থা নাই। সাধাৰণ ভাবে ইয়াত পানী লাগিব, ইমান সাৰ লাগিব সেই দৰেই গতানুগতিক ভাবে চলি আহিছে। কৃষি শিতানত কোটি কোটি টকা ধৰা হৈছে আৰু সেই বিলাক দিয়া হৈছে। কৃষি বিশ্ববিদ্যালয়ৰ কাৰণে যিমান টকা খৰচ কৰা হৈ সেই তুলনাত এক হাজাৰ ভাগৰ এভাগো কাম হোৱা নাই। এই প্ৰসংগতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ কৃষকৰ যি পৰিমানৰ মাটি আছে আৰু তাৰ পৰা যি উৎপাদন হয় তাৰে এটা কৃষক পৰিয়ালৰ গোটেই বছৰটো ভৰণ পোষণ যাব নোৱাৰে। খেতিৰ কাৰণে যি খিনি ইনভেষ্টমেণ্ট কৰিব লাগে বা যি খিনি অৰ্থকৰী সাহাৰ্য্য তেওঁলোকে পাব লাগে বা যি খিনি টেকনিকেল জ্ঞানৰ প্ৰয়োজন সেই খিনি বিচাৰিবলৈ তেওঁলোকৰ সম্বল নাই। আমাৰ ইয়াত শতকৰা ৭৫ ভাগ লোকেই খেতিয়ক। আৰু তেওঁলোকৰ প্ৰধান সম্বল কৃষি অথচ তেওঁলোকে কৃষিত উন্নতি সাধন কৰিব পৰা নাই। এই বৃহত পৰিমানৰ কৃষক সকলৰ ৰক্ষাৰ কাৰণে চৰকাৰে আৰ্চনি কৰিব লাগিছিল। যথা সময়ত উন্নত বীজ সাৰ বেংকৰ লোন আদি পাব লাগিছিল। কিন্তু সেই বিলাক সুবিধা পোৱা নাই। এই সকল মানুহৰ দুবেলা দুমুঠি খাবলৈ ভাত নাই। জাৰ জহত পিন্ধিবলৈ কাপোৰ নাই। ১২ মাহৰ ভিতৰত তিনি মাহ অনাহাৰে থাকিব লাগে। গতিকে এই কৃষক সকলে ৰাষ্ট্ৰিয় কৰণ কৰা বেংকৰ লোন আদি সুবিধা কৰিব নোৱাৰে। তেওঁলোকৰ নামত এক শ্ৰেণীৰ ক্ষমতা লব্ধ বুদ্ধিয়ক লোকে সেই বিলাক সা-সুবিধা লৈ আছে। এনে অৱস্থাত প্ৰকৃত খেতিয়ক সকলৰ কোনো ধৰণৰ উন্নতি হব নোৱাৰে। আৰু পুৰণী কলিয়া পদ্ধতিৰ মনোভাব যি আছে তাকে লৈ চলিব লগীয়া হৈছে। গতিকে আজি তেওঁলোকৰ আৰ্থিক অৱস্থা ইমান দুবল যে তেওঁলোকে কোনো ৰকমে বৈজ্ঞানীক পদ্ধতিৰ কথা বা উন্নত সা-সজুলিৰ কথা ভাবিব নোৱাৰে। সেই কাৰণে মই কব খুজিছো যে এই খেতিয়ক সকলৰ কৃষিৰ উৎপাদনৰ ক্ষেত্ৰত এনেকুৱা কিছুমান আৰ্চনি লব লাগিছিল যে যি আচনিয়ে কৃষক সকলক সকলো প্ৰকাৰৰ সা-সুবিধাৰ যোগান

ধৰিব পাৰে। আমি এইটো দেখি আহিছো যে কৃষিৰ কাৰণে পানী যোগান ব্যৱস্থাত যথেষ্ট টকা খৰছ কৰিছে। কৃষি মন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে লিফ্‌ট এৰিগেচন আদিৰ পানী যোগানৰ ব্যৱস্থা কৰিছে। কিন্তু সেই ব্যৱস্থা কৃষক সকলে গ্ৰহণ কৰিব পৰা নাই।

(At 4-42 p.m. Shri Pushpadhar Chaliha vacated the chair and Mr. Speaker occupied it.)

অধ্যক্ষ মহোদয়, সেই কাৰণেই যদিও হাজাৰ হাজাৰ টকা চৰকাৰৰ ফালৰ পৰা লোৱা হৈছে তথাপিও খেতিয়ক সকলৰ কোনো কাম হোৱা নাই। সেই কাৰণে আমাৰ আঁচনি বিলাক প্ৰকৃত আৰু বাস্তৱ ৰূপত ৰূপায়িত কৰিব নোৱাৰিলে খেতিয়কৰ উপকাৰ হব নোৱাৰে সেই কথাটো চৰকাৰে বুজা উচিত। আজি কেনে ধৰণে আঁচনিৰ টকা খৰচ কৰা হৈছে তাৰ কেইটামান উদাহৰণ মই দাঙি ধৰিব বিচাৰিছো। খেতিয়ক সকলক পঞ্চায়তৰ যোগেদি ঘেহুঁৰ বীজ আৰু আলু আদিৰ বীজ যোগান ধৰা হৈছিল কিন্তু আচলতে বজাৰৰ পৰা বিচাৰ নকৰি কিছুমান বীজ আনি তেওঁলোকক যোগান ধৰা হৈছে। প্ৰকৃততে উচ্চ মানৰ বীজ যোগান নধৰাৰ কাৰণে শস্য উৎপানৰ যি আশা কৰা হৈছিল সেই ধৰণে পোৱা হোৱা নাই।

Md. Umaruddin :— Who sold the local Seed ? Is it the Department ?

শ্ৰীনগেন বৰুৱা :— সময়ত কব।

মঃ ওমৰুদ্দিন :— কোনে দিছিল ? He has not mentioned the place, Sir.

শ্ৰীনগেন বৰুৱা :— অফিচাৰে দিছিল। এফ-চি-আই যি বিলাক বস্তু বজাৰৰ পৰা লৈছিল সেই একে বজাৰৰে পৰা খেতিয়ক সকলক বীজ যোগান ধৰা হৈছিল। মই আশা কৰো মন্ত্ৰী মহোদয়ে এই বিষয়ত চকু দিব।

শ্ৰীজগদীশ চন্দ্ৰ দাস :— এফ-চি-আই নহয় চীড কৰপোৰেচনে।

শ্ৰীনগেন বৰুৱা :— চীড কৰপোৰেচনেও বজাৰত পোৱা বস্তু বিক্ৰী কৰিছে।

হাই ইয়েল্ডিং ভেৰাইটিৰ অনা বুলি কৈ বজাৰৰ বস্তুকে মি দিছে।

শ্ৰীলক্ষ্য নাথ দলৈ :— লক্ষীমপুৰ আৰু গোলাঘাটত দিয়া নাই।

শ্ৰীনগেন বৰুৱা :— মন্ত্ৰী হিচাবে গৈ চালে ভাল হয়।

শ্ৰীলক্ষ্য নাথ দলৈ ঃ— মই নিজে চাইছোঁ।

শ্ৰীনগেন বৰুৱা :— এতিয়া তিনিজন মন্ত্ৰী হৈছে গতিকে খেতি গৰম হব নিশ্চয় কিয়নো 'ফচেন পৰিচায়তে'। আমাৰ বৰ্ত্তমান এনে এটা অৱস্থা হৈ আছে যে ৰাজহুৱা ধন খৰচ হৈ থাকে অথচ ৰাইজৰ কাৰণে লোৱা আঁচনিৰ কোনো কাম নহয়।

অধ্যক্ষ মহোদয়, বহুত অঞ্চত ট্ৰেক্টৰ ব্যৱহাৰ কৰাৰ কাৰণে ব্যৱস্থা কৰা হল কিন্তু এগ্ৰো ইণ্ডাষ্ট্ৰিৰ পৰা লোৱা ট্ৰেক্টৰ বিলাক নামহে লোৱা হল কিন্তু মাহৰ পিচত মাহ ধৰি বছৰৰ পিচত বছৰ ধৰি সেই বিলাক পৰি আছে। খেতিয়কে কিনি আনিলে যদিও তাক ব্যৱহাৰ কৰিব পৰা নাই। যান্ত্ৰিক বিজুতিও আছে।

মঃ ওমৰুদ্দিন :— ইংৰাজিত-

শ্ৰীনগেন বৰুৱা :— এগ্ৰো ইণ্ডাষ্টিজৰ পৰা টকা আদি ধাৰ কৰি আনিলে কিন্তু সেই বিলাক ট্ৰেক্টৰ চলাব নোৱাৰে। মাননীয় সদস্য বদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই কৈছে যে পুৰণা বস্তুকে ৰং সানি বিভাগ বিলাকক দি দিয়া হয় আৰু তেতিয়া সেই বিলাক আহি আমাৰ খেতিয়ক সকলৰ হাতত পৰেহি। ফলত তাৰ দ্বাৰা একো কাম কৰিব নোৱাৰি। আচলতে এইটো চাব লাগে যাতে খেতিয়কসকল প্ৰৱঞ্চিত হবলগীয়া বস্তু দিয়া নহয়। যিবোৰ বিভাগ কৃষিৰ লগত জড়িত আছে সেই বিভাগ বিলাকৰ কামৰ কাৰণেই কৃষিৰ ক্ষেত্ৰত আগবাঢ়ি যাব পৰা নাই। আৰু আঁচনি সমূহো ফলৱতী কৰিব পৰা নাই।

অধ্যক্ষ :—শেষ কৰক।

শ্ৰীনগেন বৰুৱা :—আন এটা খেতি হৈছে কুঁহিয়াৰ খেতি। ইয়াৰ কাৰণে

যিমানখিনি সা-সুবিধা দিব লাগে সেইখিনি আচলতে নিদিলে খেতিয়কে উৎসাহ পাব নোৱাৰে আৰু উৎপাদনো বেছি নহয়। পুৰণি কলীয়া পদ্ধতিৰে খেতি কৰি থাকিলে তাৰ দ্বাৰা খেতি উৎপাদন বেছি হোৱাটো কেতিয়াও আশা কৰিব নোৱাৰি। আমাৰ অসম চৰকাৰে ছয়টা চেনীকল পাতিম বুলি কৈছিল। তিনিটাৰ লাইচেন্স আদিও পোৱা হৈ গৈছে। আচলতে খেতিয়ক সকলক উৎসাহিত কৰিব নোৱাৰাৰ কাৰণে আৰু আৱশ্যকীয় সা-সুবিধা দিব নোৱাৰাৰ কাৰণে যিমানখিনি কুঁহিয়াৰ লাগে সেইখিনি যোগান ধৰিব পৰা নাই। দেৰগাওঁ বা বকৰাবামুনগাওঁতো সেইটোৱেই হৈ আছে। গতিকে প্ৰকৃত পক্ষে ক'ত কিমানখিনি টকা লাগে কোনখিনিৰ কাৰণে কি সুবিধা দিব লাগে সেইটো চাই নোলোৱাকৈয়ে বাজেটত টকা ধৰি খৰচ কৰিলে কোনো কামত নাহিব। এই কাৰণেই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি মোৰ বক্তৃতাৰ সাৰৰণি মাৰিছোঁ।

# CALLING ATTENTION

**Mr. Speaker :—** It will continue. Now I come to item no. 3.

**Smti Renuka Devi Borkataki :—** Mr. Speaker Sir, I beg to call the attention of the Minister, Health under Rule 54 of the Rules of Procedures and conduct of Business in the Assam Legislative Assembly to the news item appearing in the Dainik Asom, dated 12 th January, 1975 under the Caption' মেলেৰীয়াত শতাধিক লোকৰ মৃত্যু'

**শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ—** মই এটা কথা সুধিব বিচাৰিছোঁ সেইটো হ'ল এই যে চাৰভিচিলেন্স ওৱাৰকাৰ সকলে কিমান জনসংখ্যা কভাৰ কৰিব লাগে? আৰু তাৰ লগতে এইটো কথা সচাঁ নেকি যে জনসংখ্যা বেচি হোৱাৰ কাৰণে তেওঁলোকে থিকমতে সেই হিচাবতো লব পৰা নাই আৰু সেই

কাৰণেই বহু মানুহ মেলেৰীয়া বেমাৰত ভূগিব লগীয়া হৈছে আৰু চিকিৎসাৰ অভাৱত মৃত্যু মুখত পৰিব লগীয়া হৈছে।

শ্ৰীসুৰেন দাস (মঃ) — তেওঁলোকে ১০ হাজাৰ জনসংখ্যাৰ কভাৰ কৰিব লাগে অৱশ্যে বৰ্ত্তমান তেওঁলোকৰ সেইটো বেচি হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— জনসংখ্যা বেচিকৈ কভাৰ কৰিব লগীয়া হোৱাই তেওঁলোকে থিক মতে মেলেৰীয়া বেমাৰত আক্ৰান্ত হোৱা লোকৰ বিষয়ে তথ্য সংগ্ৰহ কৰিব পৰা নাই ফলত বহুতো লোক মেলেৰীয়া বেমাৰত ভুগি মৃত্যু হব লগীয়া হৈছে।

ডাক্তৰ সুৰেণ দাস (মঃ) ঃ— এইটো কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সাহায্যতে কৰা আচঁনি গতিকে যি খিনি আৰ্থিক সাহায্য আগবঢ়াইছে তাৰে যিমতে কাম কৰিব পৰা যায় সেই খিনিয়ে কৰা হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— বাতৰি কাকতত ওলাইছে যে চিকিৎসাৰ অভাৱত আৰু আৰ্থিক সাহায্য নোপোৱাৰ কাৰণে তাৰোপৰি মন্ত্ৰী ডাঙৰীয়াই নিজেই কোৱা মতে চাৰভুলেন্স ওৱাৰকাৰ সকলে সম্পূৰ্ণ জনসংখ্যা কভাৰ কৰিব পৰা নাই ফলত বহু মানুহ এই মেলেৰীয়া নিৰ্ম্মূল আচঁনিৰ সাহায্য নোপোৱাৰ কাৰণে মেলেৰীয়া বেমাৰত ভুগিব লগীয়া হৈছে আৰু মৃত্যু মুখত পৰিব লগীয়া হৈছে।

ডাঃ সুৰেণ দাস (মঃ) :— মেলেৰীয়া বেমাৰত তেনেকৈ মানুহৰ মৃত্যু হোৱা নাই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ— মেলেৰীয়া বেমাৰত যি সকল পৰিছে সেই সকলক চকু দিয়া হোৱা নাই আৰু তাৰোপৰি যিবিলাক ঠাইত প্ৰিভেনটিভ মেজাৰ আৰু দি, দি, টি ইত্যাদি দিব লাগে সেইবিলাকত সোনকালে দিবলৈ ব্যৱস্থা কৰিব নে ?

ডাঃ সুৰেণ দাস (মঃ) :— এতিয়া প্ৰতি খন জিলাতে কাম কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে।

ডঃ সুৰেন দাস ( বাজ্যিক মন্ত্ৰী ) :—

চিপাঝাৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ পৰা তথ্য সংগ্ৰহ কৰামতে যোৱা ১৯৭৪ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৭৫ চনৰ জানুৱাৰী মাহলৈকে গোটেই এই পাচঁমাহত ১৪,৩৯১ জন ৰোগীক চিকিৎসা দিয়া হয়। ইয়াৰে ভিতৰত বেছিভাগেই জ্বৰ, কাহ আৰু সৰ্দ্দিত ভুগিছিল। মেলেৰিয়া ৰোগত আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যা মুঠ মাত্ৰ ২৮ জন। তাৰে ভিতৰত মেলেৰিয়া বেমাৰত এজনৰো মৃত্যু হোৱা নাই। দৰৱজাতি নোপোৱা আৰু চিকিৎসাৰ অভাৱ হোৱা কথাটো সঁচা নহয়। চিপাঝাৰ প্ৰাথমিক কেন্দ্ৰৰ স্বাস্থ্য বিষয়াই সেই সময়ছোৱাত মুঠ ৯৫০০ টা 4 amino বড়ি পায়। তাৰে ১০০০ বড়ি এতিয়াও তেওঁৰ হাতত জমা আছে। ইয়াৰ উপৰিও উক্ত অঞ্চলৰ মেলেৰিয়া জৰীপ কৰ্মীসকলক ৬৪০০ টা 4 amino ( Nivaquine chloroquine ) ২৫২৫ টা 8 amino বড়ি ( In terms of 2.5 mgm ), Daraprin ৭৭৬ টা আৰু ৮৪৪ টা কুইনাইন বড়ি দিয়া হয়। ইয়াৰে ভিতৰত জানুৱাৰী মাহলৈকে প্ৰায় আধাহে দৰৱ কৰ্মীসকলৰ হাতৰ পৰা খৰচ হয়। ইয়াৰ পৰা বুজা যায় যে উক্ত অঞ্চলত দৰৱ জাতিৰ অভাৱ হোৱা নাছিল।

ইং ১৯৭৪ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৭৫ চনৰ জানুৱাৰী মাহলৈকে চিপাঝাৰ অঞ্চলকে ধৰি NMEP চাৰিটা Scetion ত মেলেৰিয়াৰ জৰীপ কৰ্মৰ ফলাফল দিয়া হল।

| No of section | No of villages | Total Population | Total blood Smear collected from the suspected cases | Total blood smears fovrd the posive Malaria patient | Reateal treatment giver to |
|---|---|---|---|---|---|
| 4 | 35 | 43,470 | 854 | 151 | 149 |

ওপৰত উল্লেখ কৰা ৮৫৪ জন জ্বৰ হোৱা বেমাৰীৰ প্ৰত্যেককে presumptive treatment দি blood smear লোৱা হয়। আৰু

তাৰে ১৫১ জনৰ ভেজত মেলেৰিয়া বীজাণু পোৱা হয়। সেই ৰোগীৰ ভিত্তৰত ১৪৯ জনক Radical treatment দিয়া হয়। মাত্র দুজন লোক আন ঠাইলৈ গুচি যোৱাৰ বাবে Radical treatment কৰিব পৰা নগল। এতেকে মেলেৰিয়া ৰোগীক উপযুক্ত চিকিৎসা কৰিব নোৱাৰা কথাটো সচা নহয়।

পূৰ্ব্বৰ টংলা NMEP গোটৰ বৃহৎ অংশটোত Basic Health Services Scheme কাৰ্য্যকৰী কৰা হেতুকে টংলাত থকা মেলেৰিয়া নিৰ্ম্মূল আচনিৰ কাৰ্য্যালয়টো ১৯৭৩ চনৰ মাৰ্চ মাহৰ পৰা উঠাই দিয়া হয় আৰু সেই অঞ্চলত থকা জৰীপ কৰ্মীসকলক আৰু microscopist সকলক প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ লগত লগ লগাই দি জিলা স্বাস্থ্য বিষয়াৰ অধীনলৈ নিয়া হয়।

সেই অঞ্চলবিলাকৰ কিছুমান ঠাইত মেলেৰিয়া ৰোগীৰ সংখ্যা বৃদ্ধি পোৱা হেতুকে ১৯৭৪ চনৰ চেপ্তেম্বৰ মাহত পুনৰ টংলাত NMEP গোট কাৰ্য্যালয় স্থাপন কৰা হয়। তেতিয়াৰ পৰাই জিলা পৰ্য্যায়ৰ NMEP গোটবোৰ পুনৰ গঠন নকৰালৈকে অৰ্থাৎ ২৮।২।৭৫ ইং তাৰিখলৈকে সকলো কৰ্মী টংলাত আছে।

গাওঁ-ভূঁইবোৰত ডি-ডি-টি ছটিয়ালে বৰ্ত্তমান পৰিস্থিতিত বহুল ভাৱে মেলেৰিয়া ৰোগ বিয়পাটো ৰোধ কৰিব পাৰিনে নোৱাৰি সেই বিষয়ে গৱেষণা চলি আছে। গৱেষণা অন্ত হোৱাৰ পাছতহে বৰ্ত্তমান পদ্ধতিত ডি-ডি-টি ছটিওৱাৰ কাৰ্য্যকাৰিতা সম্পৰ্কে জানিব পৰা হব। তাৰোপৰি Maintance Phase ত থকা অঞ্চলত নিয়মিত ভাৱে ডি-ডি-টি ছটিওৱা নহয়।

প্ৰত্যেক ৰোগীৰ দেহত মেলেৰিয়া বীজাণু হেনো পোৱা গৈছে —বোলা কথাষাৰো সঁচা নহয়। চৰকাৰী চিকিৎসা কেন্দ্ৰত ঔষধ নোহোৱা কথাষাৰো সত্য নহয়। 'বিনা চিকিৎসাত মৃত্যুৰ ক্ষণ লেখি থাকিবলগীয়া হৈছে—" কথাষাৰৰো সত্যতা নাই।

**Shri Syed Ahmed Ali (Minister)** :— Sir, regarding this Item No. 4., I could not collect the full information. So, I pray for time.

**Shrimati Renuka Devi Barkataki** :— Sir, what is the particular spot where the statue of 'Sahithya Rothi Lakhinath Bezbara' is situated ?

**Shri Syed Ahmed Ali (Minister)** :— Sir, that is in Golaghat.

**Shri Dulal Chandra Barua** :— Sir, this notice was given long back.

**Mr. Speaker** :— He has stated that he could not collect the full information. Therefore, he has prayed for time.

**Shri Syed Ahmed Ali (Minister)** :— Sir, on 4th March, 1975, I received this notice. On 5th of March, 1975, I sent an wireles message and on 10th of March, 1975, I received a telegram from the Chairman Municipality. But as the information given is not complete, again on 12th March another wireless message was sent.

## ADJOURNMENT

**Mr. Speaker** :— The House now stands adjourned till 10 a.m. on Monday the 17th March, 1975.

( The House rose at 5.07 p.m. )

Dispur — P. D. Barua

15.3.75 — Secretary, Legislative Assembly.